# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ ৰচিত

# প্ৰথম কাব্য

# ।।হৰিশ্চন্দ্ৰ উপাখ্যান।।

।। শ্ৰীশ্ৰী কৃষ্ণায় নমোনমঃ ।।

।। মঙ্গলাচৰণ।।

নমো নাৰায়ণ নিৰঞ্জন জগজীৱ।

পুৰাণ পুৰুষ হৃষীকেশ সদাশিৱ।।

দানৱ দলন দামোদৰ আদি দেৱ।

দণ্ডৱতে পৰি কেশৱক কৰো সেৱ।।১।।

কৃষ্ণ পাদ-পদ্ম যুগ হৃদয়ত ধৰি।

গুৰুৰ চৰণ মনে শিৰোগত কৰি।।

মাৰ্কণ্ডেয় পুৰাণৰ কথাতে প্ৰধান।

পয়াৰে ৰচিবো হৰিশ্চন্দ্ৰ উপখ্যান।।২।।

জয় জয় হৰিশ্চন্দ্ৰ নৃপতি তিলক।

ৰাজসূয় যজ্ঞ যজি ত্ৰিদশ দেৱক।।

সশৰীৰে স্বৰ্গে গৈলা সমস্ত নগৰে।

কৃষ্ণৰ চৰণে পদ ভণিল শঙ্কৰে।।৩।।
বিষ্ণু বৈষ্ণৱৰ কথা দুয়ো সমতুল।
শ্ৰৱণ কীৰ্ত্তন কৰে পাপক নিৰ্ম্মূল।।
চণ্ডাল পৰ্য্যন্তে কৰে সৱাকো পৱিত্ৰ।
জানি নিৰন্তৰে শুনা বৈষ্ণৱ চৰিত্ৰ।।

।।প্ৰস্তাৱনা।।

জৈমিনি বদতি শুনা ধৰ্ম্ম পক্ষীবৰ্গ।
কোন কৰ্ম্ম কৰি হৰিশ্চন্দ্ৰ গৈলা স্বৰ্গ।।
কি কাৰণে কদৰ্থিলা বিশ্বামিত্ৰ ঋষি।
কহিয়োক কথা মোত পৰম হৰিষি।।৫।।
পক্ষীগণ বদতি শুনিয়ো ঋষিবৰ।
পৃথিৱীতে সাৰোতৰ অযোধ্যা নগৰ।।
সংসাৰৰ যত গুণগণে অলঙ্কৃত।
সৰ্ব্বক্ষণে যৈত জনাৰ্দ্দন উপস্থিত।।৬।।
নিৰ্ম্মিলা প্ৰৱন্ধে বিধি পুৰী বিতোপন।
স্বৰ্গতো অধিক সুখী যাৰ প্ৰজাগণ।।
নিজ ধৰ্ম্মশালী শিষ্ট বৈষ্ণৱসকলে।

ঘৰে ঘৰে প্ৰত্যেক অচলা লক্ষ্মী জ্বলে।।৭।।

সেহি নগৰত ভৈলা হৰিশ্চন্দ্ৰ ৰাজা।

পুত্ৰতো অধিক দশগুণে পালে প্ৰজা।

পৰম মহন্ত ক্ষমতাৱন্ত সত্যৱন্ত।

বিষ্ণুতো ভকত মহাধৰ্ম্ম আচৰন্ত।

অস্ত্ৰ শস্ত্ৰ সমস্তে শাস্ত্ৰতে সুশিক্ষিত।

বুদ্ধি বৃহস্পতি সম প্ৰতাপে আদিত্য।।

কন্দৰ্প সদৃশ শোভে সুন্দৰ শৰীৰ।

সৰ্ব্বগুণে গুণান্বিত সাগৰ গম্ভীৰ।।৯।।

নাহিকে লোকৰ শোক যাহাৰ ৰাজ্যত।

নাহি মাৰি মৰক দুৰ্ভিক্ষ দুখ যত।।

নাহিকে সচল চোৰ ঘোৰ বিঘ্নি ভয়।

আকালতো কাৰো নাহি মৰণক ভয়।।১০।।

ধৰ্ম্মপথে থাপিলন্ত পৃথিৱী মণ্ডল।

ৰায় বাণ্ডী সম কিছু নাহি বলাবল।।

মহাসুখে প্ৰজা যেন বৈকুণ্ঠত বসে।

স্বৰ্গ মৰ্ত্ত্য পাতাল ব্যাপিল যাৰ যশে।।১১।।

পৃথিৱীৰ ৰাজাগণে যাক বলে নাটে।

কৰ দিয়া ৰাজাগণে ভৃত্যৱতে খাটে।।
জল সাগৰক লাগি ভৈল অধিকাৰ।
সাতোদ্বীপা পৃথিৱীৰ লৱে কৰ ভাৰ।।১২।।
হীৰা মৰকত মণি মাণিক অপাৰ।
পৰ্ব্বত সমান দৌল বান্ধিলা ভণ্ডাৰ।।
সুৱৰ্ণ ৰজত যত তাক কোনে লেখে।
যেহি ভিতি চক্ষু চাহে ৰত্নময় দেখে।।১৩।।
লক্ষ কোটি শকটে ধন বহে।
ধনভৰে তল যায় আযোধ্যা নসহে।।
জগতৰ লক্ষ্মী সৱে ভৈল এক ঠাই।
শ্ৰীমন্ত হৰিশ্চন্দ্ৰ ৰাজা ইন্দ্ৰ প্ৰায়।।১৪।।
এক ছত্ৰে ভূঞ্জে অকন্টকা বসুন্ধৰী।।
স্ত্ৰীৰত্ন মাজে লেখি গুণৱতী সতী।
ৰূপত পাৰ্ব্বতী পতিব্ৰতা পুণ্যৱতী।।১৫।।

পতি বিতিৰেকে সেপোনতো নাহি আন।।
নৃপতিৰ প্ৰাণতো অধিক আতি স্নেহ।
যেন গৌৰী-শঙ্কৰে অভিন্ন ভৈল দেহ।।১৬।।

স্বৰ্গত ক্ৰীড়ন্তে যেন শচী পুৰন্দৰ।
লক্ষ্মী সমন্বিতে যেন কেলি কেশৱৰ।।
শৈব্যা ভাৰ্য্যা সঙ্গে হৰিশ্চন্দ্ৰ মহাৰথ।
পূৰিলন্ত নৃপতি সমস্তে মনোৰথ।।১৭।।
ৰোহিতাশ্ব নামে ভৈল তনয় ৰাজাৰ।
যেন পূৰ্ণিমাৰ শশী শিশু সুকুমাৰ।।
সৰ্ব্ব সুলক্ষণ একো গুণে নাহি হীন।
নিৰন্তৰে আছে নৃপতিৰ যত চিন।।১৮।।

।।ৰাজসূয় মহা যজ্ঞ অনুষ্ঠান।।

এহিমতে আনন্দতে কতোদিন গৈল।
যজ্ঞ কৰিবাক নৃপতিৰ মন ভৈল।।
পুৰোহিত বশিষ্ঠক আনিলা মতাই।
বোলন্ত বিনতি কৰি হৰিশ্চন্দ্ৰ ৰায়।।১৯।।
তযু আশীৰ্ব্বাদে সুপ্ৰসাদে ভুঞ্জো ৰাজ।
ইন্দ্ৰতো অধিক দেখো আমাৰ সমাজ।।
উপাৰ্জিত ধনৰ ত্যাগেসে ৰক্ষা হুই।
কৰায়োক মোক মহাযজ্ঞ ৰাজসূয়।।২০।।

সুৱৰ্ণ ৰজত ৰত্ন যত ধন ধান।
কৰিয়ো সাম্ফল ব্ৰাহ্মণক দিবো দান।।
তোহ্মাৰ প্ৰসাদে যজ্ঞ সিজোক সম্প্ৰতি।
ইটো সূৰ্য্যবংশৰ তুমিসি গুৰু গতি।।২১।।
শুনি ৰঙ্গে ঋষিৰাজে মাতিলন্ত পাছে।
যত লাগে সম্ভাৰ গৃহতে সৱে আছে।।
ত্ৰৈলোক্যত কোন কৰ্ম্ম তোহ্মাৰ অসক্ষ।
সত্বৰে অনায়ো বাচি ৰাজা একলক্ষ।।২২।।
বশিষ্ঠে কহিলা যত যজ্ঞৰ বিধান।
হাঙ্কাৰে আনিলা ৰাজা লক্ষেক প্ৰমাণ।।
যেন যোগ্য আনি সুমুচিত কাৰ দিল।
হৰিশ্চন্দ্ৰ মহাৰাজা যজ্ঞ আৰম্ভিল।।২৩।।
সমস্তে সম্ভাৰ মিলাইলন্ত মহাৰাজ।
অসংখ্যাত ঋষিগণ মিলাইল সমাজ।
বশিষ্ঠে মণ্ডল দিয়া আৰম্ভিল পূজা।
ভাৰ্য্যায়ে সহিতে কুশহস্ত ভৈলা ৰাজা।।২৪।।

।।হৰিপূজা।।

প্ৰথমে বোলন্ত পূজিয়োক গণপতি।
ৰাজায়ে বোলন্ত গুৰু কমন যুগুতি।।
পৰম পুৰুষ হৰি তাঙ্ক এড়ি আগে।
কিবা গুণে গণেশক পূজিবাক লাগে।।২৫।।
জগতৰ নাথ সংসাৰৰ আদি মূল।
বিষ্ণুকেসে পূজি প্ৰথমতে দিবো ফুল।।
বিষ্ণুতে অৰ্পিবো যত পূজা যজ্ঞ দান।
বিষ্ণু বিতিৰেকে দেৱ নজানোহো আন।।২৬।।
হৰি তুষ্ট ভৈলে তুষ্ট হোৱে চৰাচৰ।
হেন বিষ্ণু এড়ি পূজিবোহো লম্বোদৰ।।
কাচক যতন যেন পৰিহৰি হীৰা।
শালগ্ৰাম মাটিত নটীক যে পীৰা।।২৭।।
বশিষ্ঠ বদতি শুনা নৃপতি প্ৰধান।
গণেশক কিসক কৰয় এত মান।।
পাৰ্ব্বতীৰ পুত্ৰ যত বিঘ্নিৰ ঈশ্বৰ।
তাহান ক্ৰোধত কাৰ্য্য হৈব আথান্তৰ।।২৮।।
নৃপতি বোলন্ত গুৰু নুবুলিবা মোক।

মাধৱক আৰাধিলে যেন লাগে হৌক।।

বিঘ্নিক সঙ্কায়ে নুপূজিবো হৃষীকেশ।

ওকণীক ভয়ে কোনে মুণ্ডি আছে কেশ।।২৯।।

বশিষ্ঠে লৈলন্ত আনো ঋষিত সন্মতি।

গণেশক এড়ি পূজিলন্ত লক্ষ্মীপতি।।

অনেক নৈবেদ্য বলী বস্তু উপহাৰে।

মাধৱক পূজিলন্ত বিৱিধ প্ৰকাৰে।।৩০।।

স্তুতি নতি ভকতি কৰিলা বহুভাৱে।

যাৱত শকতি পুজিলন্ত কৃষ্ণ পাৱে।।

আনেক আহুতি কৰি বহ্নি বিসৰ্জ্জিল।

প্ৰণতি পূৰ্ব্বকে আদিত্যক অৰ্ঘ্য দিল।।৩১।।

বশিষ্ঠকো দিলা আনি দক্ষিণা অশেষ।

হয় হস্তী ৰথ দাস দাসী গ্ৰাম দেশ।।

।।দক্ষিণাদান।।

অসংখ্যাত ৰথ সৰ্ব্বগাৱে অলঙ্কাৰ ।

ভাণ্ডাৰ ভাণ্ডাৰ দিলা সুৱৰ্ণ অপাৰ ।।৩২।।

আনো ঋষিগণ যত আসন্ত সমাজে ।

ভিনে ভিনে সৱাকো অৰ্চ্চিলা মহাৰাজে ।।
দিলা পুষ্প চন্দন বসন অলঙ্কাৰ ।
গাৱে গাৱে সুৱৰ্ণৰ একোশত ভাৰ ।।৩৩।।
হৰিশ্চন্দ্ৰ নৃপতিৰ ৰাজসূয় শুনি ।
অযোধ্যাক আসি সৱে ভৰিলা ব্ৰাহ্মণী ।।
আশেষ সেৱকে দেই ভোজন সম্ভৃত ।
দধি মধু মোদক ভুঞ্জন্ত পঞ্চামৃত।।৩৪।।
ঘৃত লাড়ু পৰমান্ন ভুঞ্জি গণ্ডগোল ।
ঘন ক্ষীৰ খান্তে পেট যেন ভৈল ঢোল ।।
তথাপি বোলন্ত মোক আৰো কিছো লাগে ।
নাহা নকৰন্ত পেট পেল্লাই যেন লাগে ।।৩৫।।
কতো পঞ্চামৃত খুজিলন্ত খাইবো বুলি ।
মখুত নযাই চাই থাকে হাত তুলি ।।
বিধিক সুমৰি ধৰ্ম্ম কৰন্ত ব্ৰাহ্মণ।
এৰিয়ো নেৰন্ত যেন কৃপণৰ ধন।।৩৬।।
খাহান্তে খাহান্তে কাৰো পাইল টেটু মান।।
বস্তু আনি যাচন্তে নেদন্ত সমিধান।।
থিউ হুয়া থাকৈ বান্তি আসিবাক ডৰে।

যেন মঠ ধৰি যোগীগণে ধ্যান কৰে।।৩৭।।

এহিমতে ভূঞ্জন্তে ব্ৰাহ্মণ লক্ষ কোটি।

মনত সন্তোষ পঞ্চামৃত নেই যুতি।।

অসংখ্যাত লোকে তাসম্বাৰ ধৰে আল।

স্বৰ্গতো লাগিল ব্ৰহ্ম ভোজন ঘঞ্চাল।।৩৮।।

নৃপতি বোলন্ত ৰৌল মোৰ বোল কৰা।

সমস্তে ভণ্ডাৰ দিলো নিয়া যত পাৰা।।

শুনি দ্বিজগণে ভৈলা পৰম সন্তোষ।

ভণ্ডাৰ সোমায়া লগাইলন্ত লুড়ি লোস।।৩৯।।

একো ধন আছে তাৰ লক্ষ কোটি মোল।

আথে বেথে দা'ম কৰি চপাৰন্ত কোল।।

উপৰত পৰি তাক মোৰ মোৰ বুলি।

আপুন ইচ্ছায়ে পাছে উপচান্ত জুলি।।৪০।।

বান্ধন্ত বোকোন্দা কতো গুটি সুৱৰ্ণৰ।

মুকুতা মাণিক মণি হীৰা বাথৰৰ।।

বোঝা লৈয়া তথাপি কৰন্ত হাঁয়-ফুঁই।

তাকো নিবে নপাৰিয়া যান্ত কুজা হুই।।৪১।।

মুণ্ডফুটে বুলিয়া পেল্লান্ত কতো বোঝা।

নাকে খৰ উশাস গুণন্ত কতো ওজা।।
হা বিধি কিনো মোৰ দৰিদ্ৰৰ চিন।
ৰাজসূয় যজ্ঞত নগৈল শুজা ঋণ।।৪২।।
ৰথত তুলিলা কতো আঙ্কোৱালী ধৰি।
গৃহৰ কৰন্ত বাজ কেকোঁ জেকোঁ কৰি।।
তুলি লৈবে নপাৰিয়া লৈ যান্ত ঘসাই।
শৰীৰৰ বস্ত্ৰ কাটি ডোলাক লগাই।।৪৩।।
গোটে গোটে পেড়া কেহোঁ ধৰন্ত সাৰটি।
আনে ওচৰক যান্তে লাগে হতাহতি।।
পুত্ৰ ভাতৃ যাৰ নাম কাঢ়ি দেন্ত গেড়ি।
আলগাই নেন্ত পাছে সাতে পাঞ্চে বেঢ়ি।।৪৪।।
সুৱৰ্ণৰ ঝৰি খুৰি আছে লক্ষ কোটি।
আক দেখি কতো ব্ৰাহ্মণৰ আতি মুতি।।
জোট কৰি বান্ধা উপৰৰ বস্ত্ৰ কাঢ়ি।
দুয়ো হাতে লৈ যান্ত কান্ধত কতো আৰি।।৪৫।।
তথাপি কৰন্ত যান্তে মনত বিকল।
মোৰ কিয় নভৈল হস্তী গোট মান বল ।।
আজি লৈয়া গৈলো হন্তে ভণ্ডাৰ উলাসি ।

শতেক পুৰুষো সুখে খাইলো হন্তে বসি ।।৪৬।।
কতো দ্বিজগণে কঙ্কালত বস্ত্র কাছি ।
ৰথে উপচায়া মাথে লৈয়া যান্ত পাচি ।।
আন্দোল কৰিয়া চলি যান্ত বোঝা শিৰে ।
দলদোপ বসুমতী ব্রাহ্মণৰ ভিৰে ।।৪৭।।
জোত জোত আশংসতে যান্ত নিৰন্তৰ ।
চিৰঞ্জীৱ হৌক হাৰিশ্চন্দ্র নৃপবৰ ।।
যাহাৰ যজ্ঞক ত্রৈলোক্যতো নাহি সৰি ।
অদৰিদ্র ভৈল দুখী ভিক্ষী দেশান্তৰি ।।৪৮।।
হেন থানে আনে কোনে ব্রাহ্ণণক দিব ।
হৰিশ্চন্দ্র সমদাতা নাহি নৃপজিব ।।
থাকিল কীৰিতি যাৱে চন্দ্র দিৱাকৰ ।
এহি কথা মাতে সৱে চলি যান্ত ঘৰ ।।৪৯।।
ৰাজাৰ সহস্র কোটি ভাণ্ডাৰ অনেক ।
নপাৰিলে নিবে শত ভাগৰো ভাগেক ।।
আনো যত প্রজা যজ্ঞশালে আছে আসি ।
দিলা বস্ত্র অলঙ্কাৰ বহু ধন ৰাশি ।।৫০।।
ৰাজসূয় যজ্ঞে তুষ্ট ভৈলা চৰাচৰ ।

ত্ৰিদশে সহিতে আশ্বাসিলা পুৰন্দৰ।।

স্বৰ্গত বসিয়া প্ৰশংসন্ত দেৱগণ।

ধন্য ধন্য হৰিশ্চন্দ্ৰ সাফল জীৱন।।৫১।।

পাতালতো যশ বখানন্ত দৈত্য নাগে।

কিনো মহা যজ্ঞ কৰিলন্ত মহাভাগে।।

নুপজিব নভৈল চৈধ্য ভূৱনত।

সাফল জন্মিল ৰাজা মাতৃৰ গৰ্ভত।।৫২।।

পক্ষীগণ বদতি জৈমিনি শুনিয়োক।

যজ্ঞত নভৈল তুষ্ট নাহি হেন লোক।।

বিঘ্নিৰ ঈস্বৰ একে গণেশত বাজে।

পূজা নপাই গণপতি অধোমুখে লাজে।।৫৩।।

থাক থাক কৈক যাইবি ৰাজা অহঙ্কাৰী।

আৰ মান সাধো বুলি মোচৰন্ত ডাৰি।।

মান্য কণ্ডি মোক তই নুপূজিলি আগে।

তাৰ প্ৰতিফল দিবো নছাৰিবো লাগে।।৫৪।।

এহি গুনি গণেশৰ মনে সুখ নাই।

পাছে পাছে ৰাজাৰ ফুৰন্ত ছিদ্ৰ চাই।।

নৃপতিও আপোনাৰ পূৰি মৰোৰথ।

বিষ্ণুক চিন্তিয়া সুখে ৰহিলা ৰাজ্যত।।৫৫।।

শুনিয়োক যত সভাসদ নিৰন্তৰ।

পৰমাৰ্থ কথা মাৰ্কণ্ডেয় পুৰাণৰ।।

হৰিশ্চন্দ্ৰ চৰিত্ৰ শুনন্তে অনুপাম।

পাপৰ নিৰ্য্যাণ হৌক বোলা ৰাম ৰাম।।৫৬।।

।।ছবি।।

ধৰ্ম্ম পক্ষীগণে বোলে শুনিয়ো জৈমিনি ঋষি

যেন কথা ভৈলা তাত পাছে।

এহিমতে হৰিশ্চন্দ্ৰ পৃথিৱীমণ্ডলে ইন্দ্ৰ

মহাকৃতকৃত্য হুয়া আছে।।

কৃষ্ণৰ প্ৰসাদে নৃপ ভুঞ্জিলন্ত সাতোদ্বীপ

ধৰ্ম্ম দেহা চুইলে হৰে পাপ।

হেন নাহি একো নৰে পাছত কুচৰ্চ্চা কৰে

সাক্ষাতে প্ৰজাৰ মাৱ বাপ।।৫৭।।

লোকৰ একান্ত মতি কৰন্ত ভকতি নতি

ৰাজাৰেসে চিন্তৈ হিতকাৰ্য্য।

দেৱতো মাগন্ত বৰ হৰিশ্চন্দ্ৰ নৰেশ্বৰ

যুগে যুগে কৰন্তোক ৰাজ।।

শৈব্যা পটেশ্বৰী যাৰ স্ত্রীৰত্ন মাজে সাৰ

যেন লক্ষ্মী কৃষ্ণৰ ওচৰ।

কৰগত আছে নিধি যেহি বাঞ্চে সেহি সিদ্ধি

ভোগে যেন দুতি পুৰন্দৰ।।৫৮।।

এহি মতে অযোধ্যাত আছা যেৱে নৰনাথ

দিনেক মন্ত্রীক আদেশিল।

মৃগ মাৰিবাৰ কাজে যাইবো বিজু বন মাজে

সজাউ প্রজা নকৰি শিথিল।।

ৰাজাৰ আদেশ পালি উঠি মন্ত্রী গাৱ চালি

হাঙ্কাৰি আনাইলা সৱৰাজ।

অনন্তৰে নৰেশ্বৰ কৰে ধৰি ধনু শৰ

যাত্রা লৈয়া আসি ভৈলা বাজ।।৫৯।।

আৰোহিলা দিব্য ৰথ ধৰিলা বনৰ পথ

অলেখ নৃপতি সেৱা কৰে।

কতোহো চামৰে ঢুলি কতো শ্বেত ছত্র তুলি

মাথাৰ উপৰ কৰি ধৰে।।

অসংখ্যাত সেনাগণে অস্ত্রে শস্ত্রে তেতিক্ষণে

যোগান ধৰিয়া আগে পাছে।

বাৰে নানা বাদ্য ভণ্ড চিন চৌণ্ডা ছত্ৰদণ্ড

তুলি ধৰি যায় দুয়ো কাছে।।৬০।।

অসংখ্যা সহস্ৰ ৰথ চলি যায় ৰাজপথ

ধ্বজে দণ্ডে গগণ বিয়াপি।

চতুৰঙ্গ সেনা বলে জুৰি সৱে জলে থলে

চলে একে চপকৰে ব্যাপি।।

লক্ষকোটি গজ বাজী চলি যাই এক লাঞ্জি

গজ ঘন্টা শৱদ আস্ফাল।

চিহৰে অসংখ্য ঘোৰে প্ৰচণ্ড প্ৰজাৰ গিৰে

ঘনে ঘনে যায় ভূমি চাল।।৬১।।

এহিমতে মহাৰাজে চলি যান্ত বন মাজে

দেখিলন্ত বিমঙ্গল হেতু।

সৰ্প আসি বাজ ভৈলা দক্ষিণে শৃগাল গৈলা

আগতে পৰিল ধূমকেতু।।

ফন্দে বাম কৰ উৰু অনা বাৰে ভাগে তৰু

পৰ্ব্বত শিখৰ পৰে খসি।

সঘনে নিৰ্ঘাত পৰৈ ঘনে ঘনে ভূমি লৰৈ

একে আকাশতে দুই শশী।।৬২।।

দেখি মন্দ অভিপ্ৰায় মনত উৎসাহ নাই

তথাপি বিপাকে নেই টানি।

এহিমতে মহা ভাগ অৰণ্যক পাইলা লাগ

আদেশিলা মৃগ মাৰা হানি।।

শুনি সৱে সেনাগণে পশি সেহি ঘোৰ বনে

খেদি মাৰে হৰিণ বৰাহ।

কতো কতো জাল পালি শাল দাঙ দিয়া আতি

কতো কৰৈ অৰণ্যক দাহ।।৬৩।।

নৃপতিয়ো ৰথ এৰি একতেজি ঘোড়ে চড়ি

পশিলন্ত সেহি বন মাজে।

হাতে ধৰি ধনুৰ্ব্বাণ দেখিলন্ত বিদ্যমান

আগে উপসন্ন মৃগৰাজ।।

দেখি ৰাজা সেহি চেগে শৰে বিন্ধিলন্ত বেগে

সিয়ো অন্তৰিয়া মৃগবৰ।

জীৱ ভয়ে তেতিক্ষণে বিজুলী চমকে যেনে

বায়ু বেগে দিলেক লৱৰ।।৬৪।।

ৰাজায়ো ঘোৰাত উঠি পাছতে দিলন্ত ছুটী

খেদি যান্ত হাতে পাই পাই।

যত ৰথ বাজী গজ কেহো নাপাইলেক লাগ

একেশ্বৰে গৈলা মহাৰায়।

হৰিশ্চন্দ্ৰ নৰেশ্বৰ যান্ত যেৱে বহুদূৰ

মানুষৰ শুনিলা শৱদ।

ৰিণি ৰিণি ধ্বনি শুনি উনাৱন্ত মনে গুণি

স্ত্ৰীগণে কৰে আৰ্ত্তনাদ।।৬৫।।

কিবা মায়া ৰাক্ষসৰ কিবা দৈত্য দানৱৰ

কিবা একো দেৱতাৰ চল।

যিহোক সিহোক ভাগে তথাপি যাইবাক লাগে

কোনে কৰে স্ত্ৰীক দুৰ্ব্বল।

সমস্ত পৃথিৱী মোৰ আত কোন খন্টা চোৰ

যমত ঘেলাৱে আসি গাৱ।

এহি বুলি মহাৰায় মৃগ এৰি যান্ত ধাই

যথাতে শুনন্ত আৰ্ত্তৰাৱ।।৬৬।।

নমো নমো নাৰায়ণ বিঘিনি খণ্ডন প্ৰভু

ভকত জনক কৰা দায়া।

হৰি পদ প্ৰসাদত সিদ্ধি হৌক অভিমত

নাশ যাউক সংসাৰৰ মায়া।।

কৃষ্ণৰ চৰণ সেৱি ৰচিলন্ত পদ ছৱি

কেশৱৰ কিঙ্কৰ শঙ্কৰে।

সুনিয়োক নৰলোক কলিত সদগতি হৌক

হৰি হৰি বোলা নিৰন্তৰে।।৬৭।।

পদ

পক্ষীগণ বদতি শুনিয়ো মহামুনি।

খেদি যান্ত ৰাজা যেৱে আৰ্ত্তনাদ শুনি।।

সেহি বেলা মনে আলোঞ্চন্ত বিঘ্নিৰাজ।

পাইলো সন্ধি আৱে মোৰ সিদ্ধি ভৈল কাজ।।৬৮।।

তপে বিদ্যমান বিশ্বামিত্র মহা ঋষি।

মহাবিদ্যা সাধন্ত নিৰ্জ্জন বনে বসি।।

ব্ৰহ্মাৰো অসাধ্য ইটো বিদ্যা মনে গমি।

ধৰিলন্ত মহাব্ৰত ক্ৰোধক নিয়মি।।৬৯।।

সহিবে নপাৰি তান তেজৰ প্ৰভাৱ।

স্ত্ৰীৰূপে বিদ্যাগণে কৰে আৰ্ত্তৰাৱ।।

নজানিসি খেদি যান্ত নৃপতি অবোধ।

আৰ নিন্দা বাণী শুনি উঠি গৈল ক্ৰোধ।।৭০।।
মোক অপমান লগাই আছে দুৰাচাৰ।
এহি প্ৰস্তাৱতে আজি সাধো প্ৰতিকাৰ।।
ঋষিৰ হাতত কৰো ৰাজ্যৰ উচ্ছেদ।
তেৱেঁসে খণ্ডিবে মোৰ হৃদয়ৰ খেদ।।৭১।।
এহিমতে গুণি পাছে দেৱতা গণেশ।
নৃপতিৰ শৰীৰত ভৈলন্ত প্ৰৱেশ।।
ৰাজাৰ উঠিলা আতি দশ গুণে কোপ ।
ৰথত কৰন্তে যান্ত অনেক আতোপ।।৭২।।
মোহোৰ ৰাজ্যত কোনে চিন্তে অপকাৰ।
কোন পাপীষ্ঠৰ আৱে কট কটাই ঘাৰ।।
দুহিবাক লাগি কোনে বাঘিনীক চান্দে।
মৰিবাৰ আসুধি গলত তুলি বান্ধে।।৭৩।।
হেন মন্দকৰ্ম্ম কৰে কোননো অধমে ।
আক্ষাক জোঙ্কাৱৈ পাতি মলচিল যমে।।
গড়ল বিষক ভুঞ্জে মৰিবাক লাই।
আজি ঘোৰ শৰে যমপুৰে দিবো ঠাই।।৭৪।।
স্ত্ৰীক দুৰ্ব্বল কৰে কোননো নিস্থলে।

জ্বলন্ত বহ্নিক বান্ধে বস্ত্ৰৰ অঞ্চলে।।

খানিতেক ৰহ আজি ছেদ কৰো শিৰ।

মোৰ ঘোৰ শৰে পিবে তপত ৰুধিৰ।।৭৫।।

অনেক গৰ্জ্জন্তে যান্ত ৰাজা মহাবলী।

শুনি বিশ্বামিএ আতি ক্ৰোধে গৈলা জ্বলি।।

এড়িলন্ত যত মৌন ব্ৰতৰ বিধান।

ছিদ্ৰপাই যত বিদ্যা ভৈলা অন্তৰ্দ্ধান।।৭৬।।

পাছে বিশ্বামিত্ৰক দেখিলা নৰনাথ।

দশন কামুৰি ঋষি ঝঙ্কাৰন্ত মাথ।।

মহা ক্ৰোধে জ্বলে দেহা যেন অগ্নিপুঞ্জ।

আৰকত চক্ষুক ফুৰান্ত যেন গুঞ্জ।।৭৭।।

শৰীৰৰ পৰা গোড়ে বহি যাই ঘৰ্ম্ম।

চাহান নযায় যেন কালান্তক যম।।

থাক থাক বুলি দিল আঙ্গুল নিশান।

দেখি নৃপতিৰ ভৈল অন্তৰীক্ষ প্ৰাণ।।৭৮।।

আথে বেথে ঘোড়াৰ নামিল নৰোত্তম।

ওঠ কন্ঠ শুখাইল মুখত নাহি পম।।

আছাৰিয়া পেল্লাইলা হাতৰ শৰ ধনু।

মহা ভয়ে প্ৰৱেশিলা থিৰ নুহি তনু।।৭৯।।

কাম্পে হাত পাৱ সৱে শৰীৰ তৰাসে।

যেন অশ্বত্থৰ পাত পচোৱা বতাসে।।

দণ্ডৱতে পড়ি ৰাজা কৰন্ত কাতৰ।

নজানিসি তোহ্মাক বুলিলো অনুত্তৰ।।৮০।।

আৰ্ত্তনাদ শুনিলোহো স্ত্ৰীৰ বনত।

কোনবা দুৰ্ব্বল কৰে মোহোৰ মনত।।

সিকাৰণে খেদি আইলো ধৰি শৰ চাপ।

দিয়োক অভয় ক্ষমা কৰা ঋষি বাপ।।৮১।।

ৰাজা ভৈলে আহ্মাৰ এহিসে নিজ কাম।

কৰে ধনু ধৰি ধৰ্ম্মে কৰিবো সংগ্ৰাম।।

দিব মহা দান ৰক্ষা কৰিব প্ৰজাক।

এহিসে কাৰণে স্ৰষ্টা স্ৰজিলা আহ্মাক।।৮২।।

ঋষিয়ে বোলন্ত ৰাজা শুনিয়ো অবোধ।

কোনে এৰে বনত কৰিবি আৱে যুদ্ধ।

কাহাক ৰাখিবে লাগে কাক দিবি দান।

জান যেৱে আৰ শীঘ্ৰে দেহ সমিধান।।৮৩।।

ৰাজা বোলে বুঢ়া ব্ৰাহ্মণক দিবো দান।

ভয়াতুৰ প্ৰাণীক কৰিবো পৰিত্ৰাণ।।
শত্ৰু সমন্বিতে ন্যায় কৰিবো সংগ্ৰাম।
স্বৰূপ কহিলো ক্ৰোধ কৰা উপশাম।।৮৪।।
হেন শুনি বিশ্বামিত্ৰ দিলা সমিধান।
স্বৰূপত যেন্বে ব্ৰাহ্মণক দেহ দান।।
মইতো ব্ৰাহ্মণ তেন্বে তোৰ জনা চিনা।
জাণ্টে মোক ৰাজসূয়ৰ দিয়োক দক্ষিণা।।৮৫।।
হেন শুনি নৃপতিৰ নামি আইল ধাতু।
ৰঙ্গমনে বোলন্ত ৰক্ষাৰ ভৈল হেতু।।
দানেসে মাগন্ত ঋষি আহ্মাক নশপি।
এড়াইলো প্ৰমাদ উপজিলো পুনৰপি।।৮৬।।
উলসিয়া যেন স্বৰ্গ পাইলা আনন্দত।
কৰযোৰে বিনাৱন্ত ঋষিৰ আগত।।
তোহ্মাক দিবাক পাইবো কত পুণ্যভাগে।
সত্বৰে বুলিয়ো মোত কিবা দান লাগে।।৮৭।।
কিবা ৰত্ন ৰজতৰ অলেখ্য ভণ্ডাৰ।
কিবা দণ্ডপাট ৰাজলক্ষ্মী অলঙ্কাৰ।।
কিবা গজ বাজী আৰো অযোধ্যা নগৰ।

কিবা লাগে দেঞ্ঁ আপুনাৰে কলেৱৰ।।৮৮।।
আছে মহাশান্তী শৈব্য প্ৰিয়া পটেশ্বৰী।
ৰোহিতাশ্ব পুত্ৰ মোৰ প্ৰাণ এড়ে সৰি।।
যদি ঋষি খোজা মোত তাকো দেঞোঁ দান।
নুহি তেৱে বোলা দেঞ্ঁ অপোনাৰ প্ৰাণ।৮৯।।
পাইল হেন জানি কিছু নাহি অতি শঙ্কী।
বিস্তৰ বোলন্তে অৰে ককাবো যোনো টঙ্কা।।
যেহি মন বাঞ্ছা তাকে খোজা বিশ্বামিত্ৰ।
নিস্তে নিস্তে দিবো আত নাহি কিছু চিদ্ৰ।৯০।।
হেন শুনি ৰঙ্গ ভৈল ঋষিৰ মনত।
আউৰ কৈক যাস ৰাজা মোহোৰ হাতত।।
অনন্তৰে নৃপতিৰ দিলা সমিধান।
যতেৰ যাচিলি তাক পাইলো হেন জান।।৯১।।
কিন্তু ৰাজসূয়ৰ দক্ষিণা দিয়া আগে।
পাছে দান খুজি লৈবো মোক যিবা লাগে।।
প্ৰথমতে যজ্ঞৰ দক্ষিণা আছো খুজি।
যেন লাগে দিয়োক আপোন মন বুজি।।৯২।।
নৃপতি বোলন্ত দক্ষিণাক দিবো পাছে।

আগে দান লৈয়ো মন যেন ইচ্ছা আছে।।

হেন শুনি ঋষিয়ে বোলন্ত ভাল ভাল।

যেৱে দান দিবা মোক শুনা মহীপাল।।৯৩।।

সসাগৰা পৃথ্বী তোৰ যত অধিকাৰ।

গজ বাজী প্ৰজা যত ৰত্নৰ ভণ্ডাৰ।।

গ্ৰাম দেশ পৰ্ব্বত যতেক বনস্থলি।

সমস্তে দিয়োক মোক প্ৰতিজ্ঞা সাফলি।।৯৪।।

বিস্তৰ বাক্যত ৰাজা মোৰ নাহি কাজ

পুত্ৰ ভাৰ্য্যা সমন্বিতে তুমি মাএ বাজ।।

নোথোজোহো পুণ্যক থাকোক তোৰ ভাগে।

আন যত সৰ্ব্বস্ব সকলো মোক লাগে।।৯৫।।

ধৰ্ম্ম পক্ষীগণে বোলে শুনিয়ো জৈমিনি।

কৰিলন্ত হাস্য হৰিশ্চন্দ্ৰে হেন শুনি।।

সাৰ্থক আৰ্জ্জিলো ৰাজ্য ভাৰ ধন ধান।

তুমি হেন ঋষিক স্বহস্তে দিবো দান।।৯৬।।

অসাৰ সংসাৰ জ্ঞানী লোকে হেন কহে।

যিবা দেই যিবা খায় সেহি মাত্ৰ ৰহে।।

অথিৰ শৰীৰ ক্ষণিতেকে হোৱে চন।

ইসে সাৰতৰ দান পুণ্য চিৰন্তৰ।।৯৭।।

কহি গৈল দীলিপ সগৰ ভগীৰথ।

কহি গৈল বলী বেণ পৃথু মহাৰথ।।

মই হেন নৃপতি কতেক ভৈল ঠাই।

অসাৰ পৃথিৱী কাৰো লগত নযায়।।৯৮।।

আপুনি কৰিবো আজি আক পৰিত্যাগ।

মহাদান পুণ্যে মৰিলেয়ো নেৰিে লাগ।।

এহি বুলি হাতে লৈয়া তিল কুশ জল।

দিলো ঋষি সসাগৰা পৃথিৱীমণ্ডল।।৯৯।।

একেবাৰে বোলো মোৰ যত অধিকাৰ।

আজি ধৰি ভৈল সৱে সৰ্ব্বস্ব তোহ্মাৰ।।

সৰস বদনে ৰাজা বুলি এহি বাণী।

ঋষিৰ হাতত উৎসৰ্গিয়া দিলা পানী।।১০০।।

বিশ্বামিত্র বোলন্ত সমস্ত পাইলো দান।

পৃথিৱী আহ্মাৰ ভৈল গোখোজ প্ৰমাণ।।

যেৱে তই অকপটে দিলি মহাৰায়।

গুচি মোৰ ৰাজ্যৰ অন্যত্ৰ লৈয়ো ঠাই।।১০১।।

তোক লাগ পাইলে মোত নাখাতিবে প্ৰজা।

কৈত শুনিয়াছ এক পাটে দুই ৰাজা।।
আপুনাৰ পুত্ৰ পত্নী লৈয়া মহাৰাজ।
কেৱল শৰীৰে এতিক্ষণে হোৱা বাজ।।১০২।।
নৃপতি বোলন্ত ঋষি যায়োক নগৰ।
তুমি আজি ভৈলা অভিনৱ নৰেশ্বৰ।।
শিৰত ধৰিবো আজি তোক্ষাৰ আদেশ।
পুত্ৰ ভাৰ্য্যা সহিতে ত্যাজিবো আজি দেশ।।১০৩।।
এহি হৌক বুলি ঋষি চালিলন্ত গাৱ।
পাচত নৃপতি চলি যান্ত ভূমি পাৱ।।
গুচিল প্ৰতাপ ৰাজ্য শ্ৰীভৈল হীন।
বাঘৰ আগত যেন শঙ্কিত হৰিণ।।১০৪।।
কতোক্ষণে আসি অৰণ্যৰ ভৈল বাজ।
নৃপতিক দেখি লাগ লৈলা সামৰাজ।।
চতুৰ্ভিতি বেঢ়ি আসি ধৰিলা যোগান।
সৱাকো মাতিয়া ৰাজা দিলা সমিধান।।১০৫।।
আজি ধৰি আক্ষাৰ নুহিকা অধিকাৰ।
ত্যাজিয়া ঋষিক দিলো যত ৰাজ্য ভাৰ।।
ঋষিত কৰিয়ো সেৱা মোত এৰি আশ।

ৰাজ্যক চাড়িয়া আজি কৰিব়ো প্ৰবাস।।১০৬।।

কৰ্ম্ম যেন ভৈলা মোক নপাৰিবা গালি।

সৰ্ব্বক্ষণে থাকিবা ঋষিৰ আজ্ঞা পালি।।

ৰোহিতাশ্ব পুত্ৰ মই শৈব্যা পটেশ্বৰী।

এহি তিনি জনে আজি ভৈলো দেশান্তৰী।।১০৭।।

শুনিয়োক পুণ্যকথা যত সভাসদ।

একেতিলে দেখা কেনে ভৈল ৰাজপদ।।

পৰম চঞ্চল ধন জন সব়ে জানি।

আৰ আশাত্যজি ডাকি বোলা ৰাম বাণী।।১০৮।।

।।দুলড়ী।।

এতেক বচন শুনায়া সেনাক

নিশব়দ ভৈলা ৰাজা।

হেন আথান্তৰ কথা শুনি সব়ে

তবধ ভৈ গৈল প্ৰজা।।

আকাশী চৰগ মাথাত পৰিল

মুখতো মাত হৰিল।

মহা শোকশেল হিয়াত পৰিল

থিয়য়ে যেন মৰিল।।১০৯।।

হৰি হৰি বিধি কিসত কি ভৈল

হাসিতে হৰাইল ৰাজ।

নৃপতিক চাই কৰৈ হাহাকাৰ

কিনো নিদাৰুণ কাজ।।

অনেক পুৰুষে তোহ্মাৰ সেৱক

তুমিসি আহ্মাৰ দেৱ।

কোন সতে আজি তোহ্মাক তেজিয়া

ঋষিত কৰিবো সেৱ।।১১০।।

পুত্ৰতো অধিক দশ গুণ কৰি

পালিলা তুলি আহ্মাক।

একোকালে নতো শুনো প্ৰাণ প্ৰভু

তোহ্মাৰ কটুৰ বাক।।

কিবা ৰাজা তুলি কিবা মাৱ বাপ

হেন নতো জানৈ লোকে।

তুমি অৱিহনে কি কৰৈ জীৱনে

কান্দে প্ৰজাসৱে শোকে।।১১১।।

কৈৰপৰা আসি পৰিলেক ইটো

বিশ্বামিত্ৰ ধূমকেতু।
ইহেন ৰাজ্যত সুখদে বঞ্চিবে
নপাইলো ইহাৰ হেতু।।
বনবাসী ঋষি ৰাজা ভৈল আসি
এড়ি যত ধৰ্ম্ম–কৰ্ম্ম।
কেনমতে ইটো পালিবেক ৰাজ
প্ৰজাৰ নজানৈ মৰ্ম্ম।।১১২।।
তিলৰ কুশৰ ব্ৰাহ্মণ ইহাৰ
ৰাজ্যত কমন ফল।
খাইবে বিধ্বংশিবে একোকে নজানে
বানৰৰ নাৰিকল।।
স্বভাৱে কৃপণ নেদয় নখায়
দ্বিজগণে ধন সঞ্চা।
ভোজনীতে সৱে ৰাজ্য ভাঙ্গিবেক
আচোক পালি প্ৰপঞ্চা।।১১৩।।
ৰাজ্য চৰ্চ্চা যত পড়ি থাকিবেক
শ্ৰাদ্ধৰ হুইবে দেৱান।
ইহাৰ নিমিত্তে দিবাক নপাইব

আন ব্ৰাহ্মণক দান।।

অল্পত সন্তুষ্ট নুহিবেক ইটো

ভস্ম কৰিবেক শাপে।

হেন আকৰষি ঋষিৰ ৰাজ্যত

বঞ্চিবে কাহাৰ বাপে।।১১৪।।

হৰি হৰি হৰি শ্চন্দ্ৰ মহাৰাজ

কৰিলা কোন বিপত্তি।

আহ্মাৰ কপালে যিহৌক সিহৌক

তোহ্মাৰ কি ভৈল গতি।।

তোহ্মাকেসে লাগি দহে কলেৱৰ

কিমতে বৰ্ত্তিবা তুমি।

এহি বুলি সেনা হেঠ মাঠ কৰি

কান্দি যায় হুমাহুমি।।১১৫।।

নুশুনিয়া বোল নাহি মাত বোল

কাংস পৰি গৈল জীণ।

হাটফোট মাত্ৰ কৰৈ যত পাত্ৰ

সৱাৰো মুখ মলিন।।

মহাশোকে দুখে চলৈ সেনাগণ

আগক নযায় ভৰি।

এহিমতে ঋষি সহিতে নৃপতি

পাইলন্ত নিজ নগৰি।।১১৬।।

ৰাজা আসিবাৰ শুনি নৰনাৰী

অযোধ্যাৰ ভৈল বাজ।

সেনাৰ বিষাদ দেখি বোলে সৱে

কি ভৈল আসজ কাজ।।

আগ বাঢ়ি সৱে সোধা সুধি কৰে

আকুল সমস্ত প্ৰাণী।

শোকতে কথাক কহিবে নপাৰি

শোকে গদগদ বাণী।।১১৭।।

কি কহিবো আৰ সমূলি বুড়িল

কাহাক চাহিব থাকি।

বিশ্বামিত্ৰ ঋষি সৱে ৰাজ্য লৈলে

ৰাজাক দেশৰ ডাকি।।

পুত্ৰ ভাৰ্য্যা লৈয়া গুচিব নৃপতি

ৰাজ্যৰ নিকাল হুই।

হেন শুনি সৱে নগৰী লোকৰ

গাৱত লাগিল জুই।।১১৮।।

মহা শোক শেলে হৃদয় ভেদিল

দিনতে ভৈলা আন্ধাৰ।

হাট বাট চানি নিৰন্তৰ প্ৰাণী

কৰে সৱে হাহাকাৰ।।

ক্ৰন্দনৰ আতি ঊৰ্ম্মি উঠলিল

অযোধ্যা নগৰ জুৰি।

হৃদয়ত মুঠি হানৈ কতো উঠি

মাটিতে ফুৰে বাগৰি।।১১৯।।

প্ৰজাৰ ক্ৰন্দন শুনি হৰিশ্চন্দ্ৰ

নেদন্ত কাকো সিদ্ধান্ত।

চিত্ত দৃঢ় ধৰি গঞ্জ ভৰিধৰি

ওৱাৰি আসি পাইলন্ত।।

অন্তেষপুৰত ভৈলন্ত প্ৰবেশ

একেশ্বৰে নৰ দেৱ।

শৈব্যা পটেশ্বৰী স্বামীক দেখিয়া

সপটে কৰিলা সেৱ।।১২০।।

নৃপতি বোলন্ত শুনা মহাদৈ

যেন হুয়া আছে কাজ।
বিশ্বামিত্ৰ ঋষি মোত খুজিলন্ত
দান দিলো সামৰাজ।।
তুমি আমি পুত্ৰ ৰোহিতাশ্ব বাজ
লৈলা যত ধন ধান।
দেশত থাকিবে আহ্মাক নেদন্ত
যাইবে লাগে আন স্হান।।১২১।।
কাপ যম সম বিশ্বামিত্ৰ ঋষি
দ্বাৰত আছন্ত ৰই।
হৈব আথান্তৰ বঝায়ো সত্বৰ
কুমাৰক কোলে লই।।
যেবে মোত চিত এড়া সবেবিত
বস্ত্ৰলোৱা একেখানি।
ঋষিৰ হাতত ভালে ভালে আজি
এড়াই যাওঁ তিনি প্ৰাণী।।১২২।।
নমো হৰি পদ পঙ্কজ যুগল
দণ্ডৱতে শিৰে পৰি।
কৃষ্ণৰ কিঙ্কৰে ভণিল শঙ্কৰে

বিচিএ পদ দুলড়ী।।

শুন সৰ্ব্বজন আহ্মাৰ বচন

চিত্ত সাৱধান কৰি।

পাপ হৌক ক্ষয় পুণ্যৰ উদয়

ডাকি বোলা হৰি হৰি।।১২৩।।

।।পদ।।

ধৰ্ম্ম পক্ষীগণে বোলে শুনিয়ো জৈমিনি।

নৃপতিৰ হেন বাক্য শৈব্যা আছে শুনি।।

ৰাজাক বোলন্ত প্ৰভু কৰিলাহা ভাল।

ইটো ৰাজ্য সুখ লৈয়া জীৱা কত কাল।।১২৪।।

অথিৰ সংসাৰ আজি কালি যাবো মৰি।

কাৰ ধন জন পৰিবাৰ বসুন্ধৰী।।

বিশেষ পাত্ৰক দিলা আনন্দ আহ্মাৰ।

দেৱতা পিতৃৰ শুজিলাহা সৱে ধাৰ।।১২৫।।

এহি বুলি পুত্ৰক মাতন্ত দেৱী হাসি।

বাপ ৰোহিতাশ্ব মোৰ কোলে চাপ আসি।।

ইসে কষ্ট ভৈল তোক জীৱাও কেন কৰি।

পাঞ্চ বৰিষত বাপ ভৈল দেশান্তৰী।।১২৬।।
এহি বুলি বাজভৈলা পুত্র কোলে কৰি।
দিব্য ৰত্নময় মন্দিৰক পৰিহৰি।।
যত ধন বিত্তক কৰিলা পৰিহাজ।
আগে মহাদৈ পাছে যান্ত মহাৰাজ।।১২৭।।
হেন দেখি অন্তেসপুৰৰ যত নাৰী।
শোকে শেলে দহে চিত ধৰিতে নপাৰি।।
মহাদৈক বেঢ়ি সবে কৰে আৰ্ত্তৰাৱ।
আহ্মাক অনাথ কৰি কৈক যাস মাৱ।।১২৮।।
পৃথিৱীত পৰি কেহুঁ পৰে লোটা লুটি।
কেহুঁ দুই হাতে হৃদয়ত হানৈ মুঠি।।
কোন সতে আহ্মাক ঋষিক দিলা দান।
তুমি অবিহনে কেনে ধৰিবোহো প্ৰাণ।।১২৯।।
সাতো পৃথিৱীৰ ৰাজা তান পটেশ্বৰী।
কোননো বিপাকে মাই ভৈলি দেশান্তৰী।।
বেহাইবাক নপাইলো ভাগিল ভৰাহাট।
হৰি হৰি কিনো বিধি লেখিলা ললাট।।১৩০।।
সুখে শুতি থাকা মাৱ ৰত্নৰ শয্যাত।

কতো নাৰীগণে আসি জাণ্টে ভৰি হাত।।
কতোহো চামৰে ধৰি ঢোলে প্ৰতি নিত।
আজি কেনে নিদ্ৰা যাইবা কেৱলে ভূমিত।।১৩১।।
ভৰি পাঞ্চ সাত যান্তে দুখায় যাৰ পাৱ।
মহা দীৰ্ঘ পথত চলিবা কেনে মাৱ।।
কেনমতে একলে ৰাজাৰ লৈবা আল।
কোনে তুলিবেক মাৱ তোম্হাৰ ছৱাল।।১৩২।।
এহি বুলি মোকমোকি কান্দে নাৰীগণ।
শৈব্যায় বোলন্ত যান্তে প্ৰবোধ বচন।।
ইসৱ জঞ্জাল আৱে নাপাতা আম্হাক।
কোনে বাধিবাক পাৰে বিধি লিখি তাক।।১৩৩।।
ভুঞ্জিলোঁহো ৰাজ্য গোসাঁই দিলা যত কাল।
কাহাৰো নকয়ো দোষ আম্হাৰ কপাল।।
মোক যেৱে দায়া আছে শুনা নাৰীগণ।
উলটিয়া যায়ো সৱে এড়িয়া ক্ৰন্দন।।১৩৪।।
উলটা উলটা বুলি প্ৰবোধন্তে যান্ত।
তথাপি কান্দিতে যায় নেদয় সিদ্ধান্ত।।
এহিমতে সাতো দুৱাৰৰ ভৈল বাজ।

তেৰকৰি চাই দেখিলন্ত ঋষিৰাজ।।১৩৫।।

কৈক যাস পাপী বুলি উঠি গৈল ৰাগ।

দণ্ডধৰি লৱৰন্তে ভেটিলেক আগ।।

কোবাইবে লাগিল আতি দশন কামুৰি।

চৱৰ চৰপত কাকো দেন্ত ঝাপ গুৰি।।১৩৬।।

মাৰণক ভয়ে নাৰীগণে নিৰন্তৰে।

উলটিয়া লৱৰন্তে পশিলেক ঘৰে।।

ভাৰ্য্যায়ে সহিতে ৰাজা ঋষিক প্ৰণামি।

বোলন্ত থাকিবা হেৰা চলি যাওঁ আমি।।১৩৭।।

এহি বুলি নৃপতি চিত্তক দৃঢ়কৰি।

চলি যান্ত সৰযে শৈব্যাক আগ কৰি।।

কিঞ্চিতেক নাহিকয় কপট বিমন।

দুই হন্তকো দেখি আতি প্ৰসন্ন বদন।।১৩৮।।

কতো দূৰ যান্তে ঋষি ভেটিলন্ত আগ।

জানিলো নৃপতি তোক তই যেন লাগ।।

অমূল্য যতেক ধন তোৰ অলঙ্কাৰ।

গাৱতে লৈ যাস মোৰ অৰ্দ্ধেক ভাণ্ডাৰ।।১৩৯।।

অনেক টঙ্কাৰ বস্তু শৰীৰত যায়।

কিবা দিলি নুবুজিলো তোৰ অভিপ্ৰায়।।

নৃপতি বোলন্ত কষ্ট নকৰিবা আত।

মনত নভৈল লৰি আসিলো হঠাত।।১৪০।।

লয়োক বুলিয়া ৰাজা দেন্ত আগবাঢ়ি।

তথাপিতো ক্ৰোধত আপুনি লন্ত কাঢ়ি।।

পৰম আক্ৰোষি ঋষি মনে ক্ষমা নাই।

বাকলি পিন্ধায়া বস্ত্ৰ লৈলা সোলোকাই।।১৪১।।

দেশি শৈব্যা আপুনি কড়ন্ত অলঙ্কাৰ।

মুকুট কুণ্ডল শাঙ্খ সাতেসৰি হাৰ।।

কেয়ুৰ কঙ্কণ ৰঙ্গ নূপুৰ পাৱৰ।

যতেক ভূষণ কাঢ়ি দিলন্ত গাৱৰ।।১৪২।।

পুত্ৰক বোলন্ত শৈব্যা দিয়ো অলঙ্কাৰ।

শুনিয়া ক্ৰন্দন কৰে অবোধ কুমাৰ।।

দেখি ঋষি খঙ্গে খেদি গৈলা আগবাঢ়ি।

ভূমিত পেল্লায়া অলঙ্কাৰ লৈলা কাঢ়ি।।১৪৩।।

আই বাপ বুলি পাৰে কুমৰে আতাস।

বিপৰীত দেখি সৰ্ব্বজন মনে ত্ৰাস।।

নমাতি আছন্ত চাই ৰাজা মহাদই।

আপোন ইচ্ছায়ে ঋষি গৈল কাঢ়ি লই।।১৪৪।।
পটেশ্বৰী মাতন্ত পুত্ৰক কোলে ধৰি।
উঠ উঠ পুতাই ক্ৰন্দন পৰিহৰি।।
দেশান্তৰী ভৈলে কি কৰিবে অলঙ্কাৰ।
তোহোৰেসে দুখ শেল ভৈগৈল আম্মাৰ।।১৪৫।।
এহি বুলি লৰি গৈল কুমৰক লই।
হৰিশ্চন্দ্ৰ পাচত আগত মহাদই।।
যাহান্তে আছন্ত কতোদূৰ মহাৰায়।
ৰহ ৰহ বুলি ঋষি টঙ্কিলা দুনাই।।১৪৬।।
লৰড়ন্তে বাট ভেটি আগে ভৈল ঠিৰ।
দেখি নৃপতিৰ অন্তৰীক্ষ ভৈল জীৱ।।
দক্ষিণা নেদিয়া মোক কৈক লাগি যাস।
যিবা কিছো দিলি গৈল দানতে আপাস।।১৪৭।।
ঋষিক মাতন্ত ৰাজা কৰযোড়ে কৰি।
দিলো যত ধন অকন্টকা বসুন্ধৰী।।
কেৱল শৰীৰে ৰহি আছে মাত্ৰ তিনি।
দক্ষিণাৰ নিদানে আম্মাকে লোৱা কিনি।।১৪৮।।
শুনি ঋষি বোলন্ত তেৱেতো মোৰ ভাল।

পটেশ্বৰী ধৰিবেক ছত্ৰালৰ আল।।
তথ্ৰো বসি থাবি তোক নিলে মোৰ আন্তে।
কিবা দিবি দক্ষিণা নৃপতি বোল ঝাণ্টে।।১৪৯।।
আগে দেওঁ বুলি যিবা পাছে নেদে দান।
দুৰ্ঘোৰ ৰৌৰৱ নৰকত হোৱে থান।।
প্ৰতিশ্ৰুত ব্ৰহ্মস্বে কৰিব সৰ্ব্বনাশ।।
দিয়োক দক্ষিণা ৰাজা হুয়োক উদাস।।১৫০।।
নৃপতি বোলন্ত ঋষি হুয়োক প্ৰসন্ন।
সম্প্ৰতি আহ্মাত কিছু নাই আন ধন।।
কতো দিৱসক লাগি দিয়োক মেলানি।।
যেন তেন প্ৰকাৰে দক্ষিণা দেওঁ আনি।।১৫১।।
বিশ্বামিত্ৰে বোলন্ত স্বৰূপ কহ বাণী।
কত দিনে আহ্মাৰ দক্ষিণা দিবি আনি।।
মোক ভাণ্ডি এড়াই যাইবে কহিত তোৰ বাপে।
একেতিলে ভস্ম কৰিবোহো চণ্ড শাপে।।১৫২।।
নৃপতি বোলন্ত ঋষি হুয়ো উপশান্তি।
বিস্তৰ নোবোলো মাসেকক দিয়ো থান্তি।।
তথাপি দিবাক নপাৰোহে দক্ষিণাক।

তেৱে যেন যুৱাই ঋষি কৰিবা আম্মাক।।১৫৩।।

ঋষিয়ে বোলন্ত চলা শুভক্ষণ বেলা।

মোহোৰ দক্ষিণা ৰাজা নকৰিবি হেলা।।

পুত্ৰ ভাৰ্য্যা সহিতে যাউক অপ্ৰমাদে।

চিৰঞ্জীৱ হৰিশ্চন্দ্ৰ মোৰ আশীৰ্ব্বাদে।।১৫৪।।

তোৰ যত শত্ৰু নিৰন্তৰে হৌক ক্ষয়।

পথতো নুহিব সিংহ ব্যাঘ্ৰ সৰ্প্পৰ ভয়।।

যায়োক কুশলে একে নপাউক বিপাক।

যেন নপাসৰস আম্মাৰ দক্ষিণাক।।১৫৫।।

হেন শুনি হৰিশ্চন্দ্ৰ এহি হৌক বুলি।

প্ৰদক্ষিণে ঋষিৰ পাৱৰ লৈলা ধূলি।।

ধৈৰ্য্যক আলম্বি একোভিতিক নচাই।

কৃষ্ণক সুমৰি চলিযান্ত মহাৰায়।।১৫৬।।

নাহিকে সহায় লগে ভাৰ্য্যা পুত্ৰ মাত্ৰ।

বাকলি বসন অলঙ্কাৰ জল পাত্ৰ।।

আজি থাইবে নাই ভৈলা ভিক্ষুকৰ বেশ।

এহিমতে মহা দুখে লাড়িলা বিদেশ।।১৫৭।।

স্বামীৰ পাছত শৈব্যা শান্তি চলিযান্ত।।

শিশুকাল হন্তে নতু গৃহৰ বজান্ত।।
লৱনু পুত্তলি যেন সুকোমল কায়।
প্রত্যেক ভৰিত ফুটি ৰুধিৰ বজায়।।১৫৮।।
কতোদূৰ যান্তে ভৈলা পিয়াসে বিকল।
শৰীৰ ঢাকিয়া বহি যায় ঘর্ম্মজল।।
তৰ তৰি শুখাই আতি বদন মণ্ডল।
শিশিৰ লাগিয়া যেন সঙ্কোচ কমল।।১৫৯।।
আগক নচলৈ আউৰ সুকোমল পাৱ।
পথ শ্রমে পীড়িলেক মুখ নাসে ৰাৱ।।
ৰাজাক বোলন্ত প্রভু কহিয়ো প্রমাণ।
আউৰ কত বেলি পাইবো ৰহিবাৰ স্থান।।১৬০।।
হেন সুনি হৰিশ্চন্দ্র ভৈলা অধোমুখ।
হায় বিধি দুখৰ উপৰি দিলা দুখ।।
পদুলিৰ বাজ নতু হন্তে পুচে কথা।
নজানো হুইবেক আউৰ কমন অৱস্থা।।১৬১।।
লোতকে চলল অন্তৰ্গতে দহে চিত্ত।
পটেশ্বৰী আকলিল স্বামীৰ ইঙ্গিত।।
চলিয়ো নৃপতি যাইবাক পাৰো আমি।

ৰঙ্গেসে পুছিলো চলিবাক পাৰো স্বামী।।১৬২।।

নৃপতি বোলন্ত ধীৰে আইস প্ৰাণেশ্বৰী।

নগৈলে আসিব খেদি ঋষি ক্ৰোধ কৰি।।

যেন তেনে নগৰৰ বাজ হওঁ গই।

বঞ্চিবো ৰজনী আজি এক থানে ৰই।।১৬৩।।

।।ছৱি।।

এহিবুলি হৰিশ্চন্দ্ৰ ভাৰ্য্যা পুত্ৰ সমন্বিতে

অযোধ্যা পুৰৰ ভৈলা বাজ।

হেন দেখি নৰনাৰী ছৱাল পৰ্য্যন্তে আসি

ৰজাক বেঢ়িল সামৰাজ।।

হা প্ৰভু কৈক যাহা অযোধ্যাৰ নিজ নাহা

ভকত জনক তুমি এড়ি।

আৱে প্ৰাণ দান দিয়া আহ্মাকো লগত নিয়া

এহি বুলি পাৰৈ সবে গেড়ি।।১৬৪।।

তুমি জীৱ তুমি প্ৰাণ তুমি বিনা নাহি আন

তুমিসে পৰম ইষ্টদেৱ।

সপোন সচিতে আমি তোষ্মাকেসে দেখো স্বামী

একচিত্ত মনে কৰো সেৱ।।

হেনয় তোষ্মাক এৰি কোন মতে চিত্ত ধৰি

প্ৰভো দেৱ কৈক লাগি যাহা।

তুমি এৰিলাতে আমি মৰিলোহো হেন জানি

নেত্ৰ বলাই পৰিচ্ছেদা চাহা।।১৬৫।।

ৰহিয়োক মহাৰায় খানিতেক থাকো চাই

জুৰাওঁ আষ্মাৰ জীউ প্ৰাণ।

দেখন্তে পৰম সুখ তোষ্মাৰ কমল মুখ

নেত্ৰ ভৰি সৱে কৰো পান।।

কৈসানি দেখিবো আৰ ইটো চন্দ্ৰ বদনক

এহিমানে পৰিচ্ছেদ ভৈলা।

হৰি হৰি দৈব বিধি সপোনৰ যেন নিধি

তিলকতে সৱে নাশ গৈলা।।১৬৬।।

কৈক গৈলা ছত্ৰ-দণ্ড কৈক গৈলা বাদ্যভণ্ড

কৈক গৈলা প্ৰচণ্ড প্ৰতাপ।

অপাৰ সাগৰ যেন সুখাই নিশৱদ ভৈলা

হৰি হৰি হৰিশ্চন্দ্ৰ বাপ।।

পৃথিৱীৰ ৰাজা জাক বুলনিৰ বেলা যাক

আগে পাছে বেঢ়ি চলি যায়।

আতি শিশু কাল হন্তে মহাশান্তী পটেশ্বৰী

তান ভৈলা কেৱলে সহায়।।১৬৭।।

প্ৰয়াণ কালত আসি অসংখ্য পদাতি জাকে

চতুৰ্ভিতি বেঢ়ি চলি যায়।

সুৱৰ্ণৰ ৰথচয় সুৱৰ্ণ পাখৰি হয়

চলে যত সীমা সংখ্যা নাই।।

অনেক সৱেক সৱে আগত যোগান ধৰে

প্ৰমত্ত হস্তীৰ কান্ধে উঠি।

সিটো পৃথিৱীৰ পতি হেৰ যান্ত ভূমি গতি

দেখি কেনে প্ৰাণ নযায় ফুটি।।১৬৮।।

দিব্য বস্ত্ৰ অলঙ্কাৰ সুৱৰ্ণ ভৃঙ্গাৰ যাৰ

লক্ষে লক্ষে লগে যাই চলি।

সটো নৃপতিৰ ভৈল কৰঙ্গাৰ কমণ্ডলু

পৰিধান গাছৰ বাকলি।।

অমূল্য ৰতন সাৰ অক্ষয় ভাণ্ডাৰ যাৰ

দুখী ভিক্ষী খাই বলে যোগে।
সিটো মহামানী ৰায় ভৈলা ভিক্ষাহাৰী প্ৰায়
আজি খাইবা হেন নাহি লাগে।।১৬৯।।
চন্দ্ৰ যেন জ্বলৈ মুখ প দ্ম যেন নেত্ৰ যুগ
উন্নত নাসিকা ভ্ৰুৱ ধনু।
দশন মুকুতা পান্তি হাস্য চন্দ্ৰমাৰ কান্তি
সৰ্ব্বগুণে সুকুমাৰ তনু।।
আজি লাগি মাটি ধূলি নজানিব ৰাজা বুলি
দেহা হুইবে মলিন কুবেশ।
নিতে বিক্ষা কৰি আনি আৱে জীৱা তিনি
প্ৰাণী
কেনে বিধি দিলে হেন ক্লেশ।।১৭০।।
হা মাৱ মহাদই চন্দ্ৰে সূৰ্য্যে নেদেখই
তোৰ মুখ কমল ৰুচিৰ।
সুৱৰ্ণ প্ৰতিমা সম জলৈ দেহা নিৰূপম
গজ গতি গমন গম্ভীৰ।।
ৰত্নৰ অলকা পান্তি যাৰ আঙ্গুলিৰ কান্তি
মুখচন্দ্ৰ বিজুৰ প্ৰকাশ।

নেট কাণ্ডোৱানে ঢাকি যাক সৰ্ব্বক্ষণে থাকি
হেন মাৱ ভৈলন্ত উদাস।।১৭১।।
এখনে শুখাইল মুখ কিমতে সহিবে দুখ
দুৰ্ঘোৰ দুঃসহ পথশ্ৰম।
শৰীৰ আসিল ঘামি দেখা কেনে জীঞঁ আমি
নভৈল আস্মাক কেনে যন।।
মহা পতিব্ৰতা শান্তি ভূমি পাৱে চলি যান্তি
তাহাক দেখিয়া সৰ্ব্বলোকে।
সমস্তে মৰ্য্যাদা গৈল হেনসে বিপত্তি ভৈল
শৰীৰ দগধ কৰে শোকে।।১৭২।।
হৰি হৰি ৰোহিতাশ্ব পাঞ্চ বৰিষতে বাপ
বঞ্চিলেক অযোধ্যাৰ ভোগে।
কিবা পাপ আছ কৰি হেন দুখী দেশান্তৰী
ভৈলি তই কোন দৈৱযোগে।।
দুগ্ধ পিয়া লাডু আনি পথে দিব কোন প্ৰাণী
ক্ষুধাত নপাইবে অন্ন পান।

হৰিশ্চন্দ্ৰ শৈব্যা শান্তি তোৰ দুখ দেখি আতি
জানিলোহো সঙ্কলিবে প্ৰাণ।।১৭৩।।
ৰহ ৰহ মহাৰায় তুমি বিনা প্ৰাণ যায়
হেন জানা সবে আমি মৰা।
বচনে আশ্বাস বুলি খণ্ডায়োক গুল গুলি
হৃদয়ৰ শেলক উদ্ধাৰা।।
এহি বুলি বাট ভেন্টি পাৰৈ সৱে লোটালুটি
নৃপতিক যাইবাক নেদই।
প্ৰজাৰ সন্তাপ দেখি লোতকে চলল আখি
ৰহিলন্ত ৰাজা মহাদই।।১৭৪।।
লোকৰ কাৰুণ্য বাণী শুনি মৰ্ম্ম জানিলেক
অন্তৰ্গতে দহে শৰীৰক।
ধৰিবে নোৱৰি চিত ভৈল ৰাজা বিমোহিত
দেখিলন্ত শোকৰ যমক।।
প্ৰবোধিলা পটেশ্বৰী নিজ ধৰ্ম্ম মনে ধৰি
কতো বেলি ভৈলা সন্ধুক্ষণ।
শোকে গদ গদ মাত সৱাহাঙ্কে বুলিলন্ত

শুনা সৱে নৰ-নাৰীগণ।।১৭৫।।

তুমি সৱে হেন কৰা আহ্মাৰ বচন ধৰা

দাৰুণ সন্তাপ পৰিহৰা।

সুস্থ হুয়া নৰ-নাৰী যায়ো সৱে ঘৰা ঘৰি

ঋষিক নৃপতি বুলি ধৰা।।

যেৱে দায়া আছে মোক ওলটা সমস্তে লোক

কেনেবা ধৰন্ত ঋষি পাক।

নধৰিবা গুণ দোষ এৰা সৱে অসন্তোষ

মৰা বুলি সন্তাপ আহ্মাক।।১৭৬।।

মহা জল বেগে যেন এক থান হোৱে ফেণ

থানিতেক থাকি মিল যাই।

বান্ধৱৰ সমাগম জানিবাহা সেহি সম

অসাৰ সংসাৰ সমুদায়।।

বিচাৰত সৱে মিছা তাক কোনে কৰে ইচ্ছা

যাত কিছু জ্ঞান সম্পজিল।

হেন জানি এৰা মৰ্ম্ম পালিয়োক নিজধৰ্ম্ম

এহি বুলি ৰাজা প্ৰবোধিল।।১৭৭।।

নমো নমো হৰি পদ পঙ্কজ যুগল শিৰে

দণ্ডৱতে পড়ি শতবাৰ।

হৰিৰ চৰণ সেৱি কৃষ্ণৰ কিঙ্কৰ কবি

ছবি বন্ধে ৰচলি পয়াৰ।।

শুনা সৱে বোলো হিত কৃষ্ণত অৰ্পিয়ো চিত

এৰা আন কথা সৱে মিছা।

আসনত বসি থাকি হৰি হৰি বোলা ডাকি

যেৱে আছে বৈকুন্ঠক ইচ্ছা।।১৭৮।।

।।পদ।।

পক্ষীগণে বোলন্ত শুনিয়ো ঋষি কথা।

পাছে যেন ভৈলা হৰিশ্চন্দ্ৰৰ অৱস্থা।।

বুজান্ত প্ৰজাক এহিমতে ধৰ্ম্মশালী।

বিদূৰৰপৰা ঋষি আছন্ত নিহালি।।১৭৯।।

উণাৱন্ত মাত জুমি জুমি কাঢ়ে ভৰি।

দেখিবাক ডৰে যান্ত চাপৰি চাপৰি।।

প্ৰজাৰ সহিতে কথা কহিবাৰ দেখি।

জ্বলি গৈলা ঋষি পাছে থানিকো নাপেক্ষি।।১৮০।।

গুঞ্জ হেন ফুৰৈ আৰকত চক্ষু দুই।

কাম্পে দুই ওষ্ঠ মুখে নিকলয় জুই।।

কঙ্কালত কপিন বান্ধন্ত টানি টানি।

ডাক দি বোলন্ত এভো আছ নিয়া জানি।।১৮১।।

কৰ কৰ কৰি ঋষি চোৱাৱন্ত দান্ত।

দণ্ড তুলি যলে যেন ক্ৰোধে খেদি যান্ত।।

নৃপতি বোলন্ত বৰ ভৈল আথান্তৰ।

জান্টে ইঠাৱৰ প্ৰজা হুয়োক অন্তৰ।।১৮২।।

এতেকতে বিশ্বামিত্ৰে খেদি পাইল আসি।

কোবাইবে লাগিলা খঙ্গে দণ্ডক উল্লাসি।।

মোক দ্ৰোহ কৰি চলে পাতি আছ কুণ্ডা।

এহি বুলি কাহাৰো মুখত মাৰে খুন্দা।।১৮৩।।

হুলস্থূল লগাইল প্ৰজাৰ পশি মাজ।

উফৰন্ত ক্ৰোধত ফুৰন্ত ঋষিৰাজ।।

চৱৰ চৰপত মাৰি কৰৈ তাল ফাল।

পলাইবে লাগিল প্ৰজা যেন গৰুপাল।।১৮৪।।

পথ এৰি পলাই কতো কেহো টানে বলে।।

কতো লৰড়ন্তে জুন্তি খাই পৰে খালে।
এহিমতে পলাই প্ৰজা ঋষিক বিভঙ্গে।
মাতিবে লাগিলা ঋষি নৃপতিক খঙ্গে।।১৮৫।।
হাউৰে পাপিষ্ঠ দুষ্ট নষ্ট কুলাঙ্গাৰ।
আগে দান দিয়া মোক যত ৰাজ্যভাৰ।।
এবে কেনে তাক লাগি কৰ অনুশৌচ।
প্ৰজাৰ সহিতে তোৰ কিসৰ আলচ।।১৮৬।।
জানিলো লৈবাক চাস মোৰ ৰাজ্য কাঢ়ি।
ধিক্ ধিক্ ধৰ্ম্মহীন হৰিশ্চন্দ্ৰ হাৰী।।
বচন যতেক তোৰ যেন জল ৰেখা।
মোহোৰ আগত পাপী ৰাজা হেন দেখা।।১৮৭।।
মোত ঘাঞ্চ লগাই জীৱে তোৰ হেন সাস।
পুনু ৰাজ্য লৈবে লাগি প্ৰজাৰ চাপ পাশ।।
আজি কোবাই ভাঙ্গিবো তোহোৰ মুণ্ড খুলি।
এহি বুলি খেদি ঋষি যান্ত দণ্ড তুলি।।১৮৮।।
হেন দেখি পৃপতি কাম্পন্ত তৰতৰি।
যাওঁ যাওঁ বুলি চলি যান্ত শীঘ্ৰ কৰি।।
মহাদৈক হাতত ধৰিয়া লৈয়া যান্ত।

আইস বুলিয়া পাছক লাগি চান্ত।।১৮৯।।
মহাশান্তী শৈব্যা চাৰু দেহা সুকোমল।
ভাগৰে পীড়িলা আতি বহে ঘৰ্ম্মজল।।
আউল ভৈল কেশ মুখ শুখাই তৰতৰি।
যাইবে নোৱাৰন্ত ৰাজা লৈলান্ত আজুৰি।.১৯০।।
দেখি মহা কোপে বিশ্বামিত্ৰ দণ্ড তুলি।।
কোবাইবে লাগিল মহাদইক মন্দ বুলি।।
হাউৰে পাপীষ্ঠ কেনে নকাঢ়স পাৱ।
এভো ৰাজ সুখ বুলি ঘেলাৱস গাৱ।।১৯১।।
এহি বুলি দুনাই কোবাৱন্ত দণ্ড ধৰি।
তথাপিতো মহাশান্তী শৈব্যা পটেশ্বৰী।।
ধৰ্ম্মক চাহন্তে একো নেদন্ত সিদ্ধান্ত।
ত্ৰাহি কৃষ্ণ কৃষ্ণ সুমৰন্তে মাত্ৰ যান্ত।।১৯২।।
কুমৰে আটাস পাৰে মাৱৰ কোলাত।
নৃপতিৰ লাগি উঠি মেলৈ দুই হাত।।
ঋষিৰ মূৰ্ত্তিক দেখি কাম্পে তৰতৰি।
চক্ষু মুদি লুকাইল মাৱৰ গলে ধৰি।।১৯৩।।
নৃপতিয়ো আন একো নোবোলন্ত বাক।

জান্তে আহা বুলি নেন্ত আজুৰি শৈব্যাক।।
আইস প্ৰাণেশ্বৰী বুলি লৈ যান্ত ঘসাই।
ৰোহিতাশ্ব কান্দে নৃপতিৰ মুখ চাই।।১৯৪।।
হেন দেখি প্ৰজা সৱে কৰৈ হাহাকাৰ।
হৰি হৰি মাৱ কিনো বিপত্তি তোহ্মাৰ।।
চন্দ্ৰে সূৰ্য্যে দেখিবাক নপাৱৈ যাহাক।
কৈৰ বনবাসী ঋষি কোবাৱে তোহ্মাক।।১৯৫।।
মহাশান্তী আইৰ আৱে হেনসে বিলাই।
কেনমতে নৃপতি আগতে আছা চাই।।
আৱেসে জানিলো হৰিশ্চন্দ্ৰ তুমি মৰা।
এহি বুলি কান্দে প্ৰজা অন্তৰৰ পৰা।।১৯৬।।
সেহি বেলা পাঞ্চ বিশ্বদেৱ আসিলন্ত।
মহাদৈক দেখিয়া আশেষ কান্দিলন্ত।।
হৰি হৰি মহাশান্তী শৰীৰ নসহে।
তোহ্মাৰেসে দুখত সকলে দেহা দহে।।১৯৭।।
হৰিশ্চন্দ্ৰ ৰাজাৰ তুমিসে পটেশ্বৰী।
কোনসতে পাপীষ্ঠে কোবাৱে দণ্ড ধৰি।।
আকাশতে থাকিয়া কৰন্ত হাহাকাৰ।

হা হৰিশ্চন্দ্ৰ কিনো অৱস্থা তোম্কাৰ।।১৯৮।।

এক ছত্ৰে ৰাজা তুমি সাতো পৃথিৱীৰ ।

কৃষ্ণত ভকত সন্ত সুহূদ শৰীৰ।।

যাহাৰ যজ্ঞত বহিলেক ঘৃতি।

সমস্ত দেৱতা ভৈল পৰম তৃপিতি।।১৯৯।।

হেন মহা বৈষ্ণৱ নৃপতি ধৰ্ম্মশালী।

ইহাঙ্ক খেদাইলা ঋষি দেশৰ নিকালি।।

দেৱ-দ্বিজ পিতৃৰ খণ্ডাইলে সৱে আশা।

দুৰ্ঘোৰ নৰকে পাপী তোৰ হৈব বাস।।২০০।।

আজিসি আম্কাৰ সৱে আশা ভৈল ছেদ।

পাপী বিশ্বামিত্ৰ ঋষি দিলি হূদি খেদ।।

ৰাজাক ডকায়া সৱে লৈল ৰাজ্যভাৰ।

তথাপিতো মনে ক্ষমা নাই দুৰাচাৰ।।২০১।।

আতি অপ্ৰমাদী পতিব্ৰতা বৰ-নাৰী।

কোননো স্বৰ্গক পাইলি আজি আঙ্ক মাৰি।।

ঋষি হুয়া ভৈলে এতমান মন্দমতি।

ইটো অধৰ্ম্মৰ ফালে যাইবে অধোগতি।।২০২।।

এহি বুলি পাঞো বিশ্বদেৱ পাৰে গালি।

ক্ৰোধিলন্ত বিশ্বামিত্ৰ বজ্ৰৰ বটালী।।
শুন অৰে সঙ্ককাৰী পাঞ্চো বিশ্বদেৱ।
তোৰাক মধ্যস্থ কৰি আনি আছে কেৱ।।২০৩।।
কিসক ভৰ্তসস মোক নুবুজি মহত্ব।
কোনে জানু পাৰে আসি পৰৰ শ্ৰাদ্ধত।।
যেন বাটোৱাল হুয়া শশাৰ দেই শ্বাস।
কালে গ্ৰাসিলেক হুইবে আহ্মাৰ জোঙ্কাস।।২০৪।।
দেৱ বোলাই কৱ কথা কেৱলে অহ-মহ।
থানিতে আজি ভাঙ্গো সবে গহ।।
থাইবে পাই ৰাজাৰ মাতস পথা পুৰ।
থাক আজি সৱাৰো ভাৱনা কৰো চুৰ।।২০৫।।
স্বৰূপত ব্ৰহ্ম ঋষি মই হওঁ যেৱে।
নৰ হুয়া পৃথিৱীক যাইয়া তোৰা সৱে।।
আহ্মাক পাৰিলি গালি গ্ৰাসিলেক পাপে।
গৰ্ভবাস নৰক ভু মোৰ শাপে।।২০৬।।
হেন শুনি পাঞ্চো বিশ্বদেৱ মাতিলন্ত।
আমিও কৰিবে পাৰোঁ শপি তোৰ অন্ত।।
তথাপিতো নশাপো ক্ষমা ধৰ্ম্ম ধৰি।

দিয়ো শাপ অন্ত ঋষি ক্ৰোধ পৰিহৰি।।২০৭।।

ৰাজাৰ অন্তৰে পাৰিলোহো আসি গালি।

ঋষি ভৈলে হৈবে লাগে ক্ষমা ধৰ্ম্মশালী।।

হেন শুনি বিশ্বামিত্ৰ ভৈলা উপশান্ত।

পাঞ্চ বিশ্বদেৱক সম্বোধি মাতিলন্ত।।২০৮।।

একোকালে ব্যৰথ নাহি আহ্মাৰ বচন।

থথাপিতো সীমা দেঞঁ শুনা দেৱগন।।

পাণ্ডৱৰ ভাৰ্য্যা হুইবে দ্ৰৌপদী প্ৰখ্যাত।

তাহান গৰ্ব্ভত অংশ হুইবা সবে জাত।।২০৯।।

নহৈবে বিবাহ বংশ নথাকিবে ভয়।

অল্পকালে মৰি পাইবা দেৱৰ নিলয়।।

দুনাই অমৰ হৈবা খণ্ডিবে দুৰ্গতি।

হেন শুনি পাঞ্চ দেৱ গৈলা অম্ৰাৱতী।।২১০।।

পক্ষীগণ বদতি শুনিয়ো মহাশয়।

সেহিসে কাৰণে পাঞ্চো পাঞ্চালী তনয়।।

অল্পকালে মৰি পাঞ্চ ভৈলা পূৰ্ব্বৱত।

নভৈলা বিবাহ কাৰো ঋষিৰ শাপত।।২১১।।

জৈমিনি বোলন্ত পক্ষী কহিয়োক কথা।

পাছে যেন বৈলা হৰিশ্চন্দ্ৰৰ অৱস্থা।।
বিশ্বামিত্ৰ খেদিয়া গৈলন্ত কোন দেশ।
মহা কৌতুহলে শুনো কাহিনী নিশেষ।।২১২।।
পক্ষীগণে বোলে কথা শুনা আতপৰে।
পাঞ্চ বিশ্বদেৱক শাপন্ত ঋষিবৰে।।
সেহি সময়ত ৰাজা ঋষিক এড়াই।
ভাৰ্য্যায়ে সহিতে দূৰ গৈলন্ত পলাই।।২১৩।।
উলটিয়া নিৰীক্ষি চাহন্তে মহাৰথ।
ঋষিক নেদেখি দৃষ্টি যোজনৰ পথ।।
লড়ি গৈলা বিশ্বামিত্ৰ হেন অনুমানি।
বৃক্ষৰ ছায়াত বসিলন্ত তিনি প্ৰাণী।।২১৪।।
পাঞ্চ বৰষিৰ আতি সুখৰ ছৱাল।
ক্ষুধায়ে পীড়িল আতি ভৈল লাল কাল।।
দুইৰো মুখ চায় কান্দে ক্ষুধা লাগে বুলি।
আতেসে নৃপতি আতি মৰন্ত সমূলি।।২১৫।।
কিবা দিবো বুলিয়া কান্দন্ত মহাৰায়।
মহাদইক দেখি ভৈলা বিহ্বল পৰায়।।
ক্ষুধায়ে তৃষ্ণায়ে ৰাজা ভৈলন্ত হতাশ।

ভাগৰে পীড়িলে থৰে কাঢ়য় নিশ্বাস।।২১৬।।

।।ঝুমুৰি।।

মহাখেদ পাইলা শান্তী।

প্ৰয়াসিত ভৈলা আতি।।

ওষ্ঠ কন্ঠ শুখাই মুখ।

সহিতে নোৱাৰে দুখ।।২১৭।।

পড়িলন্ত পৃথিৱীত।

ভৈল আতি বিমোহিত।।

নাহি একো শ্ৰুতিজ্ঞান।

উড়িগৈলা ধাতু প্ৰাণ।।২১৮।।

যেন পাত ভৈল আয়ু।

নাসাত নাসয় বায়ু।

মৃতকৰ যেন থান।

দেখি ৰাজা বিদ্যমান।।২১৯।।

হাহা মৰে প্ৰাণেশ্বৰী।

আথে বেথে গলে ধৰি।

শিৰত সিঞ্চন্ত জল।

দহে দেহা শোকানল।।২২০।।

চিয়ান্ত সাৰটি ধৰি।

উঠ উঠ প্ৰাণেশ্বৰী।।

কৰা কেনে অযুগুত।

কান্দে ৰোহিতাশ্ব পুত্ৰ।।২২১।।

কৰায়োক তন পান।

কেনে নেদা সমিধান।।

ফুটি যায় মোৰ প্ৰাণ।

আপুনহি সৰ্ব্বজান।।২২২।।

সৰ্ব্বকালে বুজা মোক।

নামাতা পেটৰ পোক।।

কিনো ভৈলা নিদৰুণ।

কতেক বৰ্ণাইবো গুণ।।২২৩।।

ৰত্নৰ শয্যাত শোস।

তাতো নাহি পৰিতোষ।।

আজি পৃথিৱীত ঢলি।

পড়ি সুখে নিদ্ৰা গৈলি।।২২৪।।

অসংখ্যাত নাৰী যাক।

সৰ্ব্বক্ষণে সেৱে তোক।।
চামৰ ধৰিয়া ঢুলে।
সুৱৰ্ণৰ চতুৰ্দ্দোলে।।২২৫।।
অন্তেষপুৰত ফুৰৈ।
নেট কান্দোৱানে ঘুৰৈ।।
সিটো প্ৰাণ পটেশ্বৰী।
হাণ্ঠি যাইবে কেন কৰি।।২২৬।।
এখনে ভাগিল ৰথ।
কেনে যাইবো দূৰ পথ।।
হাহা বিধি কিনো দুখ।
শৈব্যাৰ মুখত মুখ।।২২৭।।
দিয়া কান্দে মহাৰায়।
ধাৰে লোহ বহি যায়।।
ফোকাৰে নিশ্বাস আতি।
হা প্ৰিয়া বুলি মাতি।।২২৮।।
তোৰে শোকে দেহা দহে।
মোৰ কি হৃদয় সহে।।
এহি বুলি কৰা মনু।

হাতে মাৰ্জ্জিলন্ত তনু।।২২৯।।

সিঞ্চিল শিৰত জল।

দেহা ভৈলা অবিকল।।

কতো বেলি প্ৰাণ আইল

শৈব্যা চক্ষু মেলি চাইল।।২৩০।।

নৃপতি কান্দন্ত ধৰি।

হেন দেখি পটেশ্বৰী।।

ৰাজাক ধৰিয়া পাৱে।

বুলিলন্ত বহুভাৱে।।২৩১।।

সপ্ত পৃথিৱীৰ পতি।

তোহ্মাৰ হেনসে গতি।

প্ৰসন্ন কৰিয়ো মুখ।

কিছু নহে শোক দুখ।।২৩২।।

ক্ষণেকতে হোৱে নষ্ট।

আক লাগি কেনে কষ্ট।।

জানা সৱে শাস্ত্ৰ ধৰ্ম্ম।

কেনে তুমি কৰা মৰ্ম্ম।।২৩৩।।

সংসাৰ স্ৰজিলা বিধি।

যেন সোপনৰ নিধি।।
জাগিলে সমস্তে হৰৈ।
কোনে মোৰ বুদ্ধি কৰৈ।।২৩৪।।
ধৈৰ্য্যসে আপদ তৰি।
আন চিন্তা পৰিহৰি।।
কৰিয়োক উপদেশ।
যাইবো আমি কোনদেশ।।২৩৫।।
ঋষিৰ দেশৰ বাজে।
নাই ঠাই একো ৰাজে।।
ইসি চিন্তা আসৰিষ।
কৰিয়োক বিমৰিষ।।২৩৬।।
হেন শুনি নৃপবৰ।
গুণিলন্ত নিৰন্তৰ।।
সাতোদ্বীপা পৃথিৱীত।
থানৰ নভৈল থিত।।২৩৭।।
নেৰাইলো ঋষিৰ হাত।
চিত কৰে উতপাত।।
যাইবো আবে কোন পুৰী।

পাইৰে আসি ঘুৰি ঘুৰি।।২৩৮।।

এহি বুলি নৰনাথ।

জানুত দিলন্ত মাথ।।

নুগুচে ঋষিৰ ভয়।

দেখে ৰাজা তমোময়।।২৩৯।।

প্ৰৱন্ধে গুণন্ত বসি।

মনত পৰিল আসি।।

আছে পুৰী বাৰাণসী।

স্বস্থৈভেলা মহাযশী।।২৪০।।

প্ৰণামিয়া কৃষ্ণপাৱে।

ঝুমুৰী শঙ্কৰে গাৱে।।

শুনা এক চিতকৰি।

সুখে যোৱা যমতৰি ।।২৪১।।

বিষয় বৈভৱ যত।

সৱে জানা অশাশ্বত।

আন চিন্তা পৰি হৰি।

সৱে বোলা হৰি হৰি।।২৪২।।

।।পদ।।

শৈব্যাক সম্বোধি মাতিলন্ত মহাৰাজে।
আহ্মাৰ নেদেখা থান বাৰাণসী বাজে।।
পৃথিৱীত বহিৰভূত সংসাৰতে সাৰ।
তাতেসে নাহিকে মনুষ্যৰ অধিকাৰ।।২৪৩।।
সৰ্ব্বকালে যাত বিশ্বনাথ অধিকাৰ।
তৈকে লাগি যাওঁ উঠিয়োক বৰ নাৰী।।
সৰ্ব্বকালে যাত বিশ্বনাথ অধিকাৰী।
তৈকে লাগি যাওঁ উঠিয়োক বৰ নাৰী।।
মঞিঁ লইয়া যাওঁ আৰে কুমৰক কোলা ।
তোহ্মাৰ বোলানে যাওঁ ধীৰে ধীৰে চলা।।২৪৪।।
পুত্ৰ কোলে ধৰি লৰিলন্ত মহাভাগে।
মহাদৈয়ো যান্ত নৃপতিৰ আগে আগে।।
দণ্ডেকৰ পথত দিনেক যাই বহি।
বঞ্চন্ত ৰজনী মঠ মণ্ডপত ৰহি।।২৪৫।।
কতো গৃহস্থৰ ঘৰে লন্ত গৈয়া বাস।
কতো দিনা নৃপতিৰ পৰৈ উপবাস।।
একোকে নপাই কতো ৰহি থাকা বনে।

শৰীৰ বিবৰ্ণ ভৈল ৰৌদ্র বৰিষণে।।২৪৬।।
নাহি অন্ন বস্ত্র গাৱে বাকলি বসন।
ভিক্ষায়ে ভোজন ভৈলা ভূমিত শয়ন।।
ধুলায়ে ধুসৰ তনু চিনন নযায়।
হেন মহা দুখে কষ্টে যান্ত মহাশয়।।২৪৭।।
কতোদিনে পাইলা গৈয়া পুৰি বাৰাণসী।
আগভেন্টি বিশ্বামিত্র ঋষি আছে বসি।।
দেখি নৃপতিৰ শিহৰিল সৰ্ব্ব গাৱ।
প্রদক্ষিণে ঋষিৰ নমিলা দুই পাৱ।।২৪৮।।
ভাৰ্য্যায়ে সহিতে প্রণামিলা মহাৱলী।
ঋষিক বোলন্ত ৰাজা কৰি কৃতাঞ্জলি।।
পাদ্য অৰ্ঘ্য দিবো হেন নাহি একোধন।
অৰ্ঘ্যৰ আপাসে গুৰু লৈয়ো একজন।।২৪৯।।
ভাৰ্য্যাক পুত্রক লোৱা নুহি মোৰ প্রাণ।
বুলিয়োক জান্টে যদি কাৰ্য্য থাকে আন।।
ঋষিয়ে বোলন্ত আন নাহি প্রয়োজন।
যেন লাগে দিয়ো মোক দক্ষিণাৰ ধন।।২৫০।।
আপোনাৰ মুখে থান্তা কৰি দিলি আশ।

আজিয়েবে নৃপতি সম্পূৰ্ণ ভৈল মাস।।
দিনা চাৰি ভৈলে আসি আছো বাট চাই।
চাহান্তে চাহান্তে তোক আক্ষিয়ো দুখায়।।২৫১।।
যেন বুলি আছা আৰে সুমৰা তাহাক।
জান্ট কৰি দিয়োক যজ্ঞৰ দক্ষিণাক।।
আজি আউৰ ভাণ্ডিতে নপাস মহাৰাজ।
দক্ষিণাৰ পদে আইলো এৰি ৰাজ কাজ।।২৫২।।
ৰাজা বোলে যদি আজি পূৰ্ণ ভৈল মাস।
আউৰ কিছু বুলিবে মোহোৰ নাহি সাস।।
কিন্তু আছে এভো দেখা দুই পৰ সীমা।
ইয়ো বেলি থানি মোক কৰিয়োক ক্ষমা।।২৫৩।।
এহি হৌক বুলি ঋষি মাতিলা ৰাজাক।
পাক দিয়া আসো গৈয়া ডঢ়াওঁ আপোনাক।।
ইবোলিয়ো আসিলে পাতস কাপ জাপ।
সৰ্ব্বনাশ কৰো তেৱে দিয়া ব্ৰহ্মশাপ।।২৫৪।।
হেন বুলি বিশ্বামিত্ৰ পশিলা নগৰ।
নৃপতিক পাইল আসি মহাচিন্তা জ্বৰ।।
যেন ঘোৰ নিৰ্ঘাত পড়িল আসি মাথে।

অধোমুখে বসিয়া গুণন্ত নৰনাথে।।২৫৫।।
কোন কৰ্ম্ম কৰো আৱে যাইবো কৈক লাগি।
কৈত মিত্ৰ আছে কৈত ধন পাইবো মাগি।।
আপুনাৰ মুখে মই বুলি আছো যাক।
কেনমতে দিবো আজি সিটো দক্ষিণাক।।২৫৬।।
কত কদৰ্থনা আউৰ সহিবো ঋষিৰ।
এক মনে বোলো এৰো আপোন শৰীৰ।।
তথাপিতো ব্ৰহ্মস্ব থাকিবে মোত ৰহি।
যত বংশ হুইবে তাকো মাৰিবেক দহি।।২৫৭।।
ব্ৰহ্মস্ব ৰহিলে মোৰ নুহিবে নিস্তাৰ।
কত জন্ম পলু হৈয়া থাকিবো বিষ্ঠাৰ।।
এহি বুলি মনে মনে গুণন্ত নৃপতি।
এৱে কোন উপায়ে নযাইবো অধোগতি।।২৫৮।।
আপুনাক বিকি ব্ৰাহ্মণৰ সুজো ধাৰ।
আত পৰে বুদ্ধি আন নাহিকে আহ্মাৰ।।
মোৰ ভাগ্যে যেন হৈক পৰুষ এৰাউক।
এতেক বোলন্তে আসি প্ৰবেশিল শোক।।২৫৯।।
মাত বোল হৰিল দেখন্ত অন্ধকাৰ।

হেন দখি চিত্ত আউৰ নসসে শৈব্যাৰ।।
লোতকে পূৰিল আসি গদ গদ মাত।
ধীৰে ধীৰে সুন্দৰী স্বামীক বুলিলন্ত।।২৬০।।
কাৰ্য্য সময়ত কেনে ভৈলা হত বুধি।
আপদ ব্যাধিৰ হোৱে ধৈৰ্য্যেসে আসুধি।।
মোৰ বাক্য ধৰা প্ৰভু চিন্তা পৰিহৰা।
অঙ্গীকৃত সত্যক সত্বৰে ৰক্ষা কৰা।।২৬১।।
যিটো পৰুষৰ নষ্ট ভৈলা অঙ্গীকাৰ।
লোকৰো বৰ্জ্জন হোৱে জীৱন ধিক্কাৰ।।
নাহি নাহি আন ধৰ্ম্ম জানা সত্য বিনা।
জানি আন নিচিন্তিবা দিয়োক দক্ষিণা।।২৬২।।
অগ্নিহোত্ৰ কৰে যিটো পঢ়ে চাৰি বেদ।
যত মহাদান আদি কৰি অবিচ্ছেদ।।
সকলো নিস্ফল যাৰ লৰিল বচন।
হেন জানি সত্য প্ৰভু কৰিয়ো ৰক্ষণ।।২৬৩।।
কীৰত্তি নামে এক ৰাজা আছিল পূৰ্ব্বত।
শত অশ্বমেধ আচৰিল বিধিৱত।।
আৰো এক ৰাজসূয় মনে কৰি ইচ্ছা।

স্বৰ্গ হন্তে পৰিল বাৰেক বুলি মিছা।।২৬৪।।
সত্যে নেই উৰ্দ্ধক অসত্যে অধোগতি।
হেন জানি সত্যক ৰাখিবে কৰা মতি।।
ইন্দ্ৰতো অধিক সুখ গৈল কত কাল।
আউৰ কেনে অনুশোচ কৰা মহীপাল।।২৬৫।।
তোমাৰেসে দুখ দেখি অন্তৰ্গত দহে।
কি কৰে জীৱন আউৰ হৃদয় নসহে।।
শুনা বতনেক বোলো চৰণত ধৰি।
বুলিবাক চাহন্তে লোতক পৰে ঝৰি।।২৬৬।।
উভতি ক্ৰন্দন আসে মনত আসুখ।
মাতিবে নুৱাৰি আছিলন্ত অধোমুখে।।
লোতকে ভেন্টল গদ গদ কৰৈ মাত।
আঞ্চলে মছিল মুখ দুনাই বুলিলাত।।২৬৭।।
উপজিল পুত্ৰ ৰাজা এতেক বোলন্ত।
পৃথিৱীত মকমকি পৰিল কান্দন্তে।।
আৰো একো বুলিবাক নপাৰি সুন্দৰী।
কৰন্ত বিলাপ নৃপতিৰ পাৱে ধৰি।।২৬৮।।
হেন দেখি নৃপতিৰ মনত আসুখ।

মহাদৈক তুলি বস্ত্রে মুছিলন্ত মুখ।।
কিসক কান্দস বাক্ষে বুলিয়ো সত্বৰ।
পুত্ৰৰ যে নাম লৈলি আগত কুমাৰ।।২৬৯।।
কিবা গুণি পৃথিৱীত পাৰ লোটা লুটি।
শীঘ্রে প্রাণেশ্বৰি কহ প্রাণ যাই ফুটি।।
শুনি কতো বেলি ভৈলা শৈব্যা সঙ্কুক্ষণ।
অল্প কৰি নৃপতিক বুলিলা বচন।।২৭০।।
উপজিল পুত্ৰ ৰাজা তযু যথোচিত।
মহন্ত জনৰ হোৱে হেনসে উচিত।।
পুত্ৰ প্ৰয়োজনে বিহা কৰয় ভাৰ্য্যাক।
সিটো সিদ্ধি ভৈল আৱে এৰিয়ো আম্মাক।।২৭১।।
আন একো উপায় নেদেখো আত বিনা।
আম্মাক বিক্রয় কৰি দিয়োক দক্ষিণা।।
আপোনাৰ সত্য ৰাখি থিৰ কৰি হিয়া।
নেউচনি লৈয়া যাওঁ তুমি মাত্ৰ জীয়া।।২৭২।।
আম্মাৰ নিমিত্তে তুমি এৰিয়ো বিমন।
মই হেন ভাৰ্য্যা প্ৰভু পাইবা যৈত মন।।
যজ্ঞ হৌক সাম্ফল দক্ষিণা দিয়া শুজি।

মোৰ বাক্য কৰা প্ৰভু পূৰ্ব্বাপৰ বুজি।।২৭৩।।

শুনা সভাসদ মহাজনৰ ধৰ্ম্মক।

প্ৰাণান্তিকো দুখ পাইলে নেৰয় সত্যক।।

সাৰ্ব্বভৌম ৰাজপদ পুত্ৰ ভাৰ্য্যা যত।

চাণ্ডালত আপোনাক বিকিলা সত্যত।।২৭৪।।

হেনজানি মহাজনে নেৰিবা সত্যক।

সত্য শাস্ত্ৰ তত্বজানি ভজিয়ো হৰিক।।

কৃষ্ণৰ ভকতি সত্য ধৰ্ম্ম অনুপাম।

জানি উষ্চকৰি ডাকি বোলা ৰাম ৰাম।।২৭৫।।

।।ছৱি।।

হেন শুনি নৃপতিৰ হিয়া যেন দুই ছিৰ

শোকে আতি হিয়া যায় ফুড়ি।

দেখিলন্ত তমোময় শ্ৰুতি হীন মহাশয়

অন্তৰীক্ষে ধাতু গৈল উড়ি।।

জানুত দিলন্ত মাথ কতো বেলি নৰনাথ

শোকত ভৈলন্ত অচেতন।

কতো হিয়ে ভুকু মাৰি পৃথিৱীত মাথা তাৰি

আতিশোকে কৰন্ত ক্ৰন্দন।।২৭৬।।

হৰি হৰি প্ৰাণেশ্বৰী তোৰ মুখে কেন কৰি

আসিলেক বজ্ৰ সম বাণী।

বুলিলি বিকিবো তোক আতেসে অধিকে শোক

হৃদয়ত শোক-শেল হানি।।

হেন ভৈলো অধোগামী তোক কি বিকিম আমি

আপোনাৰ জীৱন কাতৰে।

ম্লেচ্ছৰো নুহিকে ধৰ্ম্ম কৰিবে হেন কি কৰ্ম্ম

কোননো অধম পাপী নৰ।।২৭৭।।

হৰি হৰি প্ৰাণেশ্বৰী আপদৰ সইতৰি

মোহোৰ কন্ঠৰ হেমহাৰ।

কোন সতে তোক এৰি থাকো মই প্ৰাণ ধৰি

মুখ্যপ্ৰাণ তইসি আত্মাৰ।।

সুন্দৰ সৰস মুখ দেখিলে পাহৰো দুখ

জীয়ো সমুদায় দেখি যাক।

চাণ্ডালতো ভৈলো ধিক প্ৰাণ ফুটি নযাই কিক

বিকিবোহো হেনয় ভাৰ্য্যাক।।২৭৮।।

এহি বুলি মহাশয় দেখিলন্ত তমোময়

দুসৰিস শোকৰ ঝঞ্জালে।

হৰিলা চেতন জ্ঞান উড়িল সমস্তে প্ৰাণ

পৃথিৱীত পৰিল নিঢালে।।

দেখি শৈব্যা মাথা তুলি বুড়িল বুড়িল বুলি

আঙ্কোৱালি ধৰিলা স্বামীক।

শিৰত সিঞ্চন্ত পানী বোলন্ত মধুৰ বাণী

প্ৰাণ এৰিবাক চাহ কিক।।২৭৯।।

চক্ষু মেলি চাহা মোকে তোহ্মাৰ দাৰুণ শোকে

হিয়াৰ নখৈঙে ভকভকি।

তযু অত দুখ দেখি কেনে প্ৰাণ আছো ৰাখি

কান্দন্ত সুন্দৰী মকমকি।।

সুৱৰ্ণৰ সিংহাসন ৰত্নময় বিতোপন

নেট তুলি কোমল বিছাই।

তাত থাকা গাৱ এৰি এৱে পৃথিৱীত পড়ি

কেনে নিদ্ৰা গৈলা মহাৰায়।।২৮০।।

পৃথিৱীৰ ৰাজাগণে থাটিলেক সৰ্ব্বক্ষণে

নম্ৰভাৱে ভৃত্য হেন মান।

ভাণ্ডাৰ সুৱৰ্ণময় দিলা মহা ৰত্নচয়

কোটি কোটি ব্ৰাহ্মণক দান।।

ৰাজা ব্ৰহ্মভোজ ৰোল লঙিঘলে স্বৰ্গৰ কোল

সঙ্গে বহিলেক পঞ্চামৃত।

সিটো আজি নৰেশ্বৰে দক্ষিণা দিবাক ডৰে

মৰা যেন পড়িলা ভুলিত।।২৮১।।

যিটো ৰাজা হৰিশ্চন্দ্ৰ শ্ৰীমন্ত যেহেন ইন্দ্ৰ

বুদ্ধি বলে বিষ্ণুৰ সমান।

সসাগৰা বসুমতী তৃণ যেন কৰি মতি

ঋষিক উচৰ্গি দিলা দান।।

আনে যত হস্তী ঘোড়া তাৰ কোনে পাৱে ওৰা

ব্ৰাহ্মণক দিলা মহাৰায়।

সিটো ভৈল প্ৰায় দক্ষিণা দিবাৰ নাই

ঋষিৰ ডৰত ধাতু যায়।।২৮২।।

হৰি হৰি বিধি তোৰ কত অপৰাধ ঘোৰ

চিন্তিলন্ত এন্তে মহমতি।

আঙ্ক কিবাশত্ৰু বুলি এতেক দুৰ্গতি দিলি

কৰিলাহা হেনসে বিপত্তি।।

সুগন্ধ চন্দন যাৰ গাৱে ঘচি মল কাঢ়ে

ৰত্ন অলঙ্কাৰ বিৰচিত।

সিটো কাল কৈক গৈল        হেনসে বিপত্তি ভৈল

সিটো তনু লোটয় মাটিত।।২৮৩।।

উঠা উঠা প্ৰাণনাথ        মোক চৰা তুলি মাথ

মোৰ গাৱে অগণি জ্বলয়।

দিয়ো মোক সমিদান        জুৰাওক সমস্তে প্ৰাণ

হেৰা মই মাতো মহাদই।।

আৱেসে জানিলো আমি        মৰিলাহা প্ৰাণস্বামী

তোহ্মাক পাইলেক মহাকালে।

এহি বুলি পটেশ্বৰী        ৰাজাৰ গাৱক এড়ি

পৃথিৱীত পৰিলা নিঢালে।।২৮৪।।

ৰাজাই দেখন্ত আতি        বিমূৰ্ছিত ভৈল সতী

মুখৰো হৰিল মাত বোল।

ৰোহিতাশ্ব দেখি ---        ক্ষুধায়ে কান্তিলা আতি

মাৱৰ চাপিলা আসি কোল।।

আই দিয়া অন্নপান        ভোক হেৰা যায় প্ৰাণ

উঠা বুলি গলত বান্ধয়।

হেৰা চাবা শুখাই মুখ        নুৱাৰো সহিবে দুখ

এহি বুলি কুমাৰ কান্দয়।।২৮৫।।

মোক কোলা লোৱা তুলি হেৰা চোৱা পুত্র বুলি

হাতে লকজকাৱে ৰাজাক।

ভোখে গাল নুহি থিৰ দিয়া ঘৃত লাডু ক্ষীৰ

কোলাত বসিয়া খাইবো তাক।।

কতেক ঘুমতি পাৰা মোৰ কেনে ভোখে মাৰা

এহি বুলি নৃপতি নন্দন।

আছাৰয় হাত ভৰি মনত বিকল কৰি

গেড়ি পাড়ি কৰয় ক্রন্দন।।২৮৬।।

সেহি বেলা বিশ্বামিত্ৰ উগুল থুগুল চিত

উঠন্ত বৈসন্ত চান্ত বেলি।

হৃদয়ত এহি ধ্যান আজি মই পাইবো দান

ৰাজা দিবে সূর্য্য অস্ত গেলি।।

থাকিব নোৱাৰি বসি উঠি লড়িলন্ত ঋষি

যথাত আছন্ত ৰাজা পৰি।

হাতে দণ্ড কান্ধে ছাতি দেখিয়া কুমাৰে আতি

আই বাপ বুলি দিলে গেড়ি।।২৮৭।।

ঋষিৰ মূৰ্ত্তিক দেখি লুকায়া মুদিলা আঁখি

নৃপতিৰ বুকুৰ সান্ধিত।

বিশ্বামিত্র দেখে পাছে মূৰ্চ্ছা গৈয়া পৰি পাছে

মহাৰাজা ভাৰ্য্যাৰ সহিত।।

নাহিকে চেতন কুলি দক্ষিণ হৰাইল বুলি

বসিলন্ত থোসমোস কৰি।

সুখ নাহি উঠি যান্ত নিহালি নিহালি চান্ত

যোন ৰাজা আছে ছল ধৰি।।২৮৮।।

কান্ধে ঘট ধৰি আনি মাথাত ঢালন্ত পানী

উঠ উঠ হৰিশ্চন্দ্ৰ ৰায়।

দিয়া ধন দক্ষিণাৰ কান্ধৰ গুচায়ো ভাৰ

ধৰুৱা কৈতো সুখ নাই।।

বোলন্ত অনেক বাণী ঢালন্ত শিৰত পানী

নৃপতিয়ে চক্ষু মেলি চাইল।

ঋষিক আগতে দেখি আৰকা মুদিলা আখি

দুনাই যেন যমপুৰী পাইল।।২৮৯।।

দেখি ক্ৰোধ জ্বলি গৈলা ৰাজাক বুলিবে লৈল

তোৰ সৱে বুদ্ধি কৰো চুৰি।

দক্ষিণা দিবাক ডৰে পা ইল তোক চিন্তা জ্বৰে

মিছাত আছস ভেম জুৰি।।

উঠা উঠা ধৰ্ম্ম জানি আপোনাৰ সত্য বাণী

ৰাখি মোক জাণ্টে দিয়া দান।

সত্যে সূৰ্য্য আছে ৰহি সত্যতেহে আছে মহী

সত্য সম ধৰ্ম্ম নাহি আন।।২৯০।।

শুন অৰে মহাপাপ জানিলো পাতিলি কাপ

বিস্তৰ নোবোলো আৰ বাক।

আজি সূৰ্য্য অস্ত গৈলে জানো ৰসাতলে গৈলে

যেৱে আনি নেদ দক্ষিণাক।।

নেড়াইবে তোহোৰ বাপ বংশক দহিব শাপে

কৰৈ ঋষি আতি চটি ফটি।

কৰা ৰাজা কৰ্ণপাত থানিতেক চাহো বাট

এহি বুলি গৈলন্ত উলটি।।২৯১।।

।।ছবি।।

টেম্বুৱানি বন্ধে গ্ৰাম বৰদোৱা যাৰ নাম

লোহিত্যৰ জলে অনুকূল।।

ভৈলা সেহি গ্ৰামেশ্বৰ যাৰ নাম ৰাজধৰ

দানে মানে যাক নাহি তুল।।

অতিথি চৰ্চ্চাত পৰে আন চিন্ত নাহি ঘৰে

সৰ্ব্বদায়ে আনন্দ উৎসৱ।

তানে পুত্ৰ ভৈলা চাৰি সূৰ্য্যবৰ মুখ্য কৰি

হলায়ুধ জয়ন্তা মাধৱ।।২৯২।।

জ্যেষ্ঠ ভৈলা সূৰ্য্যবৰ মহা বৰা দেশধৰ

নয়স্থ কায়স্থ কুল দীপ।

মহা দাতা হেন শুনি ব্ৰাহ্মণ সজ্জন গুণি

চলি যান্ত যাহাৰ সমীপ।।

তানে ভৈলা গৰ্ভেশ্বৰ মহামানী বংশধৰ

প্ৰসিদ্ধ কুসুম নাম যাৰ।

ভৌমিক চূড়ামণি দাতাৰ আগত গণি

যাৰ যশে ব্যাপিল সংসাৰ।।২৯৩।।

তানে পুত্ৰ অল্পমতি শঙ্কৰে কৰিয়া নতি

কৃষ্ণপাৱে ৰচিল পয়াৰ।

শুনা সৱে বুদ্ধ জনে সাৱশেষে জানা কোনে

পুৰাণ কথাৰ তত্ত্ব সাৰ।।

কথাৰ আশয় চাই কাব্যৰস ঠাই ঠাই

নিৰন্ধিলো কঠোৰক ডৰে।

যদি অনুবাদ হুই তাতেসে ব্যঞ্জন হুই

ভুঞ্জিবাক পাৰে কোন নৰে।।২৯৪।।

কৰযোৰে বোলো বাক শুনিয়ো পণ্ডিতজাক

যিবা দেখা মৰষিবা দোষ।

পুণ্য কথা পুৰাণৰ গঙ্গাজল পটন্তৰ

তাক শুনি হুয়ো পৰিতোষ।।

প্ৰণামিয়া হৰি পাৱে বোলা হেৰা বহু ভাৱে

শুনা সমজ্যাৰ যত লোক।

আন চিন্তা দূৰ কৰি ডাকি বোলা হৰি হৰি

মহা সুখে যায়ো বিষ্ণুলোক।।২৯৫।।

।।পদ।।

জৈমিনীৰ আগে পক্ষীগণ নিগদতি।

ঋষিক যাইবাৰ দেখি উঠিলা নৃপতি।।

শৈব্যায়ো বসিলা কুমৰক কোলে ধৰি।

চিন্তন্ত বসিয়া ৰাজা ঋষিক সুমৰি।।২৯৬।।

আজি ঋষি শাপত সবংশে যাইবো তল।

কৈক যাইবো কি কৰিবো হৃদয় বিকল।।
গুণি একো কৰিবাক নোৱাৰন্ত থিৰ।
দেখি মহাদই দুনাই বোলে ধীৰ ধীৰ।।২৯৭।।
এভো হেন কৰা প্ৰভু মোৰ বাক্য ধৰা।
শপ-অগনিত পৰি বিপাঙ্গে নমৰা।।
মোক বিকিয়োক হিয়া কৰিয়োক থিৰ।
দক্ষিণাক শুজি হাত এৰায়ো ঋষিৰ।।২৯৮।।
হেন শুনি ৰাজা আতি ভৈলন্ত নিতত।
কান্দন্তে লোতক নাসে যেন কাষ্ঠৰত।।
শৈব্যাক বোলন্ত বান্ধে কৰা মোৰ বাক।
পৰম নিৰ্দ্দয় হুয়া বিকিব তোম্মাক।।২৯৯।।
মহাক্ৰূৰ পাপীজনো নাচৰে ইহাক।
তাহাতো অধম হৈয়া বিকিবো তোম্মাক।।
কনমতে কন্ঠৰ বজাইবে ইটো বাণী।
হেন বুলি তৈৰ উঠিলন্ত তিনি প্ৰাণী।।৩০০।।
ভাৰ্য্যায়ে সহিতে গৈলা নগৰৰ মাজে।
বিঢ়ি বেঢ়ি তাসম্বাক সোধে সামৰাজে।।
কোন দেশী তোমাৰ উত্তম তিনি প্ৰাণী।

কুমাৰক দেখি দুধ লাডু দেই আনি।।৩০১।।

নৃপতি বোলন্ত শুন নগৰীয়া লোক।

পৰম ঘাতুক মই নুসুধিবা মোক।।

ৰাক্ষস পিশাচ যাত সব্বাতো অধম।

পৃথিব্বীত মহাপাপী নাহি মোক সম।।৩০২।।

ভাৰ্য্যাক বিকিবে আসি আছো আগবাঢ়ি।

তাহাৰ নিমিত্তে প্ৰাণ যান্তে আছো ছাৰি।।

দাসী ভাৱে লব্বা যেৱে আছে প্ৰয়োজন।

জান্টে বোলা মোত আছয় চেতন।।৩০৩।।

এক বৃদ্ধ ব্ৰাহ্মণ আসিল হেন শুনি।

জকমক দশন মাটিত লুটে ভূণি।।

চৰাচৰ জকমক কৰৈ সৱে কেশ।

পাচোণ্ডা একুচি কৰি চান্ত লাস বেশ।।৩০৪।।

গাৱ ভৰি ধৰি হাত আচৰন্তে আসি।

নৃপতিক ৱোলন্ত বিকস কোন দাসী।।

মই কিনি লইবো দিব যত লাগে ধন।

কিবা পাইলে দিবি কহ স্বৰূপ বচন।।৩০৫।।

যত নগৰৰ আমি শ্ৰাদ্ধক কৰাওঁ।

নানাবিধ বস্তু যত ঘৰে বসি পাওঁ।।
দুখ পাইবে লাগি কিছু নকৰিবি শঙ্কা।
ঘৰতো পৰিয়া আছে লক্ষ কোটি টঙ্কা।।৩০৬।।
একেখানি ভাৰ্য্যা মোৰ আতি সুকুমাৰী
প্ৰাণ সম আত্মাৰ প্ৰথন বিহা নাৰী।।
কৰ্ম্ম কৰিবাক নেদো দুখ পাইবে ডৰে।
পানী আনি আপুনি ৰন্ধন কৰো ঘৰে।।৩০৭।।
তোৰ ভাৰ্য্যা দেখো এই স্বভাৱে সুখিব।
কৰ্ম্মত কুশল হৈবে সুদৃঢ় শৰীৰ।।
এই দাসী পাইলে ভাল পাইবে ব্ৰাহ্মণী।
যেন লাগে লউ ধন মই নিবো কিনি।।৩০৮।।
ব্ৰাহ্মণৰ শুনি বজ্ৰ সমান বচন।
মহাদুখে নৃপতিৰ বিদাৰিল মন।।
মাতিবাক নপাৰিয়া ৰাজা সেই তালে।
গোৰ কটা গাছ যেন পড়িল নিঢালে।।৩০৯।।
উঠ কিবা লইবি বুলি ব্ৰাহ্মণে মাতন্ত।
অচেতন ভৈল ৰাজা নেদন্ত সিদ্ধান্ত।।
কন্ঠৰো নোহ্লাই মাত বিহুল পৰায়।

তবধ নয়নে ৰাজা থাকিলন্ত চাই।।৩১০।।

হেন দেখি দ্বিজৰ কুপিত ভৈল মন।

আপোন গান্ঠিৰ শোলোকাই আনি ধন।।

ৰাজাৰ গাৱৰ বাকলিত বান্ধি থৈল।

উঠ অৰে দাসী বুলি মাতিবাক লৈল।।৩১১।।

শৈব্যায়ে বোলন্ত ৰৈয়ো থানিতেক লাগি।

স্বামীক মাতিয়া যাওঁ ইজন্মক লাগি।।

প্ৰাণনাথ এৰে দেখা দেখি আজি যায়।

পৰিচ্ছেদ কৰি থনিতেক থাকো চাই।।৩১২।।

হেন শুনি খঙ্গাইলে ব্ৰাহ্মণ অহঙ্কাৰী।

কোলাৰ শিশুক ধৰি পেল্লাইলা আছাৰি।।

কবৈ স্বামী পাইলি বুলি মাৰি এক গুৰি।।

বাম হাতে চুলি ধৰি লৈযান্ত আজুৰি।।৩১৩।।

মহাদই বোলে গুৰু এৰা এৰা মোক।

চক্ষু গোট মেলি চাওঁ ৰোহিতাশ্ব পোক।।

মাৱৰ পোৱৰ দেখাদেখি আজি যায়।

চাওঁ মই নেত্ৰ ভৰি স্নেহৰ পুতাই।।৩১৪।।

ভৈলো কুলক্ষণী আজি ব্ৰাহ্মণৰ দাসী।

তই ৰাজকুমাৰ নুছুবি মোক আসি।।
এহি বুলি আৰ্ত্তৰাৱে কৰন্ত ক্রন্দন।
মাৱৰ বচন শুনিৰাজাৰ নন্দন।।৩১৫।।
মাৱ মান বুলি খেদি গৈলা পুত্র থানি।
দেখি বৃদ্ধ ব্রাহ্মণে মাৰিলা লাঠি হানি।।
আই বুলি তথাপি লৈলেক আসি পাশ।
মাৱক সাৱটি ধৰি পাৰন্ত আটাস।।৩১৬।।
হেন দেখি মহাদই কৰন্ত কাতৰ।
নমাৰা নমাৰা গুৰু মৰিবে কুমৰ।।
চৰণত ধৰো গুৰু হুয়োক প্রসন্ন।
কুমাৰকো কিনি লৈয়ো দিয়ো কিছুধন।।৩১৭।।
কৰ্ম্ম কৰিবাক নোৱাৰিবো পুত্রবিনা।
সন্তাপতে মৰিবো মিছাতে মোক কিনা।।
হেন জানি মাৱ পুত্রকে লগে নিয়া।
জীয়োক পুতাই মোক প্রাণ দান দিয়া।।৩১৮।।
হেন শুনি ব্রাহ্মণৰ পালটিল মন।
ৰাজাক বোলন্ত লউ পোৱেৰেৰো ধন।।
যাই লগ লাগি পাস নেৰয় মাৱৰ।

ধৰ্ম্ম ব্যৱহাৰে ধন পাস দুইহন্ত।।৩১৯।।

এহি বুলি দুইৰো বিত্ত কৰি এক ঠাই।

বাকলি বস্ত্ৰত নিয়া বান্ধিলা দঢ়াই।।

মাৱ পোক লইয়া যায় একে ঠাই বান্ধি।

পাছত কোবান্তে দ্বিজে দুয়ো যান্ত কান্দি।।৩২০।।

কাতি হৈয়া পড়িয়া আছন্ত ৰাজা চাই।

আগতে বান্ধিয়া ভাৰ্য্যা পুত্ৰ লৈয়া যায়।।

কৰন্ত ক্ৰন্দন পৃথিৱীত পৰে লুটি।

কিবা চাই আছো প্ৰাণ নযায় কেনে ফুটি।।৩২১।।

হা ভাৰ্য্যা পুত্ৰ বুলি হিয়ে হানে মুঠি।

ঢাত ঢাত মাটিত পৰন্ত উঠি উঠি।।

হৃদয়ৰ মাংস কাটি কোনে লৈয়া যায়।

কৰন্ত ক্ৰন্দন তাসম্বাক চাই চাই।।৩২২।।

হৰি হৰি পুত্ৰ সূৰ্য্যবংশে ভৈলা জাত।

সুকোমল শৰীৰ সুন্দৰ ভৰি হাত।।

তয়ো গৈলি বিক্ৰয় জীৱন ধিক ধিক।

আউৰ কিবা দেখিছয়াছো প্ৰাণ নযায় কিক।।২২৩।।

হা প্ৰাণেশ্বৰী হা হা ৰোহিতাশ্ব পুত্ৰ।

তোমাসাক বান্ধি নেই কৈৰ যমদুত।।
হেনসে অৱস্থা পাইলে মোৰ কৰ্ম্ম ফলে।
জীৱো কিক লাগি মই যাওঁ ৰসাতলে।।২২৪।।
এহিমতে কান্দন্তে আচন্ত ৰাজা চাই।
মহাদৈক পুত্ৰে এৰে দ্বিজে লৈয়া যায়।।
বৃক্ষে গৃহ আসম্বাৰ আ ঁৰ যেৱে ভৈল।
দুনাই পৃথিৱীত পৰি ৰাজা মূৰ্চ্ছা গৈল।।৩২৫।।
সেহি সময়ত বিশ্বামিত্ৰ পাইলা আসি।
উঠ উঠ ৰাজা বুলি দিলন্ত উকাকাসি।।
কিবা ধন পায়া আছা দিয়োক সম্প্ৰতি।
শুনি তকমক কৰি উঠিলা নৃপতি।।৩২৬।।
ভাৰ্য্যা পুত্ৰ বিকি ধন পায়া আছা যত।
টুপলি মেলিয়া দিলা ঋষিৰ হাতত।।
অল্পধন দেখি তান নভৈল সন্তুষ্টি।
বুলিবে লাগিলা নৃপতিক ঋষি উঠি।।৩২৭।।
শুন অৰে পাপীষ্ঠ অধম কুলাঙ্গাৰ।
এহিমানে অনুৰূপ দক্ষিণা আম্হাৰ।।
ঋষিহেন বুলি তই আমাক নগণি।

গাওঁ পৰৰয়াক যেন যাচস ভোজনী।।৩২৮।।

তয়ো হেন জান বিশ্বামিত্র ঢোণ্ডা সাপ।

কিছোৰো নুহিকে একো নাহিকে প্ৰতাপ।।

এহি বুলি ক্ৰোধে আতি কাম্পে হাত পাৱ।

আজি তোক ভালমতে দেখাইৱো প্ৰভাৱ।।৩২৯।।

এহি ধন পাই তোক কৰিবোহো ক্ষমা।

আজি মোৰ দেক কেন তপৰ মহিমা।।

লৈয়ো তেৱে দেখ ৰাজা মোৰ ব্ৰহ্মবল।

ঘোৰ চণ্ড শাপে সৱে বংশ যাইবি তল।।৩৩০।।

হেন শুনি হৰিশ্চন্দ্ৰ তৰতৰি মান।

ভাৰ্য্যা পুত্ৰ বিকি ধন পালে এহিমান।।

দিবো আৰো কিছু মোৰ নাহিকে সম্পত্তি।

এতিক্ষণে ইটো ধন লৈয়ো মহামতি।।৩৩১।।

বিশ্বামিত্ৰে বোলে আৰো নকৰিবি হেলা।

এভো আছে দিৱসৰ প্ৰহৰেক বেলা।।

ইয়ো বেলি থানি থাকিবোহো বাট চাই।

আউৰ পুনো বুলিবে নপাস মহাৰায়।।৩৩২।।

এহি বুলি কপিঙ্গত বান্ধি লৈল ধন।

কোপ মনে বিশ্বামিত্র কৰিলা গমন।।
চিন্তা ভয়ে ৰাজাৰ দগদ বৈল মন।
শ্ৰুতি জ্ঞান হৰি গৈল নপান্ত চেতন।।৩৩৩।।
দুখৰ উপৰি দুখ পাইলা মহাৰথ।
যেন জুই জ্বলে আৰো পিম্পালৰি পথ।।
নেদেখো উপায় ভৈল এবেসে মৰণ।
বিশ্বামিত্ৰ–সাগৰত নভৈলো তৰণ।।৩৩৪।।
গুণ গান্থি আন একো নেদেখো প্ৰকাৰ।
আপুনাক বিধি শুজোঁ আপুনাৰ ধাৰ।।
এহিমতে কতোক্ষণ দঢ়াই আপুনাক।
অধোমুক হৈয়া ৰাজা দিলা দীৰ্ঘ ডাক।।৩৩৫।।
আপুনাক বিকো হেৰা যাৰ আচে মন।
ভৃত্য কৰি কিনি লোৱা আনি দিয়া ধন।।
যাৱে নতু সূৰ্য্য আসি হোৱে অস্তাগত।
সত্বৰে বোলক আসি মোহোৰ আগত।।৩৩৬।।
এহি বুলি বাৰে বাৰে ডাকন্ত নৃপাল।
সুনি ভয়ঙ্কৰ এক আসিল চাণ্ডাল।।
যেন আঙ্গাৰৰ বৰণ জ্বলৈ কলেবৰ।

অন্ধকূপ যেন জ্বলৈ নাসিকা বিবৰ।।৩৩৭।।

ডাঙ্গৰ দুগোটা চক্ষু যেন ঔৰ কৰি।

বিকট বিদুৰ আতি দান্ত আছৈ তৰি।।

ফাগুনীয়া বাৱ যেন নাকৰ বতাস।

ওলমিচে পেট যেন বৰ মৌৰ বাসঁ।।৩৩৮।।

মেঘৰ গৰ্জ্জন যেন মুকত শুনি মাত।

ভেঙ্গুৰি ভেঙ্গুৰি থূলন্ত্র ভৰি হাত।।

তাম্র বৰণ গোফ দাড়ি লোহা অলঙ্কাৰ।

হাতে যাঠি ধৰি যেন ৰাক্ষস আকাৰ।।৩৩৯।।

অনেক চাণ্ডালগণে বেড়ি আছে তাক।

মই কিনিবোহো বুলি মাতিলা ৰাজাক।।

কত ধন লাগে মোত কহ মূল দৰ।

কিবা অল্প লাগে কিবা লাগয় বিস্তৰ।।৩৪০।।

ঢলো পলো কৰে আতি মদ্য আছে লাগি।

অনুত্তৰ কৰি নৃপতিক মাতে ৰাগি।।

কিল কিল কৰি উন্মত্ত হুয়া হাসে।

ভেল ভেল কৰিয়া মদ্যৰ গন্দ আসে।।৩৪১।।

হেন দেখি ৰাজা দিলা নাকত কাপোৰ।

তোৰা কোন জাতি বুলি সোদে নৃপবৰ।।
কিবা নাম তোহ্মাৰ সত্বৰে কহিয়োক।
চাণ্ডাল বদতি তই কিবা সোধা মোক।।৩৪২।।
জাতিত চাণ্ডাল থাকো প্ৰবীৰপুৰত।
বদ্যবধক নামে প্ৰখ্যাত লোকত।।
মৃতকৰ বস্ত্ৰ মানে মোৰ অধিকাৰ।
শুনি নৃপতিৰ ভৈল হৃদয় বিদাৰ।।৩৪৩।।
ৰাজায়ে বোলন্ত তই উলটিয়া যাস।
প্ৰাণান্তিকো নোহো মই চাণ্ডালৰ দাস।।
শাপ অগনিত মৰো সিয়ো মোৰ ভাল।
কোননো পাপীষ্ঠে হুইবে চিতনি চাণ্ডাল।।৩৪৪।।
সেহি সময়ত বিশ্বামিত্ৰ পাইলা আসি।
তবধ নয়নে ক্ৰোধে দণ্ডক উল্লাসি।।
ৰাজাক বোলন্ত আৰে শুন মহীপাল।
দিবেক বিস্তৰ ধন গৃহস্থ চাণ্ডাল।।৩৪৫।।
পাইবো মই বিস্তৰ চাণ্ডাল যেবে কিনে।
অল্পেসে দিবেক ধন সজ্জন কুলীনে।।
হেন জানি চাণ্ডালত যাইয়ো বিক্ৰয়।

মোৰ যেৱে শাপক তোহোৰ আছে ভয়।।৩৪৬।।

।।দুলড়ী।।

শুনি হৰিশ্চন্দ্ৰ ঋষিক বোলন্ত

শৰণ লৈলো তোহ্মাত।

ভুঞ্জিলো পৃথিৱী আছিলো নৃপতি

সূৰ্য্যবংশে ভৈলো জাত।।

কোন সতে ভৃত্য হুইবো চাণ্ডালৰ

ইটো সৱে গৰিহিত।

কুলীনৰ ঠাই আহ্মাক বিকাই

লৈয়ো দক্ষিণাৰ বিত।।৩৪৭।।

শুনি বিস্বামিত্ৰ ক্ৰোধে উঠিলিল

হা ওৰে পাপী দুৰ্জ্জন।

মোৰ মন পুৰি দক্ষিনা দিবাক

তোহোৰ নাহিকে মন।।

যেৱে চাণ্ডালত বিক্ৰয় নযাস

যেৱে নেদ ধন তাৰ।

এহিক্ষণে হেৰা শাপি ভস্ম কৰো

নাহিকে দোষ আস্মাৰ।।৩৪৮।।

শুনি হৰিশ্চন্দ্ৰ বিহ্বল ভৈলন্ত

সমস্তে প্ৰাণ উড়িল।

ত্ৰাহি ত্ৰাহি বুলি নিঢালে সমূলি

ঋষিৰ পাৱে পৰিল।।

চৰণত ধৰি কৰন্ত কাতৰ

হুয়োক ঋষি প্ৰসন্ন।

শোকে বিমোহিত ভৈলো ভয় ভীত

দিয়োক মোক শৰণ।।৩৪৯।।

চাণ্ডালত মোৰ জাতি ভ্ৰষ্ট নৌক

তোস্মাৰেসে ভৈলো দাস।

নাপাতা বিঘিনি, তুমি লোৱা কিনি

দক্ষিণা যাউক অপাৰ।।

যেহি লাগে সেহি বহন কৰিবো

ফুৰাইবো কান্ধত কৰি।

কাম্পয় হৃদয় দিয়োক নিৰ্ভয়

তাপিয়োক মোত ভৰি।।৩৫০।।

তথাপিতো ঋষি নিষ্ঠুৰ বোলন্ত

ভৰিৰ এৰ নিলাজ।
টেণ্টন পালক কি কৰিবো তোক
ধনতেসে মোৰ কাজ।।
তয়ো দাস ভৈলে মোৰ অধিকাৰ
আউৰ তোৰ নাই নিয়া।
নিয়োক চাণ্ডাল আক বিকো আমি
দশ কোটি ধন লৈয়া।।৩৫১।।
হেন শুনি ভৈল চাণ্ডাল হৰিষ
উলস মালস মন।
ঋষিক বুজায়া খন্তেকতে আনি

ঋষিৰ ভৰিৰ পৰা নৃপতিক
আজুৰি আনিলা ধৰি।
পাপীষ্ঠ চাণ্ডাল লগাইল ঘঞ্চাল
বান্ধি পাচ হাত কৰি।।৩৫২।।
যেন খন্টচোৰ পাইলা নৃপতিক
চাণ্ডালে কৰয় দণ্ডা।
যাস যাস বুলি নাৰন্তে লৈ যাই

উলটা যাঠীৰ খুণ্ডা।।

কতো দণ্ড ধৰি পিঠিত কোবাৱে

বিশ্ৰুতি বৈলা নৃপতি।

একে ভাৰ্য্যা পুত্ৰ বিয়োগে দগধ

আপোনাৰো হেন গতি।।৩৫৩।।

এহিমতে মাৰি ধৰি নৃপতিক

আপোন গৃহক নিল।

দণ্ডি কৰি পাছ্ মৰাৰ উপৰে

কাম চাহিবাক দিল।।

মৃতকৰ বস্ত্ৰ দিবি আনি আৰো

যি পাস চিতা সজালি।

মহা কষ্টে দুখে নৃপতি থাকিলা

তাহাৰ আদেশ পালি।।৩৫৪।।

আপোনাৰ অন্ন চাণ্ডালে নেদয়

ঘিণে মৰিবেক বুলি।

আঠে চাৰি তাৰ দণ্ডিত ভুঞ্জন্ত

জুৰিয়া নৱ পাতলি।।

চাণ্ডালৰ ঘৰে বঞ্চন্তে ৰাজাৰ

দণ্ডে এক যুগ যায়।

ভাৰ্য্যাক পুত্ৰক সুমৰি সদায়

কান্দে হৰিশ্চন্দ্ৰ ৰায়।।৩৫৫।।

হৰি হৰি বান্ধে এৱে ভৈলি দইয়ে

দুখতে মলিন মুখ।

সৰ্ব্বক্ষণে মোক সুমৰি নেৰাৱ

পুত্ৰৰ দেখিয়া দুখ।।

বুলিবে নৃপতি আসিলন্ত পৰা

আক্ষাক নিবে মেলাই।

ইটো আথান্তৰ একো নজানিলি

যি ভৈল মোৰ বিহ্লাই।।৩৫৬।।

ৰাজ্য ত্যাগ ভৈল সুহৃদে এৰিল

বিকিলো পুত্ৰ ভাৰ্য্যাকে।

আপুনো চাণ্ডাল ভৈলো কত আছে

মোহোৰ কৰ্ম্ম বিপাকে।।

আৱৰ কতেক ভুঞ্জিবো ললাট

কোন দতি হোৱে মোৰ।

কষ্টৰো উপৰি কষ্ট বাজে আসি

দুখৰো নেদেখো ওৰ।।৩৫৭।।

প্ৰবাত মধ্যহ্ন      গধূলি বেলাত

এহিসে মুখত গীত।

চক্ষুৰ লোতকে      পাঞ্জৰি বিজয়

নিদ্ৰা নাসে ৰজনীত।।

মৃতকৰ বস্ত্ৰ      যিদিনা নপান্ত

চাণ্ডালে ধৰিয়া মাৰে।

এহিমতে ৰাজা      চাণ্ডালৰ ঘৰে

বঞ্চিলা দুখ নিকাৰে।।৩৫৮।।

মহাদৈৰো তৈতে      দণ্ডে যুগ যায়

বৃদ্ধ ব্ৰাহ্মণৰ ঘৰে।

আটে চাৰি সচী      দিনেক ভুঞ্জন্ত

সিয়ো মাৰণক ডৰে।।

ভুমিত শয়ন      মলিন বসন

ধূলাৰে জচিল কেশ।

মহাদই বুলি      চিনন নযায়

ভৈলন্ত মলিন বেশ।।৩৫৯।।

থাইবাক নপাই      কুমৰ শুখায়

দুখীৰ যেন ছাৱাল।

আগত যাহান্তে ব্ৰাহ্মণ কুমাৰে

তাতেসে লাগয় মাল।।

টেৰ কৰি চান্তে সুৰুতি উৰায়

লুকাইবাক নাহি সন্ধি।

দেকি পটেশ্বৰী ক্ৰন্দন কৰন্ত

পুত্ৰক গলত বান্ধি।।৩৬০।।

মই দুখিনীৰ পেটত পুতাই

উপজিলি কিক লাগি।

তোৰ দুখ দেখি কেনে প্ৰাণ ধৰো

নগৈল হৃদয় ভাগি।।

হা প্ৰাণনাত তোহ্মাকেসে লাগি

সৰ্ব্বক্ষণে ধূম পিউ।

আহ্মাক মেলাইবে আসিবাক পাৰা

এহিসে আশাত জীওঁ।।৩৬১।।

পুত্ৰে বোলে মাৱ পিতৃ আসিবন্ত

ওলাই চাই থাকে বাট।

আপদ আন্ধাৰে পোহৰ নেদেখো

কতেক দুখ ললাট।।

হৰি হৰি ভালে কি আছন্তে

মোৰ দুখ আছা চাই।

নজানো বিদাতা তোহ্মাক কৰিলে

আৰো বা কোন বিহ্লাই।।৩৬২।।

মহা দুখ ভৰ কতেক সহিবো

আহ্মাক পাইলেক অন্তে।

হা প্ৰভু দেৱ যোনো প্ৰাণ যায়

তোহ্মাক নতু দেখন্তে।।

আউৰ ইটো জন্মে দেখিতে নপাইবো

প্ৰভুৰ দুই চৰণ।

ইসে মহা দুক মই অবিহনে

পুত্ৰৰ হুইবে মৰণ।।৩৬৩।।

এহিমতে শান্তী সদায়ে কান্দন্ত

লোতক নাহিকে ছেদ।

শৰীৰত শোক অগ্নি নিনিমায়

হিয়াৰ নুগুচে খেদ।।

হেনয় নিকাৰে আছন্ত সুন্দৰী

ব্ৰাহ্মণক হুয়া দাসী।
ৰাজ কুমাৰক ফুল পাৰিবাক
বুলিলা এদিন ঋষি।।৩৬৪।।
ব্ৰাহ্মণ বচনে ৰাজাৰ কুমাৰে
হাতে কুকী গোট লৈয়া।
ফুলনি বাৰীতে সোমায়া কুমাৰে
ফুল পাৰে ডাঁৰি নিয়া।।
সেহি ফুল গাছে কাল সৰ্প আছে
উপৰক তুলি ফেট।
কুমাৰক ক্ৰোধ কৰি মহা সৰ্পে
মাথাত মাৰিলা খোট।।৩৬৫।।
বিষৰ পৰশে থৰ থৰি কাম্পে
কুমাৰৰ প্ৰাণ গৈল।
বুড়িল বুড়িল বুলি পটেশ্বৰী
পুত্ৰশোকে আউল ভৈল।।
দুইহাতে ধৰিয়া মুঠি হানে হিয়া
হা হা পুত্ৰ পুত্ৰ বুলি।
মোক যাস এৰি শোকে পাৰৈ গেড়ি

মৰিলো আৱে সমূলি।।৩৬৬।।

মোহোৰ পুতাই কোনে লৈয়া যায়

গৰ্ভত জালিয়া জুই।

হৰি হৰি বিধি কতনো মাৰস

মোক শোক শেলে থুই।।

ৰোহিতাশ্ব বাপ তোহোৰ সন্তাপ

কৈকনো গৈলে এৰাওঁ।

দয়াৰ কুমৰ আহ্মাক সুমৰ

লগে যমপুৰে যাওঁ।।৩৬৭।।

কাক গলে বান্ধি শুইবো হাবিয়াসে

কাহাৰ চাহিবো মুখ।

মোক কোনে আসি আই আই বুলি

পাসৰাইবে সৱে দুখ।

এহি বুলি নাৰী পাৰন্ত লোটাৰি

কান্দি আৰ্ত্তনাদ কৰি।

হেন দেখি আসি ব্ৰাহ্মণে বোলয়

হা তক টোকান ধৰি।।৩৬৮।।

হাউৰে পাপিষ্ঠী কিসক কান্দস

খুন্দাত ভাঙ্গিবো গাল।

ভাল ভৈল তোৰ মৰিল পুতেৰ

গুচিল আল জঞ্জাল।।

আক কোনে আৱে খৰিৰে পুৰিবে

গঙ্গাত নিয়া ভসাউ।

শুনি মহাদই দান্তে খেৰ লই

কৰিলন্ত কাউ বাউ।।৩৬৯।।

দেখিয়া ভাৰ্ষ্যিয়া মাতিলা ব্ৰাহ্মণে

এড়াইলি এড়াইলি বুলি।

শুনি শৈব্যা পাছে মৃতক পুত্ৰক

লৈযান্ত কোলাত তুলি।।

গঙ্গাৰ তীৰক কান্দতে লড়িলা

জ্বলিল পুত্ৰ সন্তাপ।

কুমাৰৰ গুণ বিনাই কান্দন্ত

যাহান্তে কৰি বিলাপ।।৩৭০।।

নমো নমো হৰি গুচায়ো সংহৰি

সংসাৰৰ দুখ ভাৰ।

কৃষ্ণক কিঙ্কৰ ৰচিলা শঙ্কৰ

দুলড়ী ছন্দে পয়াৰ।।

শুনা সৰ্ব্বলোক হিত চিন্তিয়োক

আসনত সুখে থাকি।

পাপক সংহৰি পুৰুষ উদ্ধাৰি

হৰি হৰি বোলা ডাকি।।৩৭১।।

।।পদ।।

পক্ষীগণ বোলে মুনি শুনি থাকা কথা।

কহো নৃপতিৰ পাছে যিভৈলা অৱস্থা।।

এহিমতে শৈব্যা মৰা পুত্ৰ কোলে ধৰি।

পথত কান্দতে যান্ত আৰ্ত্তনাদ কৰি।।৩৭২।।

কৈক গৈলি পুতাই দুখিনীক মোক এৰি।

কিমতে ৰহিবো মই ব্ৰাহ্মণৰ চেড়ী।।

কৈত আছা হৰিশ্চন্দ্ৰ মোৰ প্ৰাণপতি।

তুমি অবিহনে ভৈলো অনাথ সঙ্গতি।।৩৭৩।।

তোহ্মাৰ দয়াৰ কুমাৰক খাইলে সাপে।

শুনি কেনে জীবা ঘোৰ পুত্ৰৰ সন্তাপে।।

মোক কিয় প্ৰভু আসি নকৰা আশ্বাস।

পুত্ৰৰ লগত অগনিত কৰো যাস।।৩৭৪।।

এহি বুলি দীৰ্ঘ ৰাৱে কৰন্ত ক্ৰন্দন।

সেহি বেলা হৰিশ্চন্দ্ৰ ত্ৰিশঙ্কু নন্দন।

চাণ্ডালে পঠাইলে মৃতকক ফুৰি চান্ত।

ক্ৰন্দনৰ ৰাৱক দূৰতে নিহালন্তে।।৩৭৫।।

মৰিল মনুষ্য মানে পুৰিবাক প্ৰতি।

লৱৰন্তে লাগ আসি ধৰিলা নৃপতি।।

কঙ্কালত লাঙ্গতি কান্ধত কোৰ পাৰি।

বিকৃত চাণ্ডাল বেশ চিনিবে নুৱাৰি।।৩৭৬।।

ধূলায়ে জটিলা বৈলা আউল সৱে কেশ।

মহা কৃষ্ণবৰ্ণ ভৈলা পিশাচৰ বেশ।।

ডাঢ়ি গোম্ফ ভোবোকাৰ দেখি আসৈ বান্তি।

স্বামী হেন বুলি তাঙ্ক নিচিনিলা শান্তী।।৩৭৭।।

চিনিবাক নুৱাৰিলা ৰাজায়ো ভাৰ্য্যাক।

অপেশ্বৰাগণো ৰূপে নাটিল যাহাক।।

ৰত্নৰ শলকাগণ আঙ্গুলিৰ পান্তি।

তপ্ত সুৱৰ্ণৰ বৰ্ণ শৰীৰৰ কান্তি।।৩৭৮।।

সিটো তনু শুকাই সৱে ভৈল চাৰখাৰ।

পৰিল বিৱৰ্ণ যেন বিকৃত আকাৰ।।
শৰীৰৰ বস্ত্ৰ আতি পৰে চোপে মলি।
যেন ভিখাৰীৰ নাৰী ধীৰে যান্ত চলি।।৩৭৯।।
কতো বেলি পাইলা গৈয়া ভাগীৰথী তীৰ।।
দুখে শোকে শান্তীৰ শৰীৰ নোহে থিৰ।
কুমাৰৰ শৰীৰক কানি খানি পাৰি।
মৃতক পুত্ৰক শুৱাইলন্ত বৰনাৰী।।৩৮০।।
তাৰ মুখে মুখ দিয়া কৰন্ত বিলাপ।
সহিবে নুৱাৰো বাপ তোহোৰ সন্তাপ।।
কিসক নমাতা বাপ মাই মাই বুলি।
তোৰ শোক অগনি মাৰন্তে আছে পুলি।।৩৮১।।
এৱেসে জানিলো পুত্ৰ তই গৈলি মৰি।
এহি বুলি মাটিত পড়িলা ঢাত কৰি।।
অচেতন ভৈলা মাতবোল নাহি দেখি।
মৃতক শিশুক ৰাজা চাহন্ত নিৰেক্ষি।।৩৮২।।
গাতে সৱে আছে নৃপতিৰ যত চিহ্ন।
মহা সুলক্ষণ একো অঙ্গে নুহি হীন।।
অনুমানে জানো এক ৰাজাৰ ছাৱাল।

কিবা দোষে ইহাৰ অল্পতে ভৈল কাল।।৩৮৩।।

আক দেখি মোৰ হৃদয়ত লাগে তাপ।

এহি বয়সৰ মোৰ ৰোহিতাশ্ব বাপ।।

এহ্নুয় আয়ত দুই কমল লোচন।

এহি মুখ কৰণ নাসা কপোল দশন।।৩৮৪।।

সমান শৰীৰ একে অৱস্থা আকৃতি।

নজানো ব্ৰাহ্মণে কিনি নিলে কেনে ভিতি।।

এৱে হুইবে উমলান্তে ফুৰৈ ৰঙ্গ কৰি।

যদি নতু যমে নেই পতাইক পাসৰি।।৩৮৫।।

হৰি হৰি শিশু ইটো কাহাৰ নন্দন।

ইহাকে দেখন্তে আসৈ উভতি ক্ৰন্দন।।

হা পুত্ৰ শুনো তোৰ কিবা কতিক্ষণে।

এহি বুলি ৰাজা ভৈলা সজল নয়ন।।৩৮৬।।

অধোমুখে থাকিলন্ত পুত্ৰক সুমৰি।

দুনাই চেতন লভি কান্দন্ত সুন্দৰী।।

হা সুকুমাৰ পুত্ৰ সৰ্ব্ব সুলক্ষণ।

কোনবা কুযোগে আৰ মিলিল মৰণ।।৩৮৭।।

সৰ্ব্বাঙ্গে সুন্দৰ যেন সোণাৰ পুতলি।

মোক এৰি পুতাই আৰে কোন থানে গৈলি।।
জীয়ো মানে পুতাই থৈলি হূদয়ত শাল।
আপুনি কৰিবো আৰে আপুনাৰো কাল।।৩৮৮।।
হা প্ৰাণনাত হৰশ্চন্দ্ৰ গৈলা কোই।
তোহ্মাৰ স্নেহৰ হেৰা মৰো মহাদৈই।।
কিয়নো আশ্বাস আৰে নকৰাহা মোক।
পৰিচ্ছেদা চাহা আসি ৰোহিতাশ্ব পোক।।৩৮৯।।
প্ৰাণ পুত্ৰ কৈক গৈলা ইজন্মক লাগি।
একেশ্বৰী ভৈলো কুলক্ষণী মন্দভাগী।।
হা বিধি বৈল আৰে তোৰ মনে সুখ।
নৃপতিক দুখৰ উপৰি দিলি দুখ।।৩৯০।।
ৰাজ্যৰ উচ্ছাদ বৈল এড়িলে সুহূদে।
ভাৰ্য্যা পুত্ৰ বিকা গৈল দক্ষিণাৰ পদে।।
নহাৰাজঋষি হৰিশ্চন্দ্ৰ মহীপতি।
নকৰিলা বিধাতাই কোননো দুৰ্গতি।।৩৯১।।
সিটো প্ৰাণনাথৰ নেদেখা আৰে ভাল।
প্ৰাণ কি জীৱয় নুশুনিলো এতকাল।।
যোনে প্ৰবু মোৰ শোকে দুখে গেলা মৰি।

এহি বুলি মূৰ্চ্ছা গেয়া পড়িলা সুন্দৰী।।৩৯২।।
হেন শুনি নৃপতিৰ বিস্ময় মনত।
কিবা সচেতত কিবা আছো সপোনত।।
কবৈ নাৰী কান্দে ইটো মোৰ নাম লই।
অহেন্তেসে জানো মোৰ শৈব্যা মহাদই।।৩৯৩।।
যোনো প্ৰাণ পুত্ৰ ৰোহিতাশ্ব আছে মৰি।
জানিলো নিশ্চয় ৰাজা কাতি চিত কৰি।।
শোকে ধৰিলেক ভৈল বাতুল স্বভাৱ।
পুত্ৰ পুত্ৰ বুলিয়া ত্যজিলা দীৰ্ঘৰাৱ।।৩৯৪।।
দশোদিশ অন্ধকাৰ দেখি সেহিকালে।
পুত্ৰৰ ভৰিত ৰাজা পৰিলা নিঢালে।।
কতোক্ষণে শৰীৰত আসিল চেতন।
আকুলে ব্যাকুলে ৰাজা কৰন্ত ক্ৰন্দন।।৩৯৫।।
মহাশোকে হিয়ে ভুকু মাৰি নৰনাথ।
হা পুত্ৰ বুলি কতো আস্ফালন্ত মাথ।।
কতো উঠি উঠি ৰাজা পৰন্ত আছাৰে।
কদলী বৃক্ষক যেন বাতাসে উপাৰে।।৩৯৬।।
পুত্ৰ মুখে মুখ দিয়া কৰন্ত বিলাপ।

কিমতে এড়াইবো আৰে তোহোৰ সন্তাপ।।
ইটো চক্ষু মুখ নাসা কপোল দেখন্তে।
হিয়া ফুটি নযায় এভো আছোহো জীয়ন্তে।।৩৯৭।।
কোনে খেদি আসিবেক পিতা পিতা বুলি।
হূদয় আন্দোলে কাক কোলে লৈবো তুলি।।
কাৰ ধূলি মাটি মোৰ লাগিবে কোলাত।
ভোক লাগে বুলি কোনে লগাইবেক মাত।।৩৯৮।।
মেহোৰ কোলাত কোনে জুড়িবেক আন্ধি।
কোনেনো মুকত চুমা দিবো গলে বান্ধি।।
প্ৰাণতো অধিক মোৰ স্নেহৰ পুতাই।
কৈক যাস মোক শোক সাগৰে পেল্লাই।।৩৯৯।।
মৎস যেন তোক মই বিকিলো পাপীষ্ঠে।
সোহি কষ্টে মোক জানো এড়ি গৈলি নিষ্টে।।
হাবিধি এতেক কৰিয়া ক্ষমা নাই।
সৰ্প হায়া খাইলে মোৰ পুত্ৰক দুনাই।।৪০০।।
যতেক সৰ্ব্বস্ব ৰাজ্য ভাৰ মোৰ গৈলা।
একেশ্বৰ ভৈলো পুত্ৰ ভাৰ্য্যায়ো নৰৈলা।।
আপুনি চাণ্ডাল ভৈলো গৈল জাতি কুল।

সৰেও নভৈল পুত্ৰ সন্তাপৰ তুল।।৪০১।।

কোন দৈবে কুমাৰক খাইলে সৰ্প হুই।

মোক খাহা আসি এড়াওঁ পুত্ৰ শোক জুই।।

এহি বুলি নৃপতি কান্দন্ত হুক হুকি।

কৈকে গৈলে ৰোহিতাশ্ব বুলি দেন্ত উকি।।৪০২।।

মৃতক পুত্ৰক হৃদয়ত ধৰি তুলি।

নিঢালে পৰিলা দুনাই পুত্ৰ পুত্ৰ বুলি।।

সহিবে নোৱাৰি ৰাজা শোকৰ ঝমক।

হৰিল চেতন যেন দেখিলা যমক।।৪০৩।।

নাহ মাত বোল থাকিলন্ত মূৰ্চ্ছা গই।

হেন দেখি বিস্ময় ভৈলন্ত মহাদই।।

কৈৰ গোটে কান্দে কুমাৰক আঙ্কোৱালি।

বিলাপ এড়িয়া শৈব্যা চাহন্ত নিহালি।।৪০৪।।

হৰিশ্চন্দ্ৰ নৃপতিৰ শুনো যেন মাত।

তেহ্নয় আকাৰ সুৱলিত ভৰি হাত।।

নিশ্চয় জানিলো মোৰ হোৱে প্ৰাণনাথ।

তাহানেসে দেখো ইটো ছত্ৰাকৃত মাথ।।৪০৫।।

সেহিসে উন্নত নাসা যেন তিল ফুল।

প্ৰভুৰ দশন দেখো কুন্দকড়ি তুল।।
পদ্মসম লোচন কুঞ্চিত নীল কেশ।
বহল হৃদয় সিংহবন্ধ কটিদেশ।।৪০৬।।
ললিত বলিত সেহি আঙ্গুলিৰ পান্তি।
চন্দ্ৰবিম্ব সম নুহি সেহি নখ কান্তি।।
এহেন্তেসে নৃপতি জানিলো নিষ্ট কৰি।
ভালেতো কান্দন্ত কুমৰৰ গলে ধৰি।।৪০৭।।
এক মনে বোলো যদি ৰাজা স্বৰূপত।
কিসক ফুৰন্ত ইটো শ্মশান শালত।।
হাতে কোৰ খানি দেখো চাণ্ডালৰ নয়।
এহি বুলি শৈব্যা শান্তী ভৈলন্ত বিস্ময়।।৪০৮।।
কিবা কুলক্ষণ আছে বুলি বিচাৰন্ত।
মস্তকৰ পৰা তান চৰণ পৰ্য্যন্ত।।
সকলো অঙ্গক শান্তী চাহন্ত নিৰেক্ষি।
আছন্ত এগোটা ৰেখা ভৰি তলে দেখি।।৪০৯।।
মহা কৃষ্ণবৰ্ণ আতি নিন্দিত সাক্ষাত।
চাণ্ডাল হুইবেক হেন ৰেখা আছৈ তাত।।
তাক দেখি শান্তী আতি ভৈলা বিমোহিত।

তমোময় দেখিয়া পড়িলা পৃথিৱীত।।৪১০।।

কতো বেলি সন্ধুকিয়া গদ গদ মাত।

অধোমুখ ভৈলন্ত গালত দিয়া হাত।।

সৰ সৰি পৰে লো কৰন্ত বিষাদ।

ধিক্ ধিক্ বিধি তোৰ হেনসে মৰ্য্যাদ।।৪১১।।

দুতি ইন্দ্ৰ যেন হৰিশ্চন্দ্ৰ মহীপাল।

ইহাঙ্ক কৰিলে আনি অদম চাণ্ডাল।।

ধিক্কাৰ আছোক তোৰ দাৰুণ হৃদয়।

যতেক বিহিত তোৰ সকলে কুনয়।।৪১২।।

ৰাজ্যৰ খেদাইলে যত এৰিল সুহৃদে।

বিকুৰাইলে ভাৰ্য্যা পুত্ৰ দক্ষিণাৰ পদে।।

এতেক অৱস্থা দিয়ো নেড়িলে ৰাজাক।

চাণ্ডাল কৰিলে নিয়া কোননো বিপাক।।৪১৩।।

হৰি হৰি কিনো ইটো পৰম অদ্ভুত।

পৰম আশ্চৰ্য্য আৰে মিলিল গাৱত।।

কৃষ্ণৰ কিঙ্কৰে পদ ভণিল শঙ্কৰে।

ডাকি হৰি হৰি বোলা লোক নিৰন্তৰে।।৪১৪।।

।।ছবি।।

স্বামীৰ অৱস্থা দেখি পতিব্ৰতা মহাদৈৰ

শোকানল জ্বলৈ নিদাৰুণ।

নপান্ত চেতন জ্ঞান দহৱে সমস্ত প্ৰাণ

পুত্ৰৰ সন্তাপে দশগুণ।।

বুকু যেন যাই ফুটি ধৰিবে নুৱাৰি উঠি

নৃপতিৰ গলত বান্ধিল।

বৰ্ণাই বৰ্ণাই গুণ অনেক কাৰুণ্য কৰি

মুখ চাই অনেক কান্দিল।।৪১৫।।

হৰি হৰি মহাৰাজা প্ৰাণৰ বল্লভ মোৰ

সাতো পৃথিৱীৰ অধিপতি।

কিছু নোহে বেদ ধৰ্ম্ম হেন কি অযোগ্য কৰ্ম্ম

তুমি ভৈলা চাণ্ডাল সঙ্গতি।।

শোকে দুখে দহে দহা মাথা তুলি মোৰ চাহা

তযু মহাদই মৰো কান্দি।

পাসৰিলা মোৰ নেহা এৰিলাহা পূৰ্ব্ব স্নেহা

আশ্বাস নোবোলা গলে বান্ধি।।৪১৬।।

সৰ্ব্ব সৌভাগিনী নাৰী পৃথিৱীত আছো পৰি
মোক শোক শেলে আছে শালি।
আছি প্ৰভু দেৱ কেনে সূৱৰ্ণৰ সিংহাসনে
নোতোলাহা মোক আঙ্কোৱালি।।
হৰি হৰি প্ৰভু দেৱ কিসক কেৱল গাৱ
শুতিয়াছা কেৱলে ভুমিত।
নেদেখাহো ছত্ৰদণ্ড নুশুনোহো বাদ্য ভণ্ড
আগত নকৰৈ নৃত্য-গীত।।৪১৭।।
পয়ানৰ বেলা যাৰ সেনাৰ নেদেখা পাৰ
হয় হস্তী ৰথ যাই জুৰি।
বাদ্য ভণ্ড কোলাহল কৰ্ণত হানয় তাল
পাতাল পুৰতো লাগে হুড়ি।।
নদী সৱে উঠে পঙ্ক স্বৰ্গতো লাগয় ঢঙ্ক
শত্ৰুৰ যাইবাক পুৰী নাই।
সিটো শ্ৰী কৈক গেল হেন সে বিপত্তি ভৈল
শ্মশানত ফুৰে মহাৰায়।।৪১৮।।
আগুয়ান বেলা যাক মহা মহা ৰাজাজাক
সঘনে ধৰয় সৱে আল।

হাতে শেল শূল দৰি ফুৰে সৱে দম্ভ কৰি
ৰিপুৰ মদ্যত যেন কাল।।
কত ছত্ৰ ধৰে মাৰে কাহাৰে ভৃঙ্গাৰ হাতে
কেহো কৰে চামৰে বতাস।
কিনো বিধি বিপৰ্যয় দেখি কি হৃদয় সয়
হেন ৰাজা চাণ্ডালৰ দাস।।৪১৯।।
সিংহাসনে থাকা চড়ি মহাপাত্ৰগণে বেঢ়ি
থাকে যেন ইন্দ্ৰক ত্ৰিদশে।
স্বৰ্গ মৰ্ত্ত্য ৰসতলে যাক সমে নাহি বলে
জগত ব্যাপিল যাৰ যশে।।
বুদ্ধি বৃহস্পতি সম আছিলাহা নৰোত্তম
কোন দৈৱে দিলেক আপদ।
মৃতকক চুইয়া আসি শ্মশানত থাকা বসি
কাক গৃধ্ৰে আৱে সভাসদ।।৪২০।।
শৱৰ মাংসক গিলি পিশাতৰ কলিকিলি
যক্ষ ৰক্ষগণে চমৎকাৰ।
নাড়ি মুণ্ড ভণ্ডচয় শুনিতে কৰ্দ্দমময়
চিতাধূম্ দেখি অন্ধকাৰ।।

শৃগালৰ ঘোৰ ৰাৱ শুনি শিহৰয় গাৱ
শৱদে লাগয় কৰ্ণে ত্ৰাস।
হৰি হৰি হৰিশ্চন্দ্ৰ পৃথিৱী লোকৰ ইন্দ্ৰ
তোহ্মাৰ হেনসে স্থানে বাস।।৪২১।।
এহি বুলি পটেশ্বৰী স্বামীক গলত ধৰি
কৰিলন্ত বিষাদ আশেষ।
উঠিয়োক মহাৰাজ স্ব ৰূপ কহিয়ো কাজ
কেনে ভৈলা চাণ্ডালৰ বেশ।।
তোহ্মাৰ অৱস্থা যিবা স্বৰূপত দেখো কিবা
কিবা দেখিয়াছো সপোনত।
ইয়ো যেৱে হোলৈ সঞ্চা তপ জপ সৱে মিছা
আউৰ ধৰ্ম্ম নাহি সংসাৰত।।৪২২।।
স্বপ্নতো তোহ্মাৰ মতি পাপত নাহিকৈ ৰতি
পৰম বৈষ্ণৱ ৰাজঋষি।
আত মই মৰো মৰ্ম্মে মহা যজ্ঞে দান ধৰ্ম্মে
সহায় নভৈল কেহো আসি।।
হেন শুনি নৃপবৰ শোকে দহে কলেৱৰ
কান্দিল শৈৱ্যাৰ গলে ধৰি।

গড়াগড়ি পৃথিৱীত কতো বেলি ধৰি চিত
সান্ধুকিলা ৰাজা পটেশ্বৰী।।৪২৩।।
যিমতে চাণ্ডাল ভৈলা ভাৰ্য্যাত সকলে কৈলা
নিশ্বাস তেজিয়া নৃপবৰ।
শৈব্যায়ো কহিলা তাপে যেনমতে খাইলা সাপে
যেনমতে মৰিল কুমাৰ।।
নৃপতি বোলন্ত প্ৰিয়া নসহে আমাৰ হিয়া
আপদৰ নেদেখোহো পাৰ।
কেৱলেসে আছে প্ৰাণ নষ্ট ভৈল শ্ৰুতিজ্ঞান
দশোদিশ দেখো অন্ধকাৰ।।৪২৪।।
দুখ ভুঞ্জি নপাওঁ ওৰ মৰণৰ পৰে মোৰ
উপায় নেদেখো মই আন।
কিন্তু মই পৰাধীন চাণ্ডালৰ ধাৰো ঋণ
কেনমতে এড়ো আৰে প্ৰাণ।।
চাণ্ডালত নুসুধিয়া যেৱে মই মৰো গৈয়া
জলত বহ্নিত কৰি জাস।

নৰকত কাল খপি উপজিয়া পুনৰপি

এহি চাণ্ডালৰ হৈবো দাস।।৪২৫।।

অনেক যাতক পাইবো ৰৌৰব্র নৰকে যাইবো

ছেদিবেক অসি পত্র বনে।

হাতে ভৰি বান্ধি নিয়া মাথাত কৰত দিয়া

ছিড়িবেক যম দূতগণে।।

যতেক নৰক আছে সব্রাহাঙ্কে ভুঞ্জি পাছে

চাণ্ডালৰো হইবো অধিকাৰ।

এব্রে কোন বুদ্ধি কৰো কিবা জীওঁ কিবা মৰো

চিন্তা সাগৰৰ নপাওঁ পাৰ।।৪২৬।।

শুনা বান্ধে মহাদই পুত্রৰ সন্তাপে মই

জীব্রাক নাহিকে মোৰ মতি।

নৰককো দেওঁ পিটি মৰিবোহো নিষ্টে নিষ্টি

পাছে যেন লাগে হৌক গতি।।

চৌৰাশী নৰক ঘোৰ পুত্রৰ সন্তাপে মোৰ

কেহো নুহি কহিলো সাক্ষাত।

যাৰ গাৱ ভৈল তাপ সি কি আৰো চাবৈ পাপ

যেনেতেনে কৰে আত্মঘাত।।৪২৭।।

একনে সাজিবো চিতা পু ত্রক তুলিয়া তথা

জ্বালিবো অগনি যত্ন কৰি।

প্ৰাণকো এড়িবো আশ বহ্নিত কৰিবো জাস

পুত্ৰৰো লগতে যাইবো মৰি।।

নবাধিবা বান্ধে মোক এড়াওঁ ইটো মহাশোক

আপোনাৰ কৰো আজি কাল।

এহি বুলি ৰাজা কান্দি ভাৰ্য্যাক গলত বান্ধি

আধোমুখ ভৈলা মহীপাল।।৪২৮।।

নমো নমো জগন্নাত ভূমিত নমায়া মাথ

চৰণত কৰো নমস্কাৰ।

কৃষ্ণ পদ প্ৰসাদত সিদ্ধি হৌক অভিমত

পদ হৌক অশেষ প্ৰচাৰ।।

কায়স্থ শঙ্কৰ কবি কৃষ্ণৰ চৰণ সেৱি

ছবি পদচয় নিগদতি।

শুনিয়োক সৰ্ব্বলোক                বৈকুন্ঠক চলিয়োক

হৰি হৰি বুলিয়া সম্প্ৰতি।।৪২৯।।

।।পদ।।

পক্ষীগণে বোলে মুনি শুনা আত পৰে।

কতো বেলি সন্ধুকিয়া ৰাজা অনন্তৰে।।

উঠিয়োক প্ৰিয়া আৰে শোক পৰিহৰি।

ব্ৰাহ্মণৰ গৃহক তলিয়ো প্ৰাণেশ্বৰী।।৪৩০।।

ধন দি কিনিলা দাসী ভৈলা মহাদই।

কেনমতে ব্ৰহ্মস্বক শুজিবা বান্ধই।।

ঘোৰ ব্ৰহ্মস্বক সুমৰন্তে লাগে ত্ৰাস।

আছোক আহ্মাক গহিবেক আশা পাশ।।৪৩১।।

যিবা জনে খায় বিষ তাকে মাত্ৰ মাৰে।

ব্ৰহ্মস্বে দগধ কৰে পুত্ৰ পৰিবাৰে।।

আছো আন ব্ৰাহ্মণৰ হৰৈ তিল কুস।

দৰব্বাৰ ব্ৰহ্মস্বে দহে এক্যৈস পৰু।।৪৩২।।

চাণ্ডালৰ অন্যস্বক মোৰ নাহি ডৰ।

ইহাক বঞ্চিলে নষ্ট হুইবো একেশ্বৰ।।

ব্ৰাহ্মণৰ ব্ৰহ্মস্বে সবংশে যাইবো তল।
হেন জানি বান্ধে সত্বৰ কৰি চল।।৪৩৩।।
কদাচিতো ব্ৰাহ্মণক নুবুলিবা খৰ্ব্ব।
আউৰ ৰাজভাৰ্য্যা হেন নকৰিবা গৰ্ব্ব।
আঠো অঙ্গ মাৰি দাসী ভাৱে নিবা কাল।
দেৱ হেন বুলি লৈবা ব্ৰাহ্মণৰ আল।।৪৩৪।।
উপদেশ বাণী প্ৰাণেশ্বৰী তই শুন।
মোৰ মুখে কতেক বৰ্ণাইবো তোৰ গুণ।।
তই হেন ভাৰ্য্যা পাইলো কত জন্ম ভাগে।
তোহোৰ কথাক আৱে কি কহিবে লাগে।।৪৩৫।।
কৰ্ম্ম সময়ত তোক মন্ত্ৰী বুলি লেখি।
ৰঙ্গৰ বেলাত যেন তই প্ৰাণসৰী।।
স্নেহৰ প্ৰস্তাবে তই মাতৃ যেন ঠান।
শয়ন বেলাত তই দাসীৰ সমান।।৪৩৬।।
কত তপসাই পাইলো তই হেন ভাৰ্য্যাক।
আতি অল্পকালে বিধি দণ্ডিলে আহ্মাক।।
কৰিবে নপাইলে অযোধ্যাত সুখ ভোগ।
আজি হন্তে তোৰ মোৰ মিলিল বিয়োগ।।৪৩৭।।

কেলি কৌতূহলে াছিলিহি মোৰ পাশ।
ক্রীড়াত কৰিলো তোক যিবা পৰিহাস।।
যেন তোত সাধো তাত নধৰিবি দোষ।।৪৩৮।।
আজি পৰিচ্ছেদা তোৰ মোৰ দেখাদেখি।
ইজন্মক লাগি মোক মিলি চোৱা আঁখি।।
থাকিয়োক বান্ধে মাতি যাওঁ যনপুৰ।
পুত্ৰৰ আশাক আজি হন্তে কৰ দূৰ।।৪৩৯।।
শুনি মদাদইৰ ভৈল অন্তৰীক্ষ প্ৰাণ।
কতো বেলি শৰীৰত নাছিলন্ত জ্ঞান।।
নসহে হৃদয় শোকে পোৰৈ ভকভকি।
স্বামী আগে পড়িয়া কান্দয় মকমকি।।৪৪০।।
বজ্ৰ হেন বাণী কেনে বুলিলা নগুণি।
তুমিও জানিলা মই হেন নিদাৰুণী।।
ধৰিবে কি আপো প্ৰাণ পতি পুত্ৰ শোকে।
এত কদৰ্থনা কেনে কৰিলাহা মোকে।৪৪১।।
দণ্ডকো নেদেখি মোক নাছিল নিৰাস।
মৰণ বেলাত কেনে এৰিবাক চাস।।
হেনয় নিষ্ঠুৰ বাণী বোলা কোনসতে।

আজিসে হৃদয় বিদাৰিলা কৰব্ৰতে।।৪৪২।।
স্ত্ৰীজাতি ভৈলে তাৰ স্বামী জীৱে প্ৰাণ।
স্বামীয়ে দেৱতা যত তপ জপ ধ্যান।।
হেন স্বামী মৰিলে যি জনী নমৰয়।
বজ্ৰতো অধিক দেখো তাইৰ হৃদয়।।৪৪৩।।
দণ্ডেকো নিজীবো প্ৰভো তুমি অবিহনে।
কুল৭ণী বিধৱাৰ কি কৰে জীৱনে।।
মই নেৰোঁ তথাপিতো প্ৰাণ যাই এৰি।
কোনসতে বহিবোহো ব্ৰাহ্মণৰ ছেড়ী।।৪৪৪।।
সহগামী যাওঁ কৰষ্মে যেন যুৱাই হোক।
ধৰিবেক নুৱাৰো দুষ্মহ দুখ শোক।।
হেন জানি প্ৰভো আৰ নকৰা নৈৰাশ।
তোহ্মাৰ লগতে অগনিত কৰো জাস।।৪৪৫।।
ৰাজা বোলে বান্ধে তভো এতে বোল বাণী।
অগনিত পড়িয়া মৰিবো তিনি প্ৰাণীষ।।
উৰ্ঠিলন্ত ৰাজা এহি দিয়া সমিধান।
গঙ্গাতীৰে নিৰম্মি বহল চিতাখান।।৪৪৬।।
কৰন্ত সত্বৰ আতি মৰিবাক লাই।

আনিল সুখান কাষ্ঠচয় মহাৰায়।।
কেতিক্ষণে প্ৰাণ যাইব চিতে উত্ৰাৱলে।
স্নানিলন্ত গৈয়া দুয়ো নামি গঙ্গাজলে।।৪৪৭।।
মৃতক পুত্ৰৰ গাৱ ধুৱাইলন্ত আনি।
গঙ্গাক নমিয়া উঠিলন্ত দুয়ো প্ৰাণী।।
পুত্ৰক চিতাত তুলি লগাইলন্ত জুই।
কৃষ্ণক নমিলা পাছে কৃতাঞ্জলি হুই।।৪৪৮।।
কৰযোড়ে অগ্নিক কৰিলা প্ৰদক্ষিণ।
বিষ্ণুক চিন্তিয়া দুয়ো বৈলা বয়হীন।।
প্ৰাণত নিস্নেহ হুয়া কৰি মন সাস।
হৰি হৰি বুলিয়া বহ্নিত দিলা জাস।।৪৪৯।।
উঠলিয়া গৈল বহ্নি গগন শিখৰ।
নেদেখিয় তিনিয়ো প্ৰাণীৰ কলেৱৰ।।
দশোদিসে ৰোল উঠলিল হাহাকাৰ।
হা মহৰাজা পুৰি ভৈল চাৰখাৰ।।৪৫০।।
অশেষ প্ৰশংসা কৰে স্বৰ্গৰ দেৱতা।
সাধু হৰিশ্চন্দ্ৰ সাধু শৈব্যা পতিৱ্ৰতা।।
বৰষিল অসংখ্যাত কুসুম সুৰভি।

অন্তৰীক্ষ ঢাকি বাবে দেৱৰ দুন্দুভি।।৪৫১।।
পুণ্যৰ প্ৰভাৱে বহ্নি ভৈলা সুশীতল।
দহিলন্ত মাত্ৰ সৱে শৰীৰৰ মল।।
গুচিল কুবেশ তাসম্বাৰ কলেৱৰ।
প্ৰকাশয় যেহেন নির্ম্মল শশধৰ।।৪৫২।।
সেহিবেলা ধর্ম্ম ইন্দ্ৰ বিশ্বামিত্ৰ ঋষি।
কৰিলন্ত নৃপতিক প্ৰশংসা হৰিষি।।
দন্য ধন্য হৰিশ্চন্দ্ৰ বৰ যস পাইলি।
আথে বেথে বহ্নিক নিমাইল পানী ঢালি।।৪৫৩।।
বাৱে বিদ্যাধৰে অপেস্বৰা কৰে নৃত্য।
ইন্দ্ৰদেৱে শৰীৰত সিঞ্চিল অমৃত।।
জীলা ৰোহিতাশ্ব তৈত উঠিয়া বসিলা।
দেখি ৰাজা আনন্দে পুত্ৰক আলিঙ্গিলা।।৪৫৪।।
হৃদয়ত সাৱটি কৰিল শিৰ ঘ্ৰাণ।
আঠ গুণ তেজ দশ গুণে ভৈলা প্ৰাণ
সাৱটিলা আনন্দে পুত্ৰক শৈব্যা শান্তী।
মিলিল উৎসৱ সৱে খণ্ডিলা দুর্গতি।।৪৫৫।।
আপুনি পিন্ধাইলা ইন্দ্ৰদেৱে অলঙ্কাৰ।

দেৱাঙ্গ বসন মনুষ্যত অপ্রচাৰ।।

দিব্য পুষ্প চন্দন ভূষিত কলেৱৰ।

বৈল হৰিশ্চন্দ্ৰ যেন দুতি পুৰন্দৰ।।৪৫৬।।

অপেশ্বৰাগণে আসি শৈব্যাক বেঢ়িল।

দিব্য বস্ত্ৰ অলঙ্কাৰে শৰীৰ মণ্ডিল।।

পাৰিজাত সিঞ্চল উজ্জ্বল বৈল কান্তি।

কৰিলা দীপিতি আতি শৈব্যা মহাশান্তি।।৪৫৭।।

কুমাৰক পিন্ধাইলেক দিব্য অলঙ্কাৰ।

খণ্ডিলা আপদ বিলি দিলন্ত জোকাৰ।।

গাৱে বাৱে বিদ্যাধৰ নাচে অপস্বৰা।

সিদ্ধগণে প্ৰশংসন্ত আকাশৰ পৰা।।৪৫৮।।

গন্ধৰ্ব্বে কৰিলা আতি দুন্দুভি সম্বাদ।

নাৰদ প্ৰমুখে ঋষি দিলা আশীৰ্ব্বাদ।।

ধন্য হৰিশ্চন্দ্ৰ যস কৰিলা প্ৰখ্যাত।

এহি বুলি শিৰত সিঞ্চিলা পাৰিজাত।।৪৫৯।।

ধৰ্ম্মে আসি বোলন্ত নৃপতি উঠ উঠ।

আমি ধৰ্ম্ম ইন্দ্ৰ তযু কৰম্মে ভৈলো তুষ্ট।।

দিব্য বিমানত আসি চলিয়ো সম্প্ৰতি।

সসৰীৰে স্বগক চলিয়ো মহামতি।।৪৬০।।

বাসৱ বদতি শুনা হৰিশ্চন্দ্ৰ ৰায়।

মোৰ তাপে তোহ্মাৰ নিৰ্ম্মল ভৈল কায়।।

আগ বঢ়াইবাক আসিয়াছো দেৱবৰ্গ।

ভাৰ্য্যা পুত্ৰ সমন্বিতে চলিয়োক স্বৰ্গ।।৪৬১।।

আউৰ পৃথিৱীত থাকিবাক নাহি যোগ্য।

দেৱগণ সহিতে ভুঞ্জিয়ো দেৱ ভোগ্য।।

মনুষ্য দুৰ্ল্লভ দিব্য বিমানত চড়ি।

বিলম্ব নকৰি শীঘ্ৰে স্বৰ্গে যাহা লৰি।।৪৬২।।

শুনি নৃপতিৰ মনে আনন্দ লাগিল।

এড়াইলন্ত ক্লেশ যেন নিদ্ৰাৰ জাগিল।।

ভাৰ্য্যাৰ সহিতে ৰঙ্গে চালিলন্ত গাৱ।

ধৰ্ম্ম ইন্দ্ৰ দুইহন্তৰো নমিলন্ত পাৱ।।৪৬৩।।

কৰযোৰ কৰিয়া বোলন্ত নৃপবৰ।

হৃদয়ৰ কথা শুনা ধৰ্ম্ম পুৰন্দৰ।।

ভাৰ্য্যাক বিকিলো মই ব্ৰাহ্মণৰ ঘৰে।

আপুনিয়ো দাস মই ভৈলো চাণ্ডালৰে।।৪৬৪।।

যাৱদেকে তাসম্বাৰ নপাওঁ অনুমতি।

কেনমতে আহ্মাৰ হৈবেক স্বৰ্গে গতি।।
ধৰ্ম্মে বুলিলন্ত ৰাজা জানা নিষ্ট কৰি।
মইসে আছিলো চাণ্ডালৰ ৰূপ ধৰি।।৪৬৫।।
পুৰ্ব্ব জনমৰ কৰ্ম্ম লিখিত কপাল।
তোহ্মাৰ হুইবাক লাগে অৱশ্যে চাণ্ডাল।।
ময়ায়ে ভুঞ্জাইলো ইটো কৰ্ম্ম ভৈল ক্ষয়।
নকৰিবা কষ্ট ৰাজা এৰিয়ো সংশয়।।৪৬৬।।
বাসৱে বোলন্ত মই আছিলো ব্ৰাহ্মণ।
ভাৰ্য্যা পুত্ৰ তোহ্মাৰ কিনিয়া দিলো ধন।।
পৰীক্ষিলো আপুনি যতেক তপধৰ্ম্ম।
এৰিয়োক চিন্তা ৰাজা নকৰিবা মৰ্ম্ম।।৪৬৭।।
শুনি নৃপতিৰ ভৈলা হৰিষ অশেষ।
মায়া জানি গুচিল মনৰ যত ক্লেশ।।
ইন্দ্ৰক বোলন্ত শুনিয়োক দেৱৰাজ।
আৰো এক গোটা মোৰ আছে মুখ্য কাজ।।৪৬৮।।
অযোধ্যাৰ প্ৰজা মোৰ যেন পুত্ৰ ভাই।
মই এৰিলাতে সৱে মৃতক পৰায়।।
তাসম্বাক চাহিবে মোৰ মন আছে।

প্ৰবোধিয়া প্ৰজাক স্বৰ্গক যাইবো পাছে।।৪৬৯।।
মই সিটো লোকৰ সম্যক জীৱ প্ৰাণ।
তাত পৰে মোহোৰ বান্ধৱ নাহি আন।।
তাসম্বাক নেদেখি স্বৰ্গত হৈবে দুখ।
দিয়ো অনুমতি মই দেখো প্ৰজা মুখ।।৪৭০।।
বাসৱে বোলন্ত এহি হোক নৃপবৰ।
বিমানত চড়ি যায়ো অযোধ্যা নগৰ।।
আপোন ইচ্ছায়ে কৰা প্ৰজাক আশ্বস।
পাছে মহা ৰঙ্গে চলা দেৱৰ নিৱাস।।৪৭১।।
হেন শুনি নৃপতিৰ হৰিষ মনত।
ভাৰ্য্যা পুত্ৰ সমে আৰোহিলা বিমানত।।
নানাবিধ দেৱ বাদ্য বাজে আগে পাছে।
গন্ধৰ্ব্বে যোগায় গীত অপেস্বৰা নাচে।।৪৭২।।
বাৱে বিদ্যাধৰগণে আগত মৃদঙ্গ।
পুষ্প বৰষিয়া সিদ্ধগণে কৰে ৰঙ্গ।।
বামে শৈব্যা পটেশ্বৰী কোলাত কুমাৰ।
চলি গৈলা হৰিশ্চন্দ্ৰ দুতি পুৰন্দৰ।।৪৭৩।।
চড়ি বিমানত আতি ছানিয়া আকাশ।

দ্বিতীয় আদিত্য যেন কৰয় প্ৰকাশ।।
দশোদিশ উথলি দুন্দুভি বাদ্য বাজে।
ঊৰ্দ্ধ দৃষ্টি সচকিতে চাৱঁে সামৰাজে।।৪৭৪।।
ক্ষণেকে পাইলন্ত গৈয়া অযোধ্যা নগৰী ।
স্তম্ভিলা বিমান পাছে আকাশ আৱৰি।।
নানাবিধ দেৱবাদ্য শৱদ তুম্বুল ।
দেখিয়া লোকৰ ভৈলা মনত আকুল ।।৪৭৫।।
ঊৰ্দ্ধ দৃষ্টি সচকিতে চাৱে সৱে প্ৰজা ।
দেখে বিমানত আছে হৰিশ্চন্দ্ৰ ৰাজা ।।
কোলাত কুমাৰ বামে শৈব্যা পটেশ্বৰী ।
শতগুণে জ্বলৈ কান্তি এদিনাতো কৰি ।।৪৭৬।।
ৰাজাক দেখিয়া বৈলা হৰিষ প্ৰজৰ।
শুভশুভ বুলি সৱে দিলেক জোকাৰ।।
লৰড়া লৰড়ি ৰঙ্গে কৰে হুলস্থূলি।
নাৰীগণে জুমে জুমে পাৰয় উৰুলি।।৪৭৭।।
আৱসে আম্ভাৰ সৱে খণ্ডিল ললাট।
এহি বুলি প্ৰজা সৱে ছানি আসে বাট।।
ৰাজাক দেখিতে সৱে ব্যাকুল স্বভাৱ।

দেকি নৃপতিয়ো নামি ভৈলা ভূমি পাৰ।।৪৭৮।।

যেন পিতা পুত্রে কতো কালে এক ঠাই।
গুচিল বিয়োগ আনন্দৰ সীমা নাই।।
সিঞ্চে দুৰ্ব্বাক্ষত সৱে ৰাজাক আৱৰি।
হৰিষতে কান্দে কতো হাতে পাৱে ধৰি।।৪৭৯।।

আজিসে আহ্মাৰ ভৈল মানস উদ্ধাৰ।
আজি সুপ্রসন্ন ভৈল বিধাতা আহ্মাৰ।।
আজিসে জানিলো বজ্র গুচাইলন্ত বিধি
দুনাই হাত মেলি পাইলো হাৰাইবাৰ নিধি।।৪৮০।।

বাৰ্ত্তাকো নপাইলো প্রভু গৈলা কোন ঠান।
তোহ্মাক নেদেখি যেন ফুটি যায় প্রাণ।।
আজিসি জুৰাইল হিয়া বোলৈ প্রজাগণে।
তোহ্মাৰ কমল মুখ পিয়োহো নয়নে।।৪৮১।।

হেন দেখি নৃপতিৰ পালটিল মন।
কোনসতে এৱে এৰি যাইবো প্রজাগণ।
মনে বিমৰিষি হৰিশ্চন্দ্র নৃপবৰ।
কৰযোৰে বাসৱক দিলন্ত উত্তৰ।।৪৮২।।

দেৱৰাজ তোহ্মাক কৰোহো নমস্কাৰ।

হাতযোড়ে বোলো শুনা বচন আহ্মাৰ।।
অযোধ্যাৰ লোকৰ আমিসে সৱে প্ৰাণ।
মোক বিনা সোপনতো নিচিন্তয় আন।।৪৮৩।।
দেৱতো পিতৃত কৰি আহ্মাত ভকতি।
তাসম্বাক এৰিবাক নাহিকে শকতি।।
স্বৰ্গ লাগি গৈলে মই পাইবো উপতাপ।
বকতক পৰিত্যাগ হোৱে মহাপাপ।।৪৮৪।।
হেন প্ৰজাগণ এৰি যাইবো স্বৰ্গ লোভে।
প্ৰজায়ে সহিতে মোক নৰকত শোভে।।
যাহাৰ নিমিত্তে মই বোলাওঁ মহাৰাজ।
হেন প্ৰজা এৰিয়া স্বৰ্গত নাহি কাজ।।৪৮৫।।
একবাক্য বোলো ইন্দ্ৰ হোৱা সাৱধান।
যেৱে তপ যপ কৰি আছো কিছো দান।।
যেৱে মহাযজ্ঞ মোৰ ভৈল স্বৰূপত।
যিবা পুণ্যে চিৰকাল থাকিবো স্বৰ্গত।।৪৮৬।।
প্ৰজাৰ নিমিত্তে মই কৰিলো উৎসৰ্গ।
মোৰ পুণ্যে প্ৰজাৰ সহিতে যাইবো স্বৰ্গ।।
ইন্দ্ৰক শুনায়া ৰাজা বুলি এহি বাণী।

তিল কুশ আনি উৎসৰ্গিয়া দিলা পানী।।৪৮৭।।
গুৰুবধ ব্ৰহ্মবধ যিবা জনে কৰে।
গৰু মাৰে ব্ৰাহ্মণৰ সুৱৰ্ণক হৰে।।
গুৰুদাৰা হৰে আৰো কৰে সুৰাপান।
ভকতক ত্যাগে নোহে তত্তুল্য সমান।।৪৮৮।।
পৰম ভক্তক যিটো এৰে দুৰাচাৰ।
ইহ পৰকালে দুখ নুগুচে তাহাৰ।।
হেন জানি কিঞ্চিতেকো নেৰিবো প্ৰজাক।
যায়োক স্বৰ্গক ইন্দ্ৰ এৰিয়ো আম্মাক।।৪৮৯।।
মোহোৰ লগতে যেৱে যাইৱে প্ৰজাবৰ্গ।
দেৱৰাজ জানিবা তেৱেসে যাইবো স্বৰ্গ।।
প্ৰজাৰ লগতে নৰকত হৌক বাস।
প্ৰজাক এৰিবে মোৰ নাহি অভিলাষ।।৪৯০।।
বাসৱে বোলন্ত শুনিয়োক মহাৰাজ।
ভিন্নে ভিন্নে পাপ পুণ্য কৰিয়াছে প্ৰজা।।
একেলগে কিমতে কৰিবা উপভোগ।
কেনে হেন বোলা তুমি বচন অযোগ্য।।৪৯১।।
তুমি কৰি আছা মহাযজ্ঞ ৰাজসয়।

চিৰকাল স্বৰ্গত থাকিবা দেৱ হুই।।
আপোনাৰ কৰ্ম্মকেসে ভুঞ্জিবাক পায়া।
কেনমতে প্ৰজাসমে হুইবা একঠাই।।৪৯২।।
হৰিশ্চন্দ্ৰ বদতি শুনিয়ো দেৱৰায়।
যেনমতে আহ্মাৰ হিয়াৰ অভিপ্ৰায়।।
যতেক সিজিল কৰ্ম্ম প্ৰজাৰেসে বলে।
প্ৰজা যেৱে নাহি কিবা কৰিবো একলে।।৪৯৩।।
পুৰাণ কাহিনী শুনা সভাসদ যত।
বৈষ্ণৱৰ দেখা কেনে কৃপাৰ মহত্ব।।
আপোনাৰ পুণ্য দিয়ো প্ৰজাক পালয়।।
তপ জপ যজ্ঞ দান যতেক আছয়।।
জগতৰ পুণ্যমানে জানা নিষ্ঠ কৰি।
প্ৰাণী উপকাৰৰ অল্পকো নুহি সৰি।।
হেনজানি প্ৰাণীক অভয় দিয়া দান।
বোলা হৰি হৰি পাইবা বৈকুণ্ঠত থান।।৪৯৫।।

।।দুলড়ী।।

এতেক বচন শুনিয়া ৰাজাৰ

আছিল যতেক পুণ্য।
উৎসর্গি দিবাৰ ফলে তেতিক্ষণে
ভৈলা সহস্রেক গুণ।।
ধৰ্ম্ম ইন্দ্রদেৱে ধন্য ধন্য বুলি
পুষ্প বৰিষিলা মাথে।
আকাশ চানিয়া দুন্দুভি সম্বাদ
কৰন্ত দেৱৰ নাথে।।৪৯৬।।
বাৱে বিদ্যাধৰে গন্ধৰ্ব্বে গাৱয়
অপেশ্বৰাগণে নাচে।
সিদ্দ মুনি সৱে প্রশংসা কৰন্ত
আনো যত দেৱ আচে।।
সেহি বেলা ইন্দ্র দূত পঠাইলন্ত
গৈলা অম্রাৱতী থান।
স্বৰ্গ হন্তে আসি গুৰিতে আসিলা
অসংখ্য কোটি বিমান।।৪৯৭।।
স্বৰ্গক ছাড়িয়া নামিলা ভূমিত
যেন সূৰ্য্য অসংখ্যাত।
অমৃত সমান যত উপভোগ্য

বাঞ্ছিলে মিলয় তাত।।

সুৱৰ্ণ কিঙ্কিণী বাজৈ ৰিণি জিনি

দিব্য ৰত্নে পাৰৈ ঝিকি।

জল থল জুৰি ৰহিল বিমান

অযোধ্যা নগৰ ঢাকি।।৪৯৮।।

বাসৱে বোলন্ত ধন্য হৰিশ্চন্দ্ৰ

সূৰ্য্যবংশী মহৰায়।

যেহি মনে বাঞ্ছা সেহি সিদ্ধি ভৈল

আৰো আছা কেনে চাই।।

যাক মন আৱে তাকে লগে লৱা

বিমানে চাড়োক আসি।

সৃষ্টি থাকে মানে ৰ হিল তোহ্মাৰ

ইটো মহা যশৰাশি।।৪৯৯।।

এতেক বচন শুনি নৃপতিৰ

হৰিষ ভৈলা আশেষ।

সমস্তে প্ৰাণীক আপুনি মাতিয়া

কৰিলা ৰাজা আদেশ।।

অযোধ্যা নগৰে যত লোক আছা

সব্বে বিমানত চড়া।

সপুত্র বান্ধৱে স্বৰ্গক লাগিয়া

আমাৰ লগতে লৰা।।৫০০।।

যত গজ বাজী মহিষ মেথন

গৰ্দ্দভ ছাগল গৰু।

কুকুৰ বিড়াল হংস পাৰাৱত

যত তৃণ বন তৰু।।

পতঙ্গ পৰ্য্যন্তে যত জীৱ জন্তু

মোৰ অযোধ্যাত আছে।

বিমানে চড়িয়া আগতে চলোক

মঞি যাইবো সৱাতে পাছে।।৫০১।।

ৰাজাৰ বচন শুনিয়া লোকৰ

আনন্দৰ নাহি পাৰ।

স্বৰ্গক যাইবাক লাগি উসমিস

ভৈলেক সৱে প্ৰজাৰ।।

লৱৰা লৱৰি ৰিঙ্গাৰাৱ কৰি

গই হোৱৈ এক ঠাই।

আথেবেথে দিব্য বিমানক বাছি

লৱৈ ভাল ভাল চাই।।৫০২।।

আপুন গৃহৰ দুৱাৰক লাগি

লৈ যান্ত আপুনি ধৰি।

আশে পাশে সৱে সৰ্ব্বস্ব তোলয়

ছাগ গৰু আদি কৰি

সৱান্ধৱে পাছে বিমানত চড়ি

পিন্ধে দিবৈ অলঙ্কাৰ।

দেৱাঙ্গ বসন গাৱত চড়াৱৈ

গন্ধে পুষ্পে জাতিষ্কাৰ।।৫০৩।।

দিব্য ৰত্নময় আসনে উঠিয়া

বসয় ইচ্ছা সুখদে।

দিব্য মালা যত পৰিধান কৰে

যোগাৱৈ পঞ্চ শৱদে।।

যত দেৱ ভোগ্য ভুঞ্চৈ সবান্ধৱে

মিলিল কৰ্ম্মৰ ভোগ।

বিমানত চুড়ি আকাশৰ পথে

নৃপতিৰ লৱে লাগ।।৫০৪।।

এহিসতে প্ৰজা- গণে বিয়াপিল

অন্যো অন্য ৰঙ্গে হাসি।
যত জীৱ জন্তু বিমানে চড়িয়া
পিপৰা পৰ্য্যন্তে আসি।।
সৱাকো নৃপতি লগতে লৈ যান্ত
যত বৃক্ষ লতা বন।
ভূমিক ছাড়িয়া সৱে আলগিল
অযোধ্যা ভৈল উচ্ছন্ন।।।।৫০৫।।
সৱাৰো মাজত জ্বলন্ত নৃপতি
দিব্য বিমানত বসি।
তাৰাৰ মধ্যত উদিত ভৈলন্ত
যেন পূৰ্ণিমাৰ শশী।।
মনুষ্যৰ চেষ্টা গুচিল সৱাৰো
দেৱৰ যেন স্বভাৱ।
জগতে আশ্চৰ্য্য ভৈল নৃপতিৰ
দেখিয়া পূণ্য প্ৰভাৱ।।৫০৬।।
ইন্দ্ৰৰ আদেশ চড়িল বিমান
গগণ মণ্ডলে ঢাকি।
অসংখ্যাত কোটি কিঙ্কিণী বাজয়

দুন্দুভি শব্দ জাকি।।

আনো নানা বিধ বাৱে দেৱবাদ্য

করে মহানৃত্য গীত।

দেৱতাৰ শ্ৰীক লভিয়া প্ৰজাৰ

আনন্দে নধৰে চিত।।৫০৭।।

সবাৰে মাজত উজ্বল বিমান

কৈলাস সম মন্দিৰে।

দিব্য সিংহাসনে বসিয়া নৃপতি

চলি যান্ত ধীৰে ধীৰে।।

ইন্দ্ৰৰ যতেক পাৰিষদ আছৈ

মিলিল ৰাজাতে আসি।

আনন্দিত চিত্তে ভাৰ্য্যাৰে সহিতে

ক্ৰীড়া কৌতূহলে হাসি।।৫০৮।।

নানা বীণা বেণু মৃদঙ্গ বজাৱে

গন্ধৰ্ব্বে গাৱয় গীত।

মুখ্য মথ্য অপে- স্বৰাগণে কাছি

আগত কৰয় নৃত্য।।

কতো যোগাৱয় কৰ্পূৰ তাম্বুল

কতো ঝাণ্টে হাত ভৰি।
কতো দুয়োপাশে চামৰে ঢুলয়
মাথে শ্বেতছত্ৰ ধৰি।।৫০৯।।
অমৃত প্ৰভূতি যত দেৱ ভোগ
আগতে যোগাৱৈ আনি।
সিদ্ধ মুনিগণে উপাসি যাহন্ত
বোলন্ত প্ৰশংসা বাণী।।
হেন মহাৰাজ নভৈল নুহিব
আউৰ পৃথিৱীৰ মাজে।
কৈত শুনি আছি মনুষ্য শৰীৰে
স্বৰ্গে যায় সামৰাজে।।৫১০।।
এহিমতে ৰাজা আনন্দ উসৱে
পাইলন্ত স্বৰ্গৰ কোল।
নৃপতিক দেখি স্বৰ্গবাসী লোকে
কৰে জয় হৰি ৰোল।।
সাধু সাধু হৰি- শ্চন্দ্ৰ নৃপবৰ
জগত ব্যাপিল যশে।
যাৱে চন্দ্ৰসূৰ্য্য থাকিল খিয়াতি

প্ৰশংসে বেড়ি ত্ৰিদশে।।৫১১।।

হৰিশ্চন্দ্ৰ ৰাজা মহা পুণ্য বলে

প্ৰজাক নিলে উদ্ধাৰি।

নগৰ আকাৰ কৰিয়া বিমান

থাপিলন্ত শাৰী শাৰী।।

যাক যেন যোগ্য বসাইলা স্বৰ্গত

ৰৈলা কত দুৰ জুৰি।

অদ্যাপি স্বৰ্গত দেখিয় প্ৰত্যেক

নামে হৰিশ্চন্দ্ৰ পুৰী।।৫১২।।

সবাৰো মাজত যেন মৰুগিৰি

ৰাজাৰ বিমান জ্বলৈ।

ইন্দ্ৰতো অধিক শ্ৰীমন্ত ভৈলন্ত

প্ৰতাপে সূৰ্য্যতো বলৈ।।

পুণ্যৰ প্ৰভাৱে যতেক ত্ৰিদশে

উপাশে ৰাজাক আসি।

এহিমতে হৰি- শ্চন্দ্ৰ থাকি গৈল

সমস্ত স্বৰ্গ প্ৰকাশি।।৫১৩।।

ৰাজৰ পুণ্যৰ সমৃদ্ধি দেখিয়া

শুক্রে বুলিলন্ত গুণি।

হেন ক্ষমাধৰ্ম্ম দানৰ মহত্ব

নৈয়ো দেখি নতো শুনি।।

ৰাজাৰ লগত সমস্ত অযোধ্যা

আসি পাইলা স্বৰ্গস্থান।

ধৰ্ম্মৰ প্ৰবাৰে হৰিশ্চন্দ্ৰ পুৰী

ভৈগৈল স্বৰ্গ সমান।।৫১৪।।

নমো হৰি পদ পঙ্কজ যুগল

যাক যোগী কৰে ধ্যান।

শঙ্কৰ বদতি ভৈল সমাপতি

হৰিশ্চন্দ্ৰ উপাখ্যান।।

কৃষ্ণৰ চৰণ সংসাৰ তৰণ

প্ৰণামো সহস্ৰ বাৰ।

কৃষ্ণৰ কিঙ্কৰে ভণিলা শঙ্কৰে

দুলড়ী ছবি পয়াৰ।।৫১৫।।

শুনা সৰ্ব্বজন কৰি এক মন

মাধৱত দিয়া মতি।

হৰি বিনে আন মায়াময় জানি

করিয়ো হৰি ভকতি।।

ইটো কলিযুগে নাহি আন গতি

বিনে মাধৱৰ নাম।

হেলা পৰিহৰি পুৰুষ উদ্ধাৰি

ডাকি বোলা ৰাম ৰাম।।৫১৬।।

।।পদ।।

পক্ষীগণ বদতি শুনিয়ো ঋষি সুত।

নৃপতিৰ যত কথা কহিলো প্ৰস্তুত।

তাত পাছে শুনিয়োক অদ্ভুত চৰিত্ৰ।

যেন মতে যুজিলা বশিষ্ঠ বিশ্বামিত্ৰ।।৫১৭।।

যজ্ঞ সাঙ্গ কৰিয়া বশিষ্ঠ ঋষিবৰ।

পশিলন্ত গঙ্গাৰ জলৰ অভ্যন্তৰ।।

একচিত্তে বায়ুক নিৰোধি ধ্যান ধৰি।

বাৢঢ়য় বৎসৰ আছিলন্ত তপ কৰি।।৫১৮।।

উঠিল জলৰ পাছে সমাদিক ত্যাগি।

লৰিলন্ত ৰঙ্গে ঋষি অযোধ্যাক লাগি।।

হৰিশ্চন্দ্ৰ ৰাজাক দেখিবে অভিলাষে।

তপে দেৱ দীপ্যমান শৰীৰ প্ৰকাশে।।৫১৯।।

দিনা কতিপয়ে গৈয়া অযোধ্যাক পাইল।
নেদেখন্ত প্ৰজা নুশুনন্ত মাত বোল।।
চতুৰ্ভিতি চাহি ঋষি যান্ত আগবাঢ়ি।
একো তানে নুশুনন্ত পিম্পৰাৰ সাৰি।।৫২০।।
যত পশু পক্ষী বৃক্ষ লতা তৃণ বন।
একো নেদেখিয়া ভৈলা তবধ নয়ন।।
কিবা বৈলা বুলি তান মনত বিস্ময়।
অযোধ্যাক শূন্য দেকি দগধ হৃদয়।।৫২১।।
হা! হৰিশ্চন্দ্ৰ ৰাজা তুমি গৈলা কই।
কৈক গৈলা ৰোহিতাশ্ব শৈব্যা মহাদৈই।।
বুড়ি গৈল সমূলি হৰাইল যজমান।
কৈক গৈলে পাইবো আৰে যাইবো কোনথান।।৫২২।।
উগুল থুগল চিত্ত কৰৈ উতপাত।
মাটিত বসিয়া ঋষি গালে দিলা হাত।।
নাহি সুখ শান্তি আতি বিহ্বল পৰায়।
যেন ধনী আকুল ধনক হৰুৱাই।।৫২৩।।
সেহি বেলা আসিলা অনেক শিষ্যগণ।
চিৰকালে বশিষ্ঠক বৈলা দৰিশন।।

প্ৰণাম কৰিয়া আসি আগে ভৈলা ঠিৰ।
বশিষ্ঠে বোলন্ত সৱে হোৱা চিৰঞ্জীৱ।।৫২৪।।
তুমি সৱে জানা মোত কহিয়োক কথা।
কোনে অযোদ্যাৰ হেন কৰিল অৱস্থা।
কিবা ভৈল হৰিশ্চন্দ্ৰ প্ৰজায়ে সহিতে।
সত্বৰে কহিয়ো মোত নসহয় চিত্তে।।৫২৫।।
শিষ্যগণ বদতি শুনিয়ো ঋষিবৰ।
বিশ্বামিত্ৰে কৰিলা যতেক আথান্তৰ।।
নৃপতিক ভয় দেখাই দক্ষিণা মাগিল।
ৰাজ্যভাৰ লৈয়া পাছে দেশৰ ডাকিল।।৫২৬।।
তথাপিতো ক্ষমা তান নভৈল মনৰে।
ভাৰ্য্যা পুত্ৰ বিকাইলেক ব্ৰাহ্মণৰ ঘৰে।।
চাণ্ডালত বিকাইলা ৰাজাক ক্ৰুৰমতি।
নৃপতিক নকৰিলা কোননো দৰ্গতি।।৫২৭।।
বিশ্বামিত্ৰ হিতু ৰাজা ভৈলা সৰ্ব্বনাশ।
ভাৰ্য্যায়ে সহিতে অগনিত দিলা জাস।।
দেখি ইন্দ্ৰ নৃপতিৰ চিন্তিলন্ত হিত।
স্বৰ্গক গৈলন্ত ৰাজা অযোধ্যা সহিত।।৫২৮।।

হেময় দাৰুণ দুক শুনিয়া ৰাজাৰ।
ভূমিত পৰিল ঋষি দেখি অন্ধকাৰ।।
হা হৰিশ্চন্দ্র পোস্তা পিতৃ মহাৰায়।
তোৰ অন্ন আস্বাদনে জীলো সৰ্ব্বদায়।।৫২৯।।
পৃথিৱী অনাথ বৈলা তুমি অৱিহনে।
আউৰ মহা যজ্ঞক কৰিব কোনজনে।।
এৱেসে আহ্মাৰ ভৈল সৱে আশা ছেদ।
পাপী বিশ্বামিত্রে কিনো দিলে হৃদি খেদ।।৫৩০।।
মোৰ শত পুত্রক দহিলি একবাৰ ।
তাতো এতমান দুখ নাহিকে আহ্মাৰ।।
ৰাজাক খেদাইলি তই মুনিগোট হুই।
বৃত্রিছেদ কৰি মোৰ গাৱে দিলি জুই।।৫৩১।।
এহি বুলি বশিষ্ঠে ক্রোধত গৈলা জ্বলি।
প্ৰাণৰ বৈৰক আজি পেহ্লাইবো নিঢালি।।
ঘোৰ ব্ৰহ্মদণ্ড গোট হাতে লৈলা তুলি।
খেদি যান্ত বিশ্বামিত্ৰ আশ্ৰমক বুলি।।৫৩২।।
ধূম্রে সমন্বিতে যেন দেখি ব্ৰহ্মকুণ্ড।
দশন কামুৰি ঋষি জঙ্কাৰন্ত মুণ্ড।।

যেন কালান্তক যমে খদি যান্ত জাম্পি।

প্ৰত্যেক ভৰিতে ভূমি যাই কম্পি কম্পি।।৫৩৩।।

কৌশিকৰ আশ্ৰমক পাইলা মহা বেগে।

দেখি বিশ্বামিত্ৰ উঠিলন্ত সেহি ছেগে।।

হাতে ব্ৰহ্মদণ্ড ধৰি ভৈলন্ত সন্ধান।

বশিষ্ঠ দেখিয়া আসি কৰিলা গৰ্জ্জন।।৫৩৪।।

শুন অৰে বিশ্বামিত্ৰ অধম দুৰ্জ্জন।

মোৰ যজমানক কৰিলি তই ছন্ন।।

বৃত্তিচ্ছেদ কৰিলি প্ৰাণত দিলি হাত।

থাক ব্ৰহ্মদণ্ডে কৰো তোৰ কন্ধপাত।।৫৩৫।।

শুনি বিশ্বামিত্ৰ ক্ৰোধে জাজ্বল্য সমান।

চক্ষুপকাই বশিষ্ঠক দিলা সমিধান।।

এবো এদিনাৰ মতে মোক খেদি আইলি।

সেন্ঠৰে নযাইবি আজি আম্মাক জোঙ্কালি।।৫৩৬।।

কাহাৰ আগত আসি কৰ আৰস্ফতি।

থানিতেক থাক আজি ভাঙ্গো আটিমুটি।।

কি মিলাওঁ আজি মোৰ মুনিষাই বুজ।

ত্ৰিদশে দেখক আজি তোৰ মোৰ যুজ।।৫৩৭।।

শুনি বশিষ্ঠৰ কোপে নসহয় প্ৰাণে।
লৱৰন্তে দণ্ডে কোব বৈসাইলা সন্ধানে।।
বিশ্বামিত্ৰে তাক উৰুৱাইলে দণ্ডপাতি।
অন্যো অন্যে কুবাকুবি লগাইলেক আতি।।৫৩৮।।
আন্দোল আন্দোলে ঘনে ঘনে ভূমি লৰে।
থাক থিক কৰিয়া দণ্ডত দণ্ড পৰে।।
অগনি কণিকা নিকালয় জাতজাত।
সম্যকাৰ শুনিয় বজ্ৰত বজ্ৰপাত।।৫৩৯।।
অন্যো অন্যে প্ৰহাৰ কৰন্ত বিপৰীত।
খণ্ড খণ্ড হৈয়া দণ্ড পৰিলা মহীত।।
দুয়ো দুইহান্তক চাই ক্ৰোধ দৃষ্টি কৰি।
দণ্ড বাগি গৈলা দেখি কমণ্ডলু ধৰি।।৫৪০।।
দুয়ো ঋষি তৰ্জ্জি গৰ্জ্জি বোলে শতবাৰ।
হোহ বুলি কমণ্ডলু কৰন্ত প্ৰহাৰ।।
ঠা'কাৰ শব্দ ভৈল দুই দুইতো লাগি।
ভূমিত পৰিল চূৰ্ণীকৃত হুয়া ভাগি।।৫৪১।।
কমণ্ডলু নষ্ট ভৈল ধৰিল চোৱাৰি।
দুয়ো দুইহান্তকো কোব মাৰিল লৱৰি।।

চপ চপ বস্ত্র যেন আছাৰয় ধোৱে।
ফৰফৰ লৰৈ আতি পিঠি ফৰা কোবে।।৫৪২।।
কোবৰ চোতাত গৈলা চোৱৰি উফাৰি।
পাছে দুয়ো ঋষি লগাইলন্ত জৰাজৰি।।
আন্দোল আন্দুলি কৰৈ হাতে হাতে ধৰি।
বগৰা বাগৰি কতো পৃথিৱীত পৰি।।৫৪৩।।
আজোৰা আজোৰি কতো বাহু বাহু চান্দি।
কতো থিয় হুয়া থাকে ভৰি ভৰি ফান্দি।।
ধূলায়ে ধূসৰ যেন দুৰ্জ্জয় দুই মাল।
যি ঠাইত পৰে দুয়ো হৱে ভূমি খাল।।৫৪৪।।
ফোফাৱন্ত দুয়ো ঋষি পীড়িল ভাগৰ।
দুয়ো দুইকো এৰি পাছে ভৈলন্ত আন্তৰ।।
কতো বেলি দুয়ো ঋষি ভৈল সঙ্কুক্ষণ।
কোপ অপমানে দহে বশিষ্ঠৰ মন।।৫৪৫।।
দশন কামুৰি দেন্ত আঙ্গুলিৰ ঠাৰ।
এৱে চণ্ড শাপে তোৰ কৰো প্ৰতিকাৰ।।
মোৰ যজমানক বিকিলি চাণ্ডালত।
ৰাজ্যৰ নিকালি দুখ দিলি নানামত।।৫৪৬।।

অৰে বিশ্বামিত্ৰ কিনো চিন্তিলি অনিষ্ট।
মোৰ শাপে হৈবি বক চটক পাপিষ্ঠ।।
এহি বুলি মৌন হুয়া থাকিলন্ত বসি।
শুনি ক্ৰোধে জ্বলি গৈল বিশ্বামিত্ৰ ঋষি।।৫৪৭।।
মোত যেৱে আছে ঘোৰ তপস্যাৰ বল।
শুন অৰে বশিষ্ঠ তোহোক দিওঁ ফল।।
মোক এৱে শাপি এড়াই যাইবে তোৰ বাপে।
শৰালি চটক তই হৈবি মোৰ শাপে।।৫৪৮।।
দুই দুহান্তক শাপিলন্ত কোপ মনে।
ঘোৰ চণ্ড শাপ আসি মিলিল তেখনে।।
ঋষি গুচি ভৈলা দুয়ো ভয়ঙ্কৰ পখী।
মেৰু মণ্ডলৰ সম দুহান্তক লক্ষি।।৫৪৯।।
শৰালি বশিষ্ঠ ভৈলা বিশ্বামিত্ৰ বক।
ঠোঁট গোট মেলি ঢুকি পাৱন্ত স্বৰ্গক।।
হামিতে গৰ্ভক দেখি পাতাল সমান।
দুহান্তৰ শৰীৰৰ শুনিয়ো প্ৰমাণ।।৫৫০।।
বশিষ্ঠ শৰালি আতি দেখিয় প্ৰচণ্ড।
পাখিৰ চাটতে মেঘ হয় খণ্ড খণ্ড।।

সমুখে ৰহিলা দুয়ো যুদ্ধক সমৰ্থ।
শৰীৰে ঢাকিলে ষোল মাসৰ যে পথ।।৫৫১।।
বিশ্বামিত্ৰ বকক দেখন্ত লাগে ত্ৰাস।
ভূমিত থাকিল গলে লঙ্ঘিল আকাশ।।
চৌৱিশ মাসৰ পথ জুৰিলা শৰীৰে।
তলবল কৰৈ মহী চটকৰ ভিৰে।।৫৫২।।
ভৈলন্ত সমুখ দুয়ো পখী মহাকোপে।
তেজন্ত আতাস আতি পৰম আটোপে।।
প্ৰলয় কালৰ যেন মেঘৰ সম্বাদ।
স্বৰ্গত শুনিয়া সৱে ভৈলা নিশৱদ।।৫৫৩।।
পৃথিৱীৰ লোকৰ কৰ্ণত দিলে তাল।
চমকিয়া গৈল সৱে শৱদ আস্ফাল।।
কিবা বৈল বুলিয়া চাহন্ত বিমৰিষি।
দিব্য দৃষ্টি দেখন্ত যুঁজন্ত দুয়ো ঋষি।।৫৫৪।।
যুদ্ধ চাহিবাক আসি ভৈল স্বৰ্গপৰা।
ইন্দ্ৰক আৱৰি আছে যত অপস্বৰা।।
ভয়ঙ্কৰ বক শৰালিক দেখি আসি।।
সিদ্ধমুনি গন্ধৰ্ব্বৰো ৰিঙ্গ জোঁট হাসি।।৫৫৫।।

সেহি বেলা দুয়ো পখী সমৰে প্ৰবুদ্ধ।
বলাবলী কৰি আসি লগাইলন্ত যুদ্ধ।।
পখা মেলি দুয়োপখী ফুৰে চক্ৰাকাৰে।
পৃথিৱী বিদাৰ কৰে চৰণ প্ৰহাৰে।।৫৫৬।।
মহাপাকা মেলি বকে প্ৰতমে তাড়িল।
মূৰ্চ্ছিত সৰালি তেন প্ৰাণক ছাড়িল।।
ক্ষণেকে চেতন লবি বৈল সন্ধুক্ষণ।
থম্ থাম কৰি ধাইল যুদ্ধকেসে মন।।৫৫৭।।
উপৰক ঠোঁট তুলি জাম্পিলা শৰালি।
হূদয়ৰ মাংস নখে পেলাইলা বখালি।।
নিদাৰুণ প্ৰহাৰত মূৰ্চ্ছা গৈলা বক।
দশোদিকে অন্ধকাৰ দেখিলা যমক।।৫৫৮।।
ক্ষণেকে চেতন পাই সিঁহৰাইলা জ্বলি।
ঝঙ্কাৰিলা গাৱ দুয়োপখাক বখালি।।
থাক থাক বুলি দাইলা বিদ্যুত সঞ্চাৰে।
শৰালিক পীড়িলেক চৰণ প্ৰহাৰে।।৫৫৯।।
আঞ্জুৰিল নকে ক্ষতবিক্ষতক কৰি।
সৰীৰৰ বহি যায় সোণিত নিঝৰি।।

যেন মেৰু পৰ্ব্বতৰ বহে গেৰুধাৰ।
চোট পাই শৰালি দেখিলা অন্ধকাৰ।।৫৬০।।
কতো বেলি সুস্থ হুয়া মেলিলন্ত আখি।
ঠোঁট মেলি আপোনাৰ কুৰাইলন্ত পাখি।।
কোপে অপমানে দেহা নসহয় আৰ।
খাইলো আৰে মুণ্ড কৈক যাইবি দুৰাচাৰ।।৫৬১।।
এহিবুলি মহাকোপে শৰালি চটকে।
কৰিলা উৰাউ যেন বিজুলী চমকে।।
বকৰ পিঠিত পৰিলন্ত বৰি জান্টি।
হামুকুৰি তাই বকে কৰিলন্ত বান্তি।।৫৬২।।
মাথাত শৰালি কোপে খুটিয়াইলা ঠোঁটে।
অসংখ্যাত পাখি উঘালিল গোটে গোটে।।
ভৈলেক ঝুঝুৰিমূৰা বহে তেজধাৰ।
গিৰি শিখৰত যেন ফুটিল মন্দাৰ।।৫৬৩।।
সহিবে নপাৰি বকে বিপৰীত চোট।
দুয়ো পাকা মেলিয়া মাটিত দিলা ঠোঁট।।
কতো বেলি মানে আচিলন্ত অচেতন।
সন্ধুক্ষণ হুয়া আতি কোপ কৰি মন।।৫৬৪।।

এহিমতে খঙ্গে বকে গাৱ জঙ্কাৰিলা।
চোট পায়া শৰালি সহিবে নপাৰিলা।।
কতো দূৰে উফৰিয়া নিঢালে পৰিলা।
গিৰ গিৰ কৰি সৱে পৃথিৱী লৰিলা।।৫৬৫।।
দেখি খঙ্গে পিঠিত উঠিল সেহি ছেগে।
মাথাত কামোৰ দিয়া ধৰিলন্ত বেগে।।
দোঙ্গাদুঙ্গি কৰি তাক এৰাইলা শৰালি।
পাছে ঠোঁটে ঠোঁটে দুয়ো ধৰিলে কৰালি।।৫৬৬।।
পাকাক উল্লাসি দুয়ো দুইকো দেয় চোট।
ভৰি ভৰি চান্দি দুয়ো ভৈলা এক গোট।।
কৰে জড়া জড়ি দুয়ো পৃথিৱীত পৰি।
উপৰা উপৰি দুয়ো বগৰা বাগৰি।।৫৬৭।।
দুগোটা পৰ্ব্বত যেন যুজে অৱগাই।
দুইখান পৰ্ব্বত যেন ভৈল এক ঠাই।।
পৃথিৱী নসহে দুই পখীৰ আজোৰ।
পীড়িল যতেক বৃক্ষ ভৈল মষিমূৰ।।৫৬৮।।
পৰ্ব্বততো পৰয় পৰ্ব্বত হোৱে চূৰ।
কৰিল উচ্ছন্ন পৃথিৱীৰ কতদূৰ।।

যেন মহা মেঘ সব্ৰ প্ৰলয় কালৰ।
শুনি মহা ভয় ভৈলা যত চৰাচৰ।।৫৬৯।।
জোঁটাজুটি আন্দোলা আন্দোলি কৰে আতি।
ভিৰ পাইয়া পৃথিব্ৰী ভৈলেক এক কাতি।।
কতো আকাশক লাগি কৰয় উৰাব্ৰ।
মহা মহা পৰ্ব্বতত লাগে পথাবাৱ।।৫৭০।।
পাতে যে উৰাই সব্ৰে সৰসৰি ভাগি।
অসংখ্যাত ফুৰয় পথাৰ বাব্ৰ লাগি।।
আকাশৰ পৰা পৰে পৰ্ব্বত অশেষ।
চূৰ্ণীকৃত কৰিল নগৰ গ্ৰাম দেশ।।৫৭১।।
কম্পন্ত পৃথব্ৰী আতি নুহিকন্ত থিৰ।
অনন্তৰে লৰি গলা সহস্ৰেক শিৰ।।
এহিমতে ৰাজ্য সব্ৰে কৰিলা নিৰ্ম্মূল।
আকাশত পক্ষী দুয়ো কৰৈ হুলস্থূল।।৫৭২।।
অন্যো অন্যে অশেষ পাথাৰ মাৰে ছাটি।
স্বৰ্গত দেব্ৰৰো শুনি কৰ্ণ যায় ফাটি।।
যুদ্ধ চাই যত দেব্ৰ আছন্ত আকাশে।
উৰাইলা বিমান সব্ৰে পাথাৰ বাতাসে।।৫৭৩।।

চন্দ্ৰ-সূৰ্য্যে নিয়মিতে মপাৰন্ত ৰথ।
শ্ৰুতি এৰি ঘোৰা সৱে ধৰিলা বিপথ।।
নাহিকে ভাগৰ দুইৰো ক্ৰোধ আতি চৰে।
জোঁটাজুঁটি কৰি আসি পৃথিৱীত পৰে।।৫৭৪।।
মহাবেগে ঊৰ্ম্মি কৰি উঠে সৱে জল।
পৃথিৱী বুৰাৱে সামৰাজে যাই তল।।
সৱে জীৱজন্তু প্ৰজা জাজি যেন উটে।
কুম্ভীৰ মগৰে খেদি খাই গোটে গোটে।।৫৭৫।।
মিলিল প্ৰলয় জগতৰে আৰ্ত্তনাদ।
তথাপিতো দুয়ো পক্ষী নেৰয় বিসম্বাদ।।
সাগৰত পৰি দুই পক্ষীৰ আন্দোল।
পথাৰ ছাটিত জল যায় স্বৰ্গ কোল।।৫৭৬।।
মৰে জীয়া জন্তু সৱ চৰণ আস্ফালে।
কতো বুৰ দিয়া বেগে পশিলা পাতালে।।
দুয়ো পক্ষী কৰে দেখি দুৰ্ঘোৰ আস্ফোট।
ভয়ে নাগগণে সৱে ভৈলা জোঁটা জোঁট।।৫৭৭।।
দৈত্য দানৱৰ লাগি গৈলা হুলস্থূল।
মিলিল প্ৰলয় বুলি প্ৰজাৰ আকুল।।

কৰন্ত উৰাৱ কতো দুয়ো মহাবল।

পখাত উঠাৱে যত সাগৰৰ জল।।৫৭৮।।

গাৱৰ বেগত জল পৰে পৃথিৱীত।

যেন প্ৰলয়ৰ বেলা হৱে বিপৰীত।।

উঠে বুৰে ঢৌত প্ৰজা পৰ্ব্বত শিখৰ।

নিৰন্তৰে সৱে যত আছে চৰাতৰ।।৫৭৯।।

জগতৰে দূমকেতু চটক দুতয়।

সমস্তে লোকক কৰে অকালে প্ৰলয়।।

তথাপি আক্ৰান্তি দুয়ো সমৰ নেৰয়।

আকাশৰ পৰা দুয়ো পৰ্ব্বতে পৰয়।।৫৮০।।

ভূমি সম হুয়া গিৰি সমূলি লুকায়।

পৃথিৱীৰ হোসকিয়া পাতালক যায়।।

তল বল বসুমতী ভৈল জল থল।

থিৰ হুইবে নোৱাৰন্ত দিগগজ সকল।।৫৮১।।

সহিবে নপাৰি আতি আন্দোলৰ দুখ।

পাতালক যাইবে ভৈলা পৃথিৱী সমুখ।।

হেন দেখি দুয়ো পক্ষী তেজি ঘোৰ ৰাৱ

আকাশক লাগি দুয়ো কৰিলা উৰাৱ।।৫৮২।।

কাম্পে বসুমতী সৱে থলকে সাগৰে।
খসি গিৰি শৃঙ্গ পৰে ভূমিত বাগৰে।।
ঘোৰতৰ পথাৰ প্ৰচণ্ড বায়ু লাগি।
অসংখ্য পৰ্ব্বত সৱে পৰৈ ভাগিভাগি।।৫৮৩।।
কতো দূৰ উৰ্দ্ধ দুই আকাশত থাকি।
পৰে আসি গ্ৰাম দেশ নগৰক ঢাকি।।
এহিমতে পৃথিৱী কৰন্তে আছে ছন্ন।
দশো দিশে হাহাকাৰ কৰৈ প্ৰজাগণ।।৫৮৪।।
হা মাৱ বাপ ভাই বুলিয়া লৱৰে।
পলাইয়োক সত্বৰে পৰ্ব্বত হেৰা পৰে।।
কতো নাৰী স্বামীক পুত্ৰক গলে বান্ধে।
এৱে প্ৰাণ যায় বুলি আৰ্ত্তনাদে কান্দে।।৫৮৫।।
পলায়ো সত্বৰে বাপু স্নেহ এৰি মোক।
আহ্মাৰ কৰ্ম্মে আছে যেহি জুৱাই হোক।।
কতো সবান্ধৱে সৱে হোৱে এক ঠাই।
কৰৈ আতি ক্ৰন্দন আউৰক আউৰে চাই।।৫৮৬।।
মিলিল প্ৰলয় পলাইবাক নাই থান।
গলা গলি কৰে কোন বেলা যায় প্ৰাণ।।

কৈৰ দাদা পেহা মহা মাতুল খুৰাই।
পলা পলা জাণ্টে সৱে গৃহৰ বজাই।।৫৮৭।।
এহিমতে সৱে প্ৰাণী ত্ৰাসত লৱৰে।
এতেকতে পৰ্ব্বত মাথাত আসি পৰে।।
এহিমতে জগতৰে চিন্তিলা বিনাশ।
চড়ে দুইৰো ক্ৰোধ আতি নাহিকে প্ৰয়াস।।৫৮৮।।
আকাশত ঘোৰ যুদ্ধ কৰিয়া বহুত।
পৃথিৱী নসহে দেখি পৰিলা মেৰুত।।
দুৰ্ঘোৰ আন্দোলে মেৰু কৰৈ তল বল।
প্ৰচণ্ড বাতাসে যেন জোঙ্কাৰয় কল।।৫৮৯।।
খসি পৰে শিখৰৰ পৰা বাৱ লাগি।
যত মঠ মন্দিৰ উৰিল চিণ্ডি ভাগি।।
যত দেৱ আছিল লাগিল উস মিস।
মহা বেগে প্ৰজাসৱ পলাই দশোদিস।।৫৯০।।
বহুবিধ দিব্য তৰু নানা উপৱন।
চৰণ প্ৰহাৰে ভৈলা পটাৰ পিসন।।
দুয়ো মহা পক্ষীৰ নাহিকে উপশান্তি।
জালি শিহৰাই দুয়ো দুইকো দেন্ত দান্তি।।৫৯১।।

প্ৰলয়ৰ মেঘ যেন গৰজে শতবাৰ।

মাৰে পথা ছাটি দুয়ো বিজুলী সঞ্চাৰ।।

কামোৰা কামুৰি কৰৈ ঠোঁটে ঠোঁটে ভিৰি।

আঙোৰা আঞ্জুৰি দুইৰো মাংস যায় ছিৰি।।৫৯২।।

সৰীৰৰ তেজ নদী যেন বহি যায়।

তথাপিতো দুইকো দুই এৰা এৰি নাই।।

আন্দোলা আন্দুলি কৰৈ দুয়ো মহাবল।

সহিব নোৱাৰি মেৰু যায় ৰসাতল।।৫৯৩।।

হেন দেখি দুয়ো উৰাও কৰিলা ঊৰ্দ্ধক।

একতিলে পাইলা গৈয়া স্বৰ্গ ভুৱনক।।

স্বৰ্গতো লাগিল দুই পক্ষীৰ তুমুল।

আন্দোলা আন্দুলি জোৰা জুৰি হুলস্থূল।।৫৯৪।।

মাৰে পথাছাট তেজে মহা ঘোৰনাদ।

পৰন্তে কৰিলা গৈয়া স্বৰ্গক উচ্ছাদ।।

দিব্য গৃহ সব ছিণ্ডি ভাঙ্গি গৈলা উৰি।

দিব্য ৰত্নচয় যত সৱে বৈলা গুড়ি।।৫৯৫।।

দিব্য সৰোবৰ মানে উঠি ভৈল পঙ্ক।

দেখি স্বৰ্গবাসীৰ লাগিল বৰ ঢঙ্ক।।

মিলিল প্ৰলয় বুলি কৰে হাহাকাৰ।
পাপী দুয়ো পক্ষীয়ে চিন্তিল মহামাৰ।।৫৯৬।।
পলাই দেৱগণ আউৰ নসৰৈ বিপত্তি।
ক্ষণেকে উচ্ছন্ন কৰিলেক অম্ৰাৱতী।। (অতিশয়োক্তি অলঙ্কাৰ)
শুনা সভাসদ পদ কতা অনুপাম।
পোৰক পাপৰ সঞ্চ বোলা ৰাম ৰাম।।৫৯৭।।

।।দুলড়ী।।

ইন্দ্ৰক প্ৰমুখ্যে ত্ৰিদস দেৱতা
সৱে ভৈলা এক ঠাই।
ঘোৰ পক্ষী দুইক নিৰ্ব্বৰ্ত্তাইবে লাগি
নপান্ত খুজি উপায়।।
দাৰুণ পক্ষীৰ ওচৰ চাপিবে
কাহাৰো নাহি সাহস।
আতি আথে বেথে দেৱ লোকে সৱে
গৈলন্ত ব্ৰহ্মাৰ পাশ।।৫৯৮।।
দিব্য সভাপতি আছা প্ৰজাপতি

বেঢ়ি সৱে চৰাচৰ।
দেখি দণ্ডৱতে পৰিয়া ত্ৰিদশে
ব্ৰহ্মাত দিলা গোচৰ।।
ভৈলা অথন্তৰ শুনা সৃষ্টিকৰ
ত্ৰিজগতে যাই তল।
বশিষ্ঠ ঋষিৰ বিশ্বামিত্ৰ সমে
লাগিব গোৰ কন্দল।।৫৯৯।।
দুয়ো দুইকো শাপি ভৈলা মহাপক্ষী
মন্দৰ মেৰু সমান।
আতি ক্ৰোধে দুয়ো কৰে ঘোৰ যুদ্ধ
জগতে ভৈলা নিৰ্জ্জান।।
যিসৱ সৃষ্টিক ব্ৰহ্মে স্ৰজিলা
হেলাতে কৰিলা ক্ষয়।
পৃথিৱী বিনাশি স্বৰ্গত পশিয়া
কৰন্তে আছে প্ৰলয়।।৬০০।।
আপদে গ্ৰাসিল উদ্ধাৰা আম্মাক
আৰে প্ৰবু পিতামহ।
তযু পাৱ ছাড়ি আনগতি নাই

তোহ্মাতেসে সৱে গহ।।

যতেক দুৰ্গতি এৰাই প্ৰজাপতি

তোহ্মাতে লৈয়া শৰণ।

সৃষ্টি নষ্ট যায় বুলিয়ো উপায়

কিমতে যাইবো ৰক্ষণ।।৬০১।।

ব্ৰহ্মাই বোলন্ত শুনা দেৱগণ

এৰিয়ো সৱে বিষাদ।

চলিয়ো আপোনে ভাঙ্গিবো এখনে

ঋষিৰ ঘোৰ বিৱাদ।।

হৰিশ্চন্দ্ৰ ৰাজা কৰিলন্ত মহা

ৰাজসূয় মহাক্ৰতু।

প্ৰজা ক্ষয়ঙ্কৰ আশেষ বিঘিনি

মিলিলা সেহিসে হেতু।।৬০২।।

এহি বুলি বিধি হংসত চৰিয়া

লৰি যান্ত যাত্ৰ কৰি।

ইন্দ্ৰ আদি কৰি ত্ৰিদশে চলিলা

চৌপাশে যোগান ধৰি।।

নাৰদ প্ৰভৃতি যত দেৱ ঋষি

আগত পঢ়ন্ত বেদ।

মুখ্য মুখ্য যত গন্ধৰ্ব্বে যোগাৱে

নৃত্য গীত অবিচ্ছেদ।।৬০৩।।

ইন্দ্ৰ ধৰিলন্ত ধৱল ছত্ৰেক

বাসুকি ডোলে চামৰে।

একাদশ ৰুদ্ৰ সপত সমুদ্ৰ

মূৰ্ত্তিধৰি স্তুতি কৰে।

আন দেৱগণে জয় ঘোষ কৰৈ

চলিযান্ত একান্তিক।।

এহিমতে ব্ৰহ্মা কতোক্ষণে গৈয়া

দেখিল দুয়ো পক্ষীক।।৬০৪।।

আকাশক ঢাকি উপৰত থাকি

ব্ৰহ্মা বুলিবাক লৈল।

হাঁউৰ পাপিষ্ঠ কেনে যুদ্ধ কৰ

সৱে সৃষ্টি নষ্ট ভৈল।।

ব্ৰহ্মঋষি হুয়া ভৈলি তামসিক

অধমৰ যেন ক্ৰোধ।।

জগতৰে মহা শাৰীত পৰিলা

হেনসে দুয়ো অধম।।৬০৫।।

শুনৰে বশিষ্ঠ শুন বিশ্বামিত্ৰ

এৰ বিসম্বাদ ঘোৰ।

চিত্তত দাৰুণ উতপাত দিলি

সৃষ্টি নষ্ট ভৈল মোৰ।।

প্ৰতিফল দিবে পাৰো এতিক্ষণে

কিন্ত দিয়া আছো বৰ।

আতেসে ক্ষমিলো এৰিয়ো বিৰাদ

আন্তৰা দুয়ো সত্বৰ।।৬০৬।।

তথাপিতো আতি কৰৈ ঘোৰ যুদ্ধ

দাৰুণ চটক দুই।

ব্ৰহ্মাৰ বচন শুনি নুশুনিল

ক্ৰোধত বিশ্ৰুত হুই।।

প্ৰাণৰ আশাক এৰি দুই হন্তে

আক্ৰান্তে কৰে প্ৰহাৰ।

হেন ভয়ঙ্কৰ সন্ত্ৰাস দেখিয়া

বিস্ময় ভৈল ব্ৰহ্মাৰ।।৬০৭।।

মনে আলোচন্ত ইটো ত্ৰিজগত

কেনমতে ৰক্ষা পৰৈ।

যেৱে দুয়ো ঋষি যুদ্ধ কৰি মৰে

মেহোৰ বচন লড়ৈ।।

হেন বিমৰিষ কৰি প্ৰজাপতি

দিব্য কমণ্ডলু আনি।

দুয়ো চটকৰ শৰীৰক লাগি

মন্ত্ৰে সিঞ্চিলন্ত পানী।।৬০৮।।

ব্ৰহ্মাৰ প্ৰভাবে পক্ষী গুচি দুয়ো

তাৱেক্ষণে ভৈলা ঋষি।

দেখি শুভ শুভ বুলিয়া জোকাৰ

পাৰৈ সৱে দশোদিশি ।।

আনন্দে দুন্দুভি বাৱে দেবগণে

কৰৈ মহা পুষ্প বৃষ্টি ।

ব্ৰহ্মাক বোলন্ত তোহ্মাৰ প্ৰসাদে

দুনাই ৰহিলেক সৃষ্টি ।।৬০৯।।

পাছে দুয়ো ঋষি ব্ৰহ্মাক দেখিয়া

ভৈলন্ত লজ্জিত ভাৱ ।

আধোমুখ হুয়ো থাকিল নিচুকি

ব্ৰহ্মাৰ নমিয়া পাৱ ।।

কাহাকো নচান্ত ভৈল উপশান্ত

গুলিচ প্ৰচণ্ড ক্ৰোধ ।

আপোনাক দুয়ো গৰিহা কৰন্ত

আসি ভৈল ব্ৰহ্মবোধ ।।৬১০।।

ব্ৰহ্মাই বোলন্ত হৰিশ্চন্দ্ৰ ৰাজা

কৰিল যজ্ঞ বিচিত্ৰি ।

তান দান ধৰ্ম্ম পৰীক্ষা কৰিলা

ইটো ঋষি বিশ্বামিত্ৰ ।।

নৃপতিৰ ধৰ্ম্ম লক্ষকোটি গুন

ভৈগৈল ইহান গুণি ।

শুণিয়ো বশিষ্ঠ এৰিয়োক কষ্ট

আহ্মাৰ বচন শুনি।।৬১১।।

এহি বুলি ব্ৰহ্মা হংসযানে চড়ি

গৈলন্ত ব্ৰহ্মা ভুবন ।

আপুন গৃহত থাকিলন্ত সুখে

আনো সিদ্ধ মুনিগণ ।।

পৃথিৱীও সুস্থ ভৈল পুনৰপি

খণ্ডিল ঘোৰ বিঘিনি ।

ব্ৰহ্মাৰ প্ৰসাদে দুনাই বাঢ়ি গৈলা

প্ৰজাগন অনুদিনি ।।৬১২।।

পাছে দুয়ো ঋষি ধ্ৰ্য্যৈক আলম্বি

চিত্ত কৰিলন্ত স্থিৰ ।

ধ্যানত দেখন্ত কিছু ভেদ নাই

দুহানো একে শৰীৰ ।।

দুই দুইকো চাই হাস্য কৰিলন্ত

প্ৰীতি বাঢ়ি গৈল আতি ।

হিয়ে হিয়ে লাগি ধৰিলা সাৱটি

ৰঙ্গে দুই দুইকো মাতি ।।৬১৩।।

দুই দুইকো পৰি কৰি নমস্কাৰ

দুয়ো দুইৰ ধৰি পাৱে।

বোলে যত দোষ মৰিষিয়ো মোৰ

দুয়ো বোলে বহু ভাৱে।।

গলে বান্ধি চুমা পাবৈ অন্যো অন্যে

অনেক আনন্দ কৰি।

তোহ্মাৰ আহ্মাৰ ভাগিল কন্দল

সত্যে সত্যে আজি ধৰি ।।৬১৪।।

এহি বুলি দুয়ো দুইহান্তো মেলানি
মাগি আশ্ৰমক গৈলা।
ধৰ্ম্ম পক্ষীগণে জৈমিণি ঋষিত
সকল বৃত্তান্ত কৈলা।।
ইটো মহাপুণ্য কতা যিটো পঢ়ে
শুনে যিটো এক মনে।
খণ্ডিবে দুৰ্গতি বাঢ়িবে ভকতি
কৃষ্ণৰ দুই চৰণে।।৬১৫।।

নমো নাৰায়ণ সংসাৰ কাৰণ
নিৰঞ্জন নিৰাকাৰ।
কৃষ্ণৰ কিঙ্কৰে ৰচিল শঙ্কৰে
বিচিত্ৰ ছন্দে পয়াৰ।।
কৰযোৰে বোলো শুনা বুধজন
আত যিবা দেখা দোষ।
ছোৱালৰ বাণী হেন অনুমানি
মনে হুইবা পৰিতোষ।।৬১৬।।

কঠোৰক ভয় কথাৰ আশয়

দিলো কিছো কাব্যৰস।

অবিচাৰি তাক হঠাতে আস্মাক

নিদিবাহা অপযশ।।

বণিয়া সকলে সূৱৰ্ণে গঢ়য়

অলঙ্কাৰ ভাল ভাল।

সিয়ো আনি যেৱে সুৱগা নেদয়

সুৱৰ্ণৰ নযায় জাল।।৬১৭।।

হেন জানি সৱে পণ্ডিত মণ্ডলী

মনত হুয়ো সন্তোষ।

হৰিক স্মৰণে খণ্ডোক এখনে

বঢ়া টুটা যত দোষ।।

ঘোৰ আতি বক শৰালিৰ যুদ্ধ

কথা ভৈলা সমাপতি।

সমজ্যায়ে ঢ়াকি হৰি বোলা ডাকি

সুখে সাধিয়োক গতি।।৬১৮।।

## সমাপ্ত

## জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখা

সমিতিৰ দ্বাৰা উপলব্ধ